# ষষ্ঠদশ অসম বিধান সভাৰ

## প্ৰথম অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২৬/০৫/২০২৬ **মঙলবাৰ**

পূৰ্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ইংৰাজী ২৬-০৫-২০২৬ তাৰিখে ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথম অধিবেশনৰ চতুৰ্থ দিনৰ কাৰ্য্যসূচী ৰাতিপূৱা ৯.৩০ বজাত আৰম্ভ হয়।

**মাননীয় অধ্যক্ষ ঃ** সকলোকে নমস্কাৰ জনাইছোঁ। এতিয়া কাৰ্য্যসূচী নং ৩, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই "The North Lakhimpur University (Amendment) Ordinance, 2026" সদনত দাখিল কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The North Lakhimpur University (Amendment) Ordinance, 2026" মই সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া, কাৰ্য্যপৰিচালনা আৰু নিয়মাৱলীৰ নিয়ম ৬৯ একৰ অধিনত "The North Lakhimpur University (Amendment) Ordinance, 2026" ওপৰত বাখ্যা মূলক টোকা সদনত দাখিল কৰাৰ কাৰণে অনুৰোধ জনালো।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ  অসম  বিধান সভাৰ প্ৰক্ৰিয়া, কাৰ্য্যপৰিচালনা আৰু নিয়মাৱলীৰ নিয়ম ৬৯ একৰ অধিনত “The North Lakhimpur University (Amendment) Ordinance, 2026” ওপৰত বাখ্যা মূলক টোকা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই  “The North Lakhimpur University (Amendment) Ordinance, 2026” উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিম।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে “The North Lakhimpur University (Amendment) Ordinance, 2026” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ অনুমিত আছে নে ?

যিসকলে সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’

যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক ‘নহয়’

মই ভাৱো ‘হয়ৰ সপক্ষে’ ‘হয়ৰ সপক্ষে’ ‘হয়ৰ সপক্ষে’

বিধেয়কখন গৃহিত হ’ল।

এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিধেয়কখন উত্থাপন কৰিব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The North Lakhimpur University (Amendment) Ordinance, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৪, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কৰ ওপৰত বক্তব্য প্ৰদান কৰিবলৈ অনুৰোধ কৰিলো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ মে, তাৰিখে অসমৰ সন্মানীয় ৰাজ্যপাল শ্ৰী লক্ষ্মন প্ৰসাদ আচাৰ্য্য ডাঙৰীয়াই সদনলৈ আহি তেখেতৰ অভিভাষণ আমাৰ সন্মুখত পাঠ কৰে আৰু পৰম্পৰা অনুসৰি ৰাজ্যপাল মহোদয়ক ধন্যবাদ জনাই সদনত প্ৰস্তাৱ উত্থাপন কৰা হয়। আৰু এই প্ৰস্তাৱ সম্পৰ্কীয় বিতৰ্কত শাসক বিৰোধী সকলো পক্ষৰ বিধায়কসকলে অংশগ্ৰহণ কৰে। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী সদস্যক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১৬ তম অসম বিধান সভাৰ এইখন প্ৰথম অধিবেশন। যোৱা ৪ মে তাৰিখে অসমৰ জনসাধাৰণে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি দিয়া ফলাফল আমি সকলোৱে লাভ কৰো । ১২ মেত নতুন চৰকাৰে দায়িত্ব গ্ৰহণ কৰে আৰু

তৎকালীনভাৱে বিধান সভাৰ অধিবেশন হয়। সন্মানীয় সদস্যসকলে শপত গ্ৰহণ কৰে। ৰাজ্যপাল মহোদয়ৰ অভিভাষণ শুনাৰ আমাৰ সৌভাগ্য হয়। এক প্ৰকাৰ গণতান্ত্ৰিক পৰম্পৰা আমাৰ ৰাজ্যখনত আৰু এখোজ আগবাঢ়ি যায়। সদনত অধ্যক্ষ হিচাপে আপুনি দায়িত্ব গ্ৰহণ কৰে, পুনৰবাৰ মই আপোনাক অভিনন্দন জনাইছোঁ। বিশেষকৈ মই সেইসকল বিধায়কক অভিনন্দন জনাব বিচাৰিছোঁ যিসকলে নতুনকৈ এই সদনলৈ আহিছে। বিশেষকৈ সদনৰ যুৱ বিধায়কসকলক, যি দলৰেই নহওক কিয়, মই সকলোকে অভিনন্দন জনাইছোঁ আৰু পৱিত্ৰ সদনলৈ আদৰণি জনাইছোঁ।

আমাৰ গণতান্ত্ৰিক পৰম্পৰাত বিধানসভাই আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু তাৰবাবেই আমি বিধানসভাক গণতন্ত্ৰৰ মন্দিৰ হিচাপে আখ্যা দিওঁ। মই আশা কৰিম যে এই বিধানসভাৰ প্ৰতিটো কাৰ্যসূচীক আমাৰ সদনৰ সদস্যসকলে, বিশেষকৈ নতুন সদস্যসকলে, অত্যন্ত গম্ভীৰতাৰে ল'ব। ৰাজ্যৰ সমস্যাসমূহৰ বিষয়ে আলাপ-আলোচনা কৰিব আৰু ৰাজ্যৰ জনসাধাৰণৰ আস্থা এই সদনৰ প্ৰতি যাতে সদায়ে নিৰন্তৰভাৱে থাকিব পাৰে, তাৰবাবে আমি সকলোৱে প্ৰচেষ্টা কৰিব লাগিব। শাসকেই হওক, বিৰোধীয়েই হওক, এই সদনত গ্ৰহণ কৰা ভূমিকা ৰাজ্যৰ গণতন্ত্ৰক শক্তিশালী কৰে আৰু ৰাজ্যৰ জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰে। মই ভাবোঁ যে

আগন্তুক পাঁচটা বছৰত আমি আমাৰ সদনৰ প্ৰতিটো দিন, প্ৰতিটো ক্ষণ অসমৰ জনসাধাৰণৰ মংগলৰ কাৰণে ব্যৱহাৰ কৰিম।

সদনৰ আৰম্ভণিতে মই এটা বিষয় অধ্যক্ষ মহোদয়ৰ সন্মুখত উপস্থাপন কৰিম। ভাৰতবৰ্ষৰ সংসদে কেইবাটাও গৰিমাময় পৰম্পৰা স্থাপন কৰিছে। আমি যদি দেখা পাওঁ যে ভাৰতবৰ্ষৰ বিৰোধী পক্ষ নিশ্চিতভাৱে আমাৰ অসমৰ বিধান সভাতকৈও বেছি শক্তিশালী কাৰণ সংখ্যাগতভাৱে বিৰোধী পক্ষৰ এটা ভাল শতাংশ বিৰোধী পক্ষত আছে । কিন্তু তথাপিও ভাৰতবৰ্ষৰ সদনত  ৰাষ্ট্ৰপতি মহোদয়ৰ ভাষণ কেতিয়াও বৰ্জন কৰা নহয়, কাৰণ লোকসভা বা ৰাজ্যসভা—দুয়োখন সদনেই একেলগে বহে, ৰাষ্ট্ৰপতিৰ অভিভাষণ শুনে আৰু পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতিৰ অভিভাষণত কঠোৰভাৱে সমালোচনাও কৰে। কিন্তু আমি যদি দেখা পাওঁ, অটল বিহাৰী বাজপেয়ীৰ পৰা আৰম্ভ কৰি জৱাহৰলাল নেহৰুলৈকে, নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সময়লৈকে, লোকসভাই কেতিয়াও ৰাষ্ট্ৰপতিৰ অভিভাষণ কোনো এজন সদস্যই বৰ্জন কৰা নাই। ৰাজ্য বিধানসভাত তেনে পৰম্পৰা আছে, কিন্তু অসমে ভাৰতৰ সকলো ৰাজ্যকে এটা পৰম্পৰা দেখুৱাব পাৰে যে আমিও সাংবিধানিক অনুষ্ঠানক সন্মান জনাওঁ। বিৰোধিতা থাকিব পাৰে, কিন্তু সাংবিধানত যিসকলে সাংবিধানিক পদবি পালন কৰিছে—বিশেষকৈ ৰাষ্ট্ৰপতি, ৰাজ্যপালক—সন্মান দেখুওৱাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। সদনত তেখেতসকল থকা সময়লৈকে আমি আমাৰ

গণতান্ত্ৰিক পৰম্পৰা ৰক্ষা কৰিম। মই ভাবোঁ যে ৰাজনৈতিক ইতিহাসত গণতন্ত্ৰত এখন ৰাজ্যৰ মৰ্যদা কেতিয়া বৃদ্ধি হয় যেতিয়া সুস্থ পৰম্পৰা সমূহ আমি গ্ৰহণ কৰিব পৰা ক্ষমতা আমাৰ মাজত থাকে। মই আশা কৰিম যে অনাগত দিনত এই দিশ বিলাক আমি নিশ্চিত ভাৱে আলোচনা কৰিম। অধ্যক্ষ মহোদয়, ২০২৬ চনৰ গণতন্ত্ৰ উৎসৱ ইতিমধ্যে সামৰণি পৰিলে। এইবাৰ ইলেকশ্যন ৰিজাল্ট দিয়াৰ পিছত বহুত কেইটা টিভি চেনেলত আলোচনা হৈছিলে যে কেনেকৈ অসমত জিকা আৰু হৰা যিয়ে সিদ্ধান্ত নহওক কিয় নিৰ্বাচনৰ পিছত অসমত ৰাজনৈতিক হিংসা কেতিয়াও নহয়। মই ভাবোঁ চুবুৰীয়া ৰাজ্য পশ্চিমবংগত এটা সময়ত যি পৰম্পৰা আছিল বিশেষকৈ তৃণমূল কংগ্ৰেছৰ কাৰ্যকালত, ৰাজনৈতিক প্ৰতি হিংসাৰ বলি হৈ বহু লোক অসমত আহি আশ্ৰয় ল'বলগীয়া হৈছিল। কিন্তু পশ্চিমবংগতো এইবাৰ পৰিবৰ্তন হৈছে। এইবাৰ এজনো লোক অসমলৈ ৰাজনৈতিক আশ্ৰয়ৰ বাবে আহিব লগীয়া হোৱা নাই আৰু অসমে নিৰ্বাচনৰ ফলাফল যিয়ে নহওক কিয় আমি আমাৰ নিৰ্বাচন গণতন্ত্ৰৰ উৎসৱ হিচাপে আমি ৰাখিব পাৰিছো । আৰু ৰাজনৈতিক প্ৰতিহিংসা আমাৰ ৰাজ্যত নিৰ্বাচনৰ পাছত আমি কেতিয়াও দেখা নাপাও যিটো আমাৰ অসমবাসীৰ বাবে এটা অত্যন্ত গৌৰৱৰ বিষয়। মই পুনৰ বাৰ ২০২৬ চনৰ নিৰ্বাচন যি হিংসাৰ অহিত আছিল হিংসা বৰ্জিত আছিল আৰু প্ৰথমবাৰৰ বাবে অসমত প্ৰায় ৮৫ শতাংশ লোকে ভোটদান কৰি এই

গণতন্ত্ৰৰ উৎসৱত খুব সুন্দৰভাৱে উদযাপন কৰিলে মই অসমৰ ৰাইজক পুনৰবাৰ অভিনন্দন জ্ঞাপন কৰিছোঁ । অধ্যক্ষ মহোদয়, নিৰ্বাচনৰ ফলাফলৰ ওপৰত ইতিমধ্যে আমাৰ ৰাজ্যপালৰ অভিভাষণত আলোচনা হৈছে আৰু নিশ্চিতভাৱে এই নিৰ্বাচনৰ ফলাফল আমাৰ বাবে অত্যন্ত আশা ব্যঞ্জক আছিল । আমি এক অভূতপূৰ্ব সাফল্য এই নিৰ্বাচনত লাভ কৰিব পাৰিছিলো আৰু অসমৰ ৰাজনৈতিক ইতিহাসত এনডিএ আৰু বিজেপি একেলগে আমি এক উদাহৰণ বিহীন নতুন কীৰ্তিস্তম্ভ স্থাপন কৰিবলৈ আমি সক্ষম হৈছিলোঁ। আজিৰ এই পৱিত্ৰ মুহূৰ্তত মই পুনৰবাৰ অসম বাসী ৰাইজৰ ওচৰত শিৰ নত কৰি আমাক দেখোৱা মৰম আৰু আদৰৰ বাবে মই কৃতজ্ঞতা জনাইছোঁ। আৰু অসমবাসী ৰাইজক আমি প্ৰতিশ্ৰুতি দিছোঁ অসমৰ বিকাশ, অসমৰ সুৰক্ষা আৰু অসম ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্য সমূহৰ মাজলৈ লৈ যোৱাৰ আমাৰ সংকল্পত  আমি অটল হৈ থাকিম, আমি অৱিচল হৈ থাকিম আৰু অনিৰুদ্ধ গতিৰে আমি আমাৰ ৰাজ্যখনক বিকাশৰ আন এক নতুন পৰ্যায়লৈ লৈ যোৱাৰ বাবে আমি প্ৰচেষ্টা কৰিম। অধ্যক্ষ মহোদয় যোৱা পাঁচটা বছৰত বিশেষকৈ ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনলৈ আৰোহণ ২০১৬ চনত এনডিএ প্ৰথম চৰকাৰ স্থাপন আৰু তৃতীয় বাৰলৈ এনডিএৰ বিজয় আমাৰ ৰাজ্যখনৰ ইতিহাসত এক কীৰ্তিস্তম্ভ এক মাইলৰ খূটা বুলি আমি অভিহিত কৰিব পাৰোঁ। অধ্যক্ষ মহোদয়, মই মাইলৰ খূটা বা

কীৰ্তিস্তম্ভ এই দুটা শব্দ এই কাৰণে ব্যৱহাৰ কৰা নাই, যে বিজেপি দল বা এনডিএ তৃতীয়বাৰৰ বাবে শাসনলৈ অহাৰ সুবিধা পাইছে । মই এই কাৰণে এই দুইটা শব্দ ব্যৱহাৰ কৰিছোঁ, কাৰণ এই তিনিওটা কাৰ্যকালত বিশেষকৈ যোৱা দুটা কাৰ্যকালত আমাৰ ৰাজ্যৰ বিকাশে এক নতুন দিশান্তলৈ গতি কৰিছে । আজি আমি দেশৰ ভিতৰতে এখন অগ্ৰগামী ৰাজ্যলৈ ৰূপান্তৰ হৈছো । ৰাজ্যপালৰ অভিভাষনত ইতিমধ্যে উল্লেখ কৰা হৈছে যে কেনেকৈ আজি আমাৰ ৰাজ্যখন এখন হিংসা বৰ্জিত ৰাজ্যলৈ যোৱা দহটা বছৰত ৰূপান্তৰ হৈছে । তেজৰ ফাকু দেখা আমাৰ প্ৰজন্মটোৱে এনেকুৱা এখন অসমত আমি কেতিয়াও কল্পনা কৰা নাছিলোঁ যে যিখন অসমত আৰ্মফ্ৰোছ স্পেচিয়েল পাৱাৰ এক্ট নাথাকিব, যিখন অসমত বোম আৰু গুলিৰ শব্দ আমি শুনা নাপাম । আমি আমাৰ বিশ্ববিদ্যালয় মহাবিদ্যালয়ত পাঠদান কৰাৰ সময়ত আমি কেতিয়াও আশা কৰা নাছিলোঁ যে আমাৰ ৰাজ্যখনত এনেকুৱা পৰিবৰ্তন হ'ব যি নেকি হিংসা অসমৰ ৰাইজে বহু দূৰলৈ আতৰাই পঠিয়াব । অসমৰ কেইবাটাও সশস্ত্ৰ সংগ্ৰামৰ সৈতে জড়িত সংগঠনৰ সৈতে আলাপ আলোচনা কৰি ৰাজ্যৰ জনসাধাৰণৰ আশা আকাংক্ষাক সন্মান জনাই হাতত লোৱা ৰাজনৈতিক প্ৰচেষ্টা সমূহৰ বাবে আজি আমাৰ ৰাজ্যখন শান্তি আৰু সমৃদ্ধিৰ এক নতুন দিশলৈ ৰূপান্তৰ হৈছে। যোৱা বছৰ কেইটাত এজনো পুলিচ আৰক্ষী নিহত হ'বলগীয়া হোৱা নাই সাধাৰণ লোকৰ মৃত্যু হ'বলগীয়া হোৱা নাই

আৰু এক প্ৰকাৰ হিংসা শব্দটো আমি লাহে লাহে আমাৰ সমাজৰ মূল শব্দসমূহৰ পৰা লাহে লাহে আঁতৰি গৈছে আৰু তাৰ কাৰণেই আজি আমাৰ ৰাজ্যখনে শান্তি আৰু সমৃদ্ধিৰ এটা নতুন যুগ দেখা পাবলৈ সক্ষম হৈছে। ৬ হাজাৰতকৈও বেছি যুৱক ৰাষ্ট্ৰজীৱনৰ মূল সুঁতিলৈ উভটি আহিছে আৰু আজি অসমত বিকাশৰ এক নতুন দিগন্তলৈ লৈ যোৱাত অৰিহনা যোগাইছে । অসমৰ এই শান্তিৰ প্ৰচেষ্টা এই শান্তিৰ কপৌজুৰি আমাৰ ৰাজ্যখনত যে কেতিয়াবা উৰিব তাক আমাৰ প্ৰজন্মই কেতিয়াও চিন্তা কৰিব পৰা নাছিল। আজি আমি অত্যন্ত গৌৰৱ অনুভৱ কৰোঁ যে অসমৰ নতুন প্ৰজন্মই আমি দেখা দিন বোৰ আজি দেখিব লগীয়া হোৱা নাই আৰু অসমৰ শান্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাত আজি আমাৰ ৰাজ্যৰ নতুন প্ৰজন্ম হিংসাৰ পৰা কোটি মাইল দূৰত অৱস্থান কৰিব পাৰিছে। ৰাজ্যত শিক্ষা, সংস্কৃতি, ক্ৰীড়া বিকাশৰ এক নতুন গংগা বৈ আহিছে। মই ভাৰত বৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক কৃতজ্ঞতা জনাওঁ যে তেখেতৰ প্ৰচেষ্টাৰ বাবে আমাৰ ৰাষ্ট্ৰজীৱনৰ মূল সুঁতিৰ পৰা আতৰি যোৱা যুৱসকল ৰাষ্ট্ৰজীৱনৰ মূল সুঁতিলৈ উভতি আহিছে। কেইবাখনো শান্তি চুক্তিৰ জৰিয়তে অসমৰ শান্তিৰ পৰিৱেশক স্থায়িত্ব দিয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। আজি কৃতজ্ঞ ৰাজ্যখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আকৌ এবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে। আমাৰ দেশৰ যশস্বী গৃহমন্ত্ৰী

অমিত শ্বাহ ডাঙৰীয়াৰ প্ৰচেষ্টাত আমি সকলোৱে একেমুখে শলাগ লৈছোঁ। তেখেতৰ প্ৰতি আমি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এখন ৰাজ্যত যেতিয়া শান্তিৰ পৰিৱেশ আহে, স্বাভাৱিকভাৱে বিকাশ হয়, তেতিয়া তাৰ লগতেই হাতত হাত ধৰি খোজ কাঢ়িবলৈ আৰম্ভ কৰে । আমি দেখিবলৈ পাওঁ যে আমাৰ ৰাজ্যখনৰ প্ৰশাসন এসময়ত কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ ওপৰতেই ভিত্তি কৰি আগবাঢ়িছিল। ৰাজ্যৰ নিজৰ ৰাজহ একোৱেই নাছিল । আন্‌কি দৰমহা কেইটা দিবলৈও আমি কেন্দ্ৰীয় চৰকাৰৰ মুখলৈ চাই থাকিবলগীয়া হৈছিল। অধ্যক্ষ মহোদয়, মই অত্যন্ত গৌৰৱেৰে ক'ব বিচাৰো যে যোৱা ৫ টা বছৰৰ প্ৰচেষ্টাই আমাৰ ৰাজ্যখনক উন্নয়ণৰ এক নতুন দিগন্তলৈ লৈ গৈছে। ২০২১-২২ বৰ্ষত আমাৰ চৰকাৰ যেতিয়া শাসনলৈ আহিছিল তেতিয়া অসমৰ জনমুৰি আয় আছিল ৪ লাখ কোটি টকা । যোৱা ৫ টা বছৰৰ প্ৰচেষ্টাত আমাৰ ৰাজ্যৰ GDP য়ে এই বছৰ ৮,৭১,০০০কোটি টকাত ভৰি দিব। ২০২৮ বৰ্ষত অসম ১০,০০০,০০ কোটি টকাৰ অৰ্থনীতিলৈ ৰূপান্তৰ হ'ব । ই এক ভাবিব নোৱাৰা সফলতা । আমাৰ ৰাষ্ট্ৰৰ যি কেইখন ৰাজ্যই ১০ লাখ কোটি টকাৰ উপাৰ্জন কৰা বা GDP থকা exclusive ৰাজ্য আছে তাৰ ভিতৰত অসমো প্ৰৱেশ কৰিব । প্ৰধানমন্ত্ৰীৰ 5 trillion economy ৰ যি সপোন, তাত আমাৰ ৰাজ্যখনেও স্থান পাব। অসমৰ অৰ্থনীতি কেতিয়াবা যে ১০ লাখ কোটি টকাৰ হ'ব পাৰে সেয়া আমি কেতিয়াও কল্পনা কৰিব পৰা নাছিলো। আজি আমাৰ ৰাজ্যৰ

বাবে গৌৰৱৰ বিষয় যে শান্তি স্থাপন হোৱাৰ লগে-লগে সমান্তৰালভাৱে বিকাশৰ ধাৰাত আমি নিজকে নিয়োজন কৰিছো, নিজকে সমৰ্পিত কৰিছো আৰু ৰাজ্যৰ অৰ্থনীতিত ৰাজ্যখনৰ বহু সমস্যা দূৰীকৰণত সহায়ক হিচাপে থিয় দিছো। ৰাজ্যৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোকসকল লাহে-লাহে দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা বাহিৰলৈ ওলাই আহিছে আৰু আমাৰ ৰাজ্যত এটা strong middle class আজি নিৰ্মাণ কৰিছে । আমি যদি চাওঁ আমাৰ ৰাজ্যত প্ৰতিবছৰে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোকসকলে দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা ওলাই আহিছে। নীতি আয়োগৰ সমীক্ষা মতে ৰাজ্যৰ ৩৫ শতাংশ জনসংখ্যা দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা বাহিৰলৈ ওলাব পাৰিছে। ইয়াৰ অৰ্থ এটাই যে আজি আমাৰ ৰাজ্যত এটা শক্তিশালী middle class লাহে-লাহে নিৰ্মাণ হ'বলৈ ধৰিছে। দুখীয়া লোকৰ সংখ্যা কমি আহিছে। এখন ৰাজ্যত যেতিয়া এটা সুদীৰ্ঘ আৰু শক্তিশালী middle class নিৰ্মাণ হয়, তেতিয়া তাৰ পৰাই শিক্ষিত যুৱক-যুৱতী যেনে-বৈজ্ঞানিক, ডাক্তৰ, অভিযন্তা আৰু ৰাজ্যৰ জনতাৰ নেতৃত্ব ল'ব পৰা এচাম গৌৰৱী লোকৰ স্বাভাৱিকভাৱে সৃষ্টি হয়। আজিৰ দিনত ১৭ শতাংশ লোক দৰিদ্ৰতা সীমাৰেখাৰ তললৈ আহিছে, যাৰ সংখ্যা এসময়ত ৪০ শতাংশ আছিল। গতিকে মই আশা কৰো যে অহা ৫ বছৰত ৰাজ্যত দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা ২ বা ৩ শতাংশলৈ হ্ৰাস পাব । অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ পৰৱৰ্তী সময়ত আমাৰ ৰাজ্যলৈ এটা

নতুন খৱৰ আহিলে যিটো খৱৰৰ প্ৰতি আমি বহু দিনৰ পৰা অপেক্ষাত আছিলো। ৰাজ্যত যেতিয়া দৰিদ্ৰতা কমে তেতিয়া চাৰিওফালে social indicator বোৰ শক্তিশালী হ'বলৈ আৰম্ভ কৰে। স্বাধীনতাৰ পিছৰ পৰা অসমৰ মূৰৰ ওপৰত এটা ডাঙৰ কলঙ্ক আছিল যে অসমত maternal mortality ৰ সংখ্যা দেশৰ ভিতৰতেই আটাইতকৈ বেছি। ইয়াৰ প্ৰত্যক্ষ কাৰণ আছিল যে ৰাজ্যখনৰ আধা সংখ্যক জনতা দৰিদ্ৰতা সীমাৰেখাৰ তলত আছিল। ২০০৬ চনত মই যেতিয়া প্ৰথম স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব লৈছিলো তেতিয়া অসমত প্ৰসূতি মৃত্যুৰ সংখ্যা আছিল ৪৮০ গৰাকী আৰু ভাৰতত আছিল ২৫৪ গৰাকী। তাৰমানে ভাৰততকৈ ১০০ শতাংশই প্ৰসূতিৰ মৃত্যুৰ সংখ্যা অসমত বেছি আছিল। যোৱা দুটা দশকত আমি অৱিৰত প্ৰচেষ্টা চলাইছিলো আৰু সেই সময়ছোৱাত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী হিচাপে ক'ৰবাত নহয় ক'ৰবাত মোৰ ওপৰত দায়িত্ব আছিল। যোৱা পৰহি ভাৰতৰ নতুন Sample Registration System (SRS) যাক আমি স্বাস্থ্যৰ bulletin বুলি কওঁ, তাৰ Statistical Report 2022, 2023, 2024 প্ৰকাশ হৈছে। প্ৰথমবাৰৰ বাবে আমাৰ ৰাজ্যৰ প্ৰসূতি মৃত্যুৰ হাৰ মাত্ৰ ৮৪ গৰাকীলৈ হ্ৰাস পাইছে। প্ৰথমবাৰৰ বাবে ভাৰততকৈ আমাৰ অসমৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ নিম্নগামী হৈছে। ভাৰতত প্ৰসূতিৰ মৃত্যুৰ হাৰ এতিয়া  এক লাখত ৮৭ গৰাকী, যাৰ সন্তান জন্ম দিয়াৰ সময়ত মৃত্যু হয়। আমি এতিয়া ৰাষ্ট্ৰৰ বোজা নহয়। ৰাষ্ট্ৰৰ নিৰ্মাণত আমি এতিয়াৰ পৰাই বৰঙণি যোগাব পাৰিম।  প্ৰসূতি

মৃত্যুৰ ক্ষেত্ৰত অসম আটাইতকৈ শেষৰ ৰাজ্য আছিল কিন্তু এতিয়া উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, উৰিষ্যা, উত্তৰাখণ্ড, চত্তিশগড়, বিহাৰ, পশ্চিমবঙ্গ, হাৰিয়ানা, ৰাজস্থান আমাতকৈ পিছলৈ গ'ল। আমি এতিয়া বিশেষকৈ দেশৰ ভিতৰতেই প্ৰথম ১০ নম্বৰত আহিবলৈ সক্ষম হৈছো। মই আশা কৰো অহা বছৰ যেতিয়া Sample Registration System (SRS) ৰ Statistical Report ওলাব তেতিয়া আমি ৭ নম্বৰলৈ যাবলৈ সক্ষম হ'ম। অৰ্থ্যাৎ যোৱা দশকত আমি স্বাস্থ্য বিভাগত লোৱা প্ৰচেষ্টাত আজি অসমে ৰাষ্ট্ৰীয় স্বীকৃতি পাবলৈ সক্ষম হ'ল। সমাজত যেতিয়া দৰিদ্ৰতা কমিব, অৰ্থনৈতিক বিকাশ হ'ব, তেতিয়া Maternal Mortality Rate, Infant Mortality Rate, Education Rate, Total fertility rate এই সকলোখিনিৰ ক্ষেত্ৰতেই আমি আগবাঢ়িবলৈ সক্ষম হ'ম। মই ভাৱো যে যোৱা ১০ টা বছৰত অৰ্থনৈতিক বিকাশ আৰু উন্নয়ণে আমাৰ ৰাজ্যখনক দেশৰ ভিতৰতেই এক চকুত লগা ৰাজ্যলৈ ৰূপান্তৰ কৰিব। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ২০২৫ বৰ্ষৰ তথ্য অনুসৰি Assam is the fastest growing economy in entire country. এইটো মোৰ তথ্য নহয়। Reserve Bank of India ই তেওঁলোকৰ বাৰ্ষিক প্ৰতিবেদনত উল্লেখ কৰিছে যে অসম সমগ্ৰ ৰাষ্ট্ৰৰ ভিতৰতে fastest growing economy যি নেকি আমাৰ ৰাজ্যৰ জনতাৰ বাবে এক গৌৰৱৰ বিষয়। অৰ্থনৈতিক যেতিয়া উন্নয়ন হয়, ৰাজ্যত urbanization হয়, industrialization হয়, কৃষি আধুনিক হয়, value addition হয় তাৰ direct impact ৰাজ্যৰ দৰিদ্ৰ জনতাৰ সন্মুখলৈ

আহে , আৰু দৰিদ্ৰ জনতাই দৰিদ্ৰতাৰ পৰা মুক্ত হ'বলৈ এক নতুন পথ বিচাৰি  পায় আৰু সেই কাৰণে আমি আজি ব্যৱহাৰ কৰো এটা শব্দ যে অসম এতিয়া অনিৰুদ্ধ গতিৰে আগবাঢ়িছে। অসমে এক নতুন দিশেৰে উন্নয়নৰ এক নতুন দিগন্তলৈ আগবাঢ়িছে। মই নিশ্চিত ভাৱে আশা কৰো  যে অনাগত ৫ টা বছৰত এই বিধান সভাৰ নেতৃত্বত অসমে আৰু অধিক নতুন নতুন মাইলৰ খুটা স্থাপন কৰিবলৈ সক্ষম হ'ব  । অধ্যক্ষ মহোদয়, যদি মই ইলেকশ্যনৰ মাজলৈ আহো, ইয়াত নতুনকৈ কোৱাৰ প্ৰয়োজন নাই, যে এইবাৰ আমাৰ ৰাজ্যত  NDA আৰু BJP য়ে চমকপদ সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে  তাৰ এক মাত্ৰ কাৰণেই হ'ল যে অসমৰ জনতাই বিকাশ আৰু উন্নয়নৰ যি প্ৰচেষ্টা, শান্তিৰ যি প্ৰচেষ্টা, অসমক ভাৰতৰ ভিতৰতে এখন শক্তিশালী ৰাজ্য কৰাৰ যি প্ৰচেষ্টা , তাক সমৰ্থন দিছে, তাক আৰ্শীবাদ দিছে। ১২৬ খন অসমৰ ভিতৰত ১০২ খন আসন লাভ কৰাটো আমাৰ ৰাজনৈতিক ইতিহাসত এক নতুন মাইলৰ স্তম্ভ । অধ্যক্ষ মহোদয়, আপুনি জানি অত্যন্ত আনন্দিত হ'ব যে ই অকল চিটৰ সংখ্যা বৃদ্ধি হোৱা নাই, কেৱল মাত্ৰ চিট নহয়।  আমাৰ NDA  বা BJP কেৱল চিট নহয় ভোটৰ ক্ষেত্ৰটো আজি আমি সমানে  আগুৱাই গৈছো আৰু আমি both in seat and in absolute number of votes  আজি আমি দুয়োটাতে আগবাঢ়ি যাব পাৰিছো। আজি যদি আমি দেখা পাওঁ যে এইবাৰ  BJP য়ে অকলে ৮২ লাখ ভোট পাবলৈ সক্ষম হৈছে  ৮১ লাখ ৯২ হাজাৰ ৭শ ৮৭ টা।  AGP  দল আমাৰ সহযোগি আছিল AGP দলে ১৪ লাখ আৰু BPF দল আমাৰ সহযোগী আছিল , তেওঁলোকে ৮ লাখ ভোট পাবলৈ সক্ষম হৈছে। অৰ্থাৎ আমি যদি আমাৰ তিনিওটা দলৰ ভোট যদি আমি যোগ কৰো তেতিয়া হ'লে প্ৰথমবাৰৰ বাবে  ১ কোটি ভোট আমি লাভ কৰিবলৈ সক্ষম হৈছো। ২০২১ চনত আমাৰ দলে বা আমি একেলগে ৮৫ লাখ ভোট আমি লাভ কৰিবলৈ সক্ষম হৈছিলো। ২০২৬ চনৰ নিৰ্বাচনত খালী চিটৰ জয় নহয়, ১৫ লাখ নতুনকৈ ৰাইজে  আমাৰ ভাৰতীয় জনতা পাৰ্টী,  AGP, আৰু BPF ৰ  ওপৰত

আস্থা পোষণ কৰিছে। প্ৰথমবাৰৰ বাবে আমাৰ তিনিওটা দলে লগ লাগি আমি ৫০ শতাংশ ভোট প্ৰায় পাবলৈ সক্ষম হৈছো। তাৰ মানে এতিয়া আমাক কোনোবাই ক'ব নোৱাৰে যে আমি টিটত জিকিছো, আমি ভোটত জিকা নাই। আমি ৰাজ্যৰ শাসনলৈ উভতি আহিছো ৫০ শতাংশ জনতাৰ আশীৰ্বাদ লৈ আৰু ১০২ টা চিট লৈ। যিটো অসমৰ ৰাজনৈতিক ইতিহাসৰ বাবে এক নতুন মাইলৰ খুটি। অধ্যক্ষ মহোদয় মই অত্যন্ত গৌৰৱেৰে সৈতে কওঁ যে এই বিজয়ত প্ৰতিটো জনগোষ্ঠীৰ লোকে আমাক সমৰ্থন কৰিছিল। কিন্তু ইয়াৰ মাজতো প্ৰথমবাৰৰ বাবে আমাৰ ৰাজ্যত এনেকুৱা হৈছে যে ১০০ শতাংশ Schedule Tribe seat ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰ দলে লাভ কৰিছে। যিমান Schedule Tribe seat reserve আছে, প্ৰত্যেকটো reserve চিট আমাৰ ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰগোষ্ঠীয়ে লাভ কৰিছে। তাৰমানে ই ইয়াকে বুজায় যে আমাৰ যিটো বিকাশৰ কৰ্মযজ্ঞ আছিল ই inclusive আছিল। সাধাৰনতে দেশ আগবাঢ়ি যায় কিন্তু জনজাতি বা অনুসূচীত জাতিৰ লোক সকল পিছপৰি যায়। চাহ জনজাতিৰ লোক সকল পিছপৰি যায়। কিন্তু আমাৰ বিকাশৰ যিটো মডেল, সেই মডেলে কাকো পিছপেলাই থোৱা নাছিল। বৰঞ্চ জনজাতি, চাহশ্ৰমিক, অনুসূচীত জাতিৰ দৰে পিছপৰা সমাজৰ মাজতো এক আশাৰ সঞ্চাৰ কৰিছিল। অধ্যক্ষ মহোদয় আপুনি জানি ভাল পাব যে অসমৰ চাহ জনজাতিৰ লোকে বাস কৰা প্ৰত্যেকখন আসন এইবাৰ আমি লাভ কৰিবলৈ সক্ষম হৈছো। এনেকুৱা এখন আসন নাই য'ত নেকি এজনো যদি চাহ জনগোষ্ঠীৰ লোক আছে, সেইখন আসনত বি জে পি, বি পি এফ বা এ জি পি দল বিজয়ী হৈছে। অধ্যক্ষ মহোদয়, এটা মাত্ৰ যদি আমি অনুসূচীত জাতিৰ চিট আমি বাদ দিওঁ ৯৯ শতাংশ Schedule Caste reserve seat ও ভাৰতীয় জনতাপাৰ্টী বি পি এফ আৰু এ জি পি য়ে লাভ কৰিবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, ই প্ৰমান কৰে যে it is a inclusive victory ,কাকো বাদ দি জিকি অহা election নহয়। তিনিজনৰ মাজত ভোট বিভাজন কৰি জিকি অহা election নহয়।

কোনোবা জাতিক পিছপেলায় থৈ জিকি অহা election নহয় । এই election য়ে প্ৰতিটো জনগোষ্ঠীৰ মাজত আশা আৰু আকাংশাৰ সঞ্চাৰ কৰি এক absolute victory লৈ আজি আমাৰ সদনলৈ আমি উভতি আহিছো । অধ্যক্ষ মহোদয় আপুনি জানি ভাল পাব যে পৰ্বতজৰা মানকাছাৰৰ দৰে  য'ত নেকি প্ৰায় ১০০ শতাংশ সংখ্যালঘু লোক বাস কৰে তাতো আমাৰ মিত্ৰ দলে ১ লাখতকৈ বেছি ভোট পাবলৈ সক্ষম হৈছে যিয়ে নেকি অসমৰ ৰাজনীতিত  আন এক নাটকীয় পৰিবৰ্তনৰ নতুন ইংগিত বহন কৰিছে। আজি নিশ্চিতভাৱে আমি ক'ৱ পাৰো  যে অসমৰ আটাইকেইটাত ধৰ্মীয় সংখ্যালঘু  বা মুছলমান লোকে ভোট দি জিকাব পৰা চিট  নিশ্চিতভাৱে কংগ্ৰেছ দলে লাভ কৰিছে তাত কোনো সন্দেহ নাই। আজি ১৯ জন বিধায়কৰ ভিতৰত ১৮ জনেই এটা বিশেষ ধৰ্মীয় গোষ্ঠীৰ পৰা অহা,  তাত  সেই পৰিসংখ্যা মই  নুই নকৰো। কিন্তু তাৰ পিছতো মানকাছাৰত এ জি পি দলে  এইবাৰ ১ লাখতকৈ বেছি ভোট পাবলৈ সক্ষম হৈছে। বি পি এফে পৰ্বতজৰাত বিজয়ৰ পৰা মাত্ৰ অকনমান ভোটৰ পৰা বঞ্চিত হৈ আছে। উত্তৰ এটাই  যে ২০৩১ চনৰ নিৰ্বাচনত  এই ১৮ জন ব্যক্তিও কিমান নিৰাপদ সিয়ো, determined কৰিব অহা ৫ বছৰত কেনেকৈ কাম হ'ব,  কেনেকৈ আগবাঢ়ি যাব। অধ্যক্ষ মহোদয় আজি যেনেকৈ অসমৰ জনতাই  Schedule Caste,  Schedule Tribe, চাহ জনগোষ্ঠী সকলোৱে আমাক যেনেকৈ সমৰ্থন দিছে, আমি ধৰ্মীয় সংখ্যালঘু লোক সকলৰ  মাজত কম ভোট পোৱা বুলি আমি যে তেওঁলোকৰ কাম নকৰো তেনেকুৱা বাৰ্তা দিব নিবিচাৰি  সদনৰ প্ৰথম অধিবেশনতে ধৰ্মীয় সংখ্যালঘুৰ মহিলা সকলক আটাইতকৈ বেছি সুৰক্ষা দিব পৰা Uniform Civil Code Bill আমি সদনত উত্থাপন কৰিছো।  আমাক ভোট দিয়া মানুহ বিলাকৰ জনতাৰ কাম কৰাৰ আগতে আমি সামাজিক ন্যায় প্ৰচেষ্টাৰ বাবে প্ৰথম আমি UCC  লৈ আহিছো, যিয়ে নেকি আমাৰ সংখ্যালঘু সমাজখনৰ নাৰীক, সংখ্যালঘু সমাজখনৰ মহিলাক আটাইতকৈ  বেছি সুৰক্ষা প্ৰদান কৰিব।  মোৰ মনত আছে

এই সদনত মই যেতিয়া ভাষণ দিছিলো যোৱাবাৰ আমাৰ ৰাইজৰ দলৰ এগৰাকী বিধায়কে আমাক যেতিয়া প্ৰত্যাহ্বান জনাইছিল, তেতিয়া মই তেওঁক এই সদনৰ পৰা কৈছিলো ''অগৰ ৰূক পাতা হ্যায় তো ৰূকৱালো লেকিন অগৰ হ্যামে নহী ৰুকৱা পাতে হো তো পেহলা চেচন মে হি হম UCC বিল লেকে আয়েগা। মে মৌকা দিয়া থা কি সম্ভৱ হ্যায় তো হামে ৰুকুৱালো। লেকিন অফচোচ হে কংগ্ৰেছ হমে ৰুকুৱা নহী পায়া। অগৰ হামে ৰুকুৱা নহী পায়া তো হম জৰুৰ UCC বিল পেহলা চেচন মে হি লেকে আয়েগা, অউৰ হাম লেকে আয়া।'' তাৰ মানে আজি আমি যি প্ৰতিশ্ৰুতি দিছিলো যে আমাক যদি ৰখাব পাৰে ৰখাই লওঁক, যদি ৰখাব নোৱাৰে আমি UCC বিল লৈ আহিম। আজি আমি UCC বিল লৈ আহিলো। বাবা চাহেব আম্বেদকাৰৰ সপোন আছিল আজি এই Uniform Civil Code য়ে আমাৰ সংখ্যালঘু সমাজৰ মহিলা সকলক এক নতুন জীৱন দিব, জীয়াই থকাৰ অধিকাৰ দিব, সম্পত্তিৰ ওপৰত সমান অধিকাৰ দিব, বাল্য বিবাহ ৰোধ কৰিব, পলিগেমী বন্ধ কৰিব। সংখ্যালঘু সমাজৰ মহিলা সকলে প্ৰথমবাৰৰ বাবে স্বাধীন ভাৰতৰ নাগৰিক হিচাপে সম অধিকাৰ লৈ ভোট দিবলৈ সুযোগ পাব, জীৱন যাপন কৰিবলৈ সুযোগ পাব। মই অনভৱ কৰো যে আমাৰ সদনে বিশেষকৈ বিৰোধী পক্ষই ধৰ্মীয় সংখ্যালঘু আই-মাতৃ সকলে ইমান দিনে তেওঁলোকে যি নিৰ্মম যাতনা জীৱনৰ প্ৰতিটো পদক্ষেপত ভোগ কৰি আহিছিল সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত

হৈছিল, বহু বিবাহৰ দৰে অত্যন্ত অমানৱীয় প্ৰথাৰ লগত জীয়াই আছিল, আজি আমি সেই আটাইবোৰ শেষ কৰি সংখ্যালঘু সমাজৰ মহিলা সকলক যি স্বাধীনতা দিয়াৰ বাবে আমি আগবাঢ়িছো আমাৰ অসমৰ ইতিহাসত সামাজিক ন্যায় প্ৰচেষ্টাৰ দিশত যি আটাইতকৈ শক্তিশালী আইন এখন আমি লৈ আহিছো তাত নিশ্চিতভাৱে সকলোৱে সহযোগিতা কৰিব  আৰু আমাৰ ৰাজ্যখনক সামাজিক ন্যায় দিশত এখন গুৰুত্বপূৰ্ণ ৰাজ্য হিচাপে প্ৰতিপন্ন কৰিব। মই গৌৰৱ অনুভৱ কৰো যে উত্তৰাঞ্চল আৰু গুজৰাটৰ পিছত Uniform Civil Code adopt কৰা অসম তৃতীয় খন  ৰাজ্য হিচাপে পৰিগণিত হ'ব। Assam will stand as a third state after  Uttarakhand and Gujrat to have a Uniform Civil Code in our State. আজিলৈকে বাবা চাহেব আম্বেদকাৰৰ সেই সপোনবোৰ সপোন হৈ আছিল কিন্তু আজি প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ নেতৃত্বত এই সপোন বিলাক বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত আমি নিশ্চিতভাৱে আগবাঢ়িবলৈ সক্ষম হৈছো  আৰু আমি আগবাঢ়ি যাম। অধ্যক্ষ মহোদয় প্ৰতিটো দিনেই এটা নতুন দিন, আজি মই নিশ্চিতভাৱে মনত পেলাওঁ যেতিয়া মই যোৱাবাৰ সদনত ৫ বছৰ আগতে cattle protection ৰ বাবে আইন আনিছিলো, গো হত্যা বন্ধ কৰাৰ বাবে আইন আনিছিলো, তেতিয়া সদনৰ ভিতৰে বাহিৰে এচাম লোকে আমাক সমালোচনা কৰিছিল আৰু তেওঁলোকে কৈছিলে যে কোৰবানীৰ দৰে প্ৰথাৰ বাবে গৰু বা গো

অতিকৈ প্ৰয়োজনীয়, সেইকাৰণে আমাৰ ধৰ্মীয় চেন্টিমেন্টত হাত দিব নালাগে আৰু গো-হত্যা বিৰোধী আইন পাছ্ কৰিব নালাগে। অধ্যক্ষ মহোদয় তেতিয়াও মই বিশ্বাস কৰিছিলো যে কোৰবানীৰ বাবে গৰুৰ প্ৰয়োজন নহয়, কোনো ধৰণৰ ধৰ্মীয় গ্ৰন্থত কোৰবানী অকল গৰুৰে দিব পাৰি তাক কতো লিখা নাই  আৰু নিশ্চিতভাৱে এটা দিন আহিব যিটো দিনত অসমত ধৰ্মীয় সংখ্যালঘুৰ লোকেও হিন্দু মানুহৰ ধৰ্মীয় চেতনাক সন্মান জনাই গৰু কোৰবানী দিয়াৰ পৰা বিৰত থাকিব। মোৰ আশা আছিল এনেকুৱা সময়ো আছিলে ধুবুৰীৰ দৰে চহৰত কোৰবানী দিয়াৰ পিছত হোৱা ঘটনাই হিংসাত্মক ঘটনাৰ ৰূপ লৈছিল । কিন্তু অধ্যক্ষ মহোদয় মই আজি সদনত অত্যন্ত গৌৰৱৰ সৈতে ক'ব বিচাৰো যে সময় আৰু সমাজৰ পৰিৱৰ্তনৰ লগে লগে হিন্দু ধৰ্মৰ ধৰ্মীয় চেতনাক সন্মান জনাই এইবাৰ অসমত প্ৰায়বোৰ মুছলমান সম্প্ৰদায়ৰ ৰাইজে গৰুক কোৰবানী হিচাপে আগনবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে , যি নিশ্চিতভাৱে আমাৰ ৰাজ্যৰ সমন্বয়ৰ বাবে এটা অত্যন্ত শুভ ইংগিত । মই আজি এই পৱিত্ৰ সদনৰ মঞ্চৰ পৰাই সেই সমূহ সমাজলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিম যিসকল সমাজে অত্যন্ত স্ব-ইচ্ছাৰে সৈতে এইবাৰ তেওঁলোকে সিদ্ধান্ত লৈছে যে আমি গৰুক কোৰবানী হিচাপে আগনবঢ়াওঁ। আমাক সকলোৱে যাতে বুজি পায় তাৰ বাবে মই এষাৰ হিন্দীতে ক'ব খুজিছো- ''ইচ বাৰ আচাম কা কাফী মুছলমান লোগো নে, কাফী মুছলমান জামাত নে ইয়ে সিদ্ধান্ত

লিয়া হে কি ইছ্ বাৰ হাম লোগ গায় কো কোৰবানী মে ব্যৱহাৰ নহী কৰুংগা। হিন্দু লোগো কা সন্মান কো সন্মান ৰখ্তে হুৱে হাম গো মাতা কো কোৰৱানী মে ইস্তেমাল নহী কৰেংগে। জো এক নয়া সময় কা ইংগিত দেতে হে, জো নয়া সময় কা এক স্পষ্ট ৰূপৰেখা ভি হামাৰে সামনে লাতে হে। মে আসাম কা মুছলমান সমাজ কো য়হী মন সে ধন্যবাদ দেতা হু কি আপ লোগো নে য়ে সিদ্ধান্ত কিৰানজিৎ কিয়া তো য়ে সিদ্ধান্ত আসাম কা হিন্দু লোগো কো স্বাভাৱিক ৰূপ চে বহত হি প্ৰভাভিত কৰগা অউৰ আসাম মে হাম এক চাথ ৰহনে কা জো হামাৰা হামেচা ইচ্ছা হে, ইচ ইচ্ছা কো definitely অউৰ আগে লেকে যায়েগা। মে আশা কৰতা হু কি ২৯ তাৰিখ কো যো ঈদ হোগা- বকৰী ঈদ হোগা, যো লোগ অভি তক চিদ্ধান্ত নহী লিয়া হে ৱো লোগ ভি সিদ্ধান্ত লেগা অউৰ আসাম মে ইচ বাৰ কোয়ী গায় কো কোৰবানী কা ৰূপ মে আগে বঢ়ায়া নহী যায়েগা'' । মই আশা কৰো যে যিসকল ৰাইজে এতিয়ালৈ সিদ্ধান্ত লোৱা নাই তেওঁলোকক মই আহ্বান জনাম যে বাকী ৰাজ্যৰ পৰা আপেনালোকে অনুপ্ৰেৰণা। লওঁক আৰু এইবাৰ আমাৰ হিন্দু সনাতন লোকক ধৰ্মীয় চেতনাৰ প্ৰতি সন্মান জনাই গৰু কোৰবানী হিচাপে আপোনালোকে ব্যৱহাৰ নকৰিব। যি ইতিমধ্যে বহু কেইখন ৰাইজে সিদ্ধান্ত লৈছে আৰু যিসকল ৰাইজে সিদ্ধান্ত লোৱা নাই তেওঁলেকক মই পৱিত্ৰ সদনৰ মজিয়াৰ পৰা আহ্বান জনাম কাৰণ ইছলামত গৰু কোৰবানী দিয়াটো নিয়ম বুলি কতো লিখা নাই। যেতিয়া

বিকল্প আছে, বিকল্প যদি আমাৰ সন্মুখত থাকে তেতিয়ালৈ নিশ্চিতভাৱে হিন্দু মানুহৰ চেতনাত আপোনালোকে সন্মান জনালে। আগলৈ আমি ৰাজ্যখনৰ বহু পৰিৱেশৰ পৰা বহুত কন্টকময় বা অবিশ্বাসৰ পৰিৱেশৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ সক্ষম হ'ম। মই এই সদনৰ মঞ্চৰ পৰাই যিসকল ৰাইজে গৰুক কোৰবানী নিদিয়াৰ সিদ্ধান্ত লৈছে তেওঁলোকক মই পুনৰবাৰ মোৰ ফালৰ পৰা আৰু সদনৰ পৰা তেখেতসকলক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিছো । শ্ৰদ্ধাৰ ৰাইজ, শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সদন- এই যিটো নিৰ্বাচন হৈ গ'ল এই নিৰ্বাচনৰ পৰা সদনে কি শিকিবলগীয়া আছে definitely আমি যদি ইলেকচনৰ পৰা আমি শিক্ষা নলওঁ, ইলেকচনৰ পৰা যদি নিশিকো, তেতিয়াহ'লে নিশ্চিতভাৱে অনাগত দিনত আমি ৰাইজক সেৱা কৰিবলৈ সক্ষম নহ'ম। এই ইলেক্শ্যনত দুটা বিশেষ সিদ্ধান্তই মানুহৰ মনত ক্ৰিয়া কৰিছিল অসমৰ বিকাশ আৰু অসমৰ সুৰক্ষা। Development and identity, এই দুয়োটাৰ কাৰণে আমাৰ ৰাজ্যৰ জনসাধাৰণে ভাৰতীয় জনতা পাৰ্টী আৰু এন ডি এ ক এনেধৰণৰ অভূতপূৰ্ব বিজয় আমাক হাতত তুলি দিছিল। মই যেতিয়া সুৰক্ষা বুলি কওঁ অবৈধ বাংলাদেশীৰ প্ৰব্ৰজনৰ বিৰুদ্ধে অসমীয়া লোকৰ সুৰক্ষা, জনজাতীয় লোকৰ সংস্কৃতি, মাটিৰ সুৰক্ষা, চাহ জনজাতীয় লোকৰ জীৱনৰ সুৰক্ষা- এই প্ৰতিটো আমাৰ জীৱনৰ সৈতে জড়িত প্ৰতিটো identity issue ক আমি অনাগত দিনত সন্মান জনাব লাগিব। আমাৰ বিধান সভাই অসমত অবৈধ প্ৰব্ৰজনৰ পৰা কেনেকৈ আমি ৰক্ষা কৰিব পাৰো, Illegal Immigrants Expulsion Act, তাক ব্যৱহাৰ কৰি আমি কেনেকৈ অসমত থকা বাংলাদেশী নাগৰিকক ঘূৰাই পঠাব

পাৰো আৰু অসমৰ কৃষ্টি- সংস্কৃতি, সুৰক্ষাক আমি কেনেকৈ সুৰক্ষিত কৰিব পাৰো তাৰ বাবে অহা ৫ টা বছৰত আমি নিজকে আকৌ এবাৰ উৎসৰ্গা কৰিব লাগিব। অসমৰ সুৰক্ষাৰ লগে লগে অসমৰ জনজাতীয় লোকৰ সুৰক্ষা, মাটিৰ সুৰক্ষা, বিকাশৰ সুৰক্ষা, সংস্কৃতিৰ সুৰক্ষা, ভাষাৰ সুৰক্ষা, ইও আমাৰ বিধান সভাৰ ৫ বছৰৰ যিটো এজেণ্ডা তাত প্ৰাথমিক ৰূপ ল'ব লাগিব। অসমৰ চাহ জনজাতীয় লোকৰ অৰ্থনৈতিক জীৱনৰ সুৰক্ষা, তেওঁলোকৰ সংস্কৃতিৰ সুৰক্ষা, বিকাশৰ অধিকাৰ, ইও আমাৰ বিধান সভাৰ ৫ বছৰত মূল এজেণ্ডা নিশ্চিত ভাৱে হ'ব লাগিব। আমাৰ অসমত বিকাশৰ পৰা দূৰৈত থকা কাৰ্বি আংলঙেই হওঁক, ডিমা হাচাও ৱেই হওঁক বা বৰাক উপত্যকায়েই হওঁক বা  বড়োলেণ্ডেই হওঁক, চাৰিওটা ভৌগলিক অঞ্চলৰ সুৰক্ষা আৰু বিকাশৰ দায়িত্বও আমাৰ বিধান সভাই ল'ব লাগিব। এই বিধান সভাতেই চৰৰ মাটি মাতব্বৰৰ পৰা কাঢ়ি আনি কেনেকৈ আমি সাধাৰণ লোকক হস্তান্তৰ কৰিব পাৰো তাৰো নিশ্চিত ভাৱে ৰূপৰেখা আৰু পৰিকল্পনা আমি নিৰ্মাণ কৰিব লাগিব। চৰ বা আন বিভিন্ন অঞ্চলত অবৈধভাৱে যিসকলে ভূমিহীন নহোৱা স্বত্বেও অবৈধভাৱে যি লাখ লাখ বিঘা মাটি দখল কৰি আমাৰ ৰাজ্যৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিছে তেনে লোকসকলকো সেই মাটিৰপৰা উচ্চেদ কৰি এই মাটি আৰু ভূমিক অসমৰ বিকাশৰ কামত নিশ্চিতভাৱে আমি ব্যৱহাৰ কৰিব লাগিব। যুৱক সমাজৰ সুৰক্ষা, মহিলাৰ সুৰক্ষা আমাৰ প্ৰাথমিক দায়িত্ব হ'ব লাগিব। আমি যেতিয়া নিৰ্বাচনত আছিলো ৰাইজক আমি প্ৰতিশ্ৰুতি দিছিলো যে আমি ২ লাখ যুৱক-যুৱতীক কৰ্মসংস্থাপন দিম। আজি ৰাইজে হয়তো মোক মনত নেপেলাব কিন্তু মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ এই পৱিত্ৰ মূহুৰ্তত মই নিজকে নিজে মনত পেলাইছো যে ২ লাখ যুৱকক চৰকাৰী চাকৰি দিয়াৰ দায়িত্ব এইখন চৰকাৰে মুৰৰ ওপৰত ল'ব লাগিব আৰু আমি ২ লাখ যুৱক-যুৱতীক নিশ্চিতভাৱে কৰ্মসংস্থাপন দিব লাগিব। আমি ২ লাখ যুৱক-যুৱতীক চৰকাৰী কৰ্মসংস্থাপন দিয়াৰ সমান্তৰালভাৱে কৃষি অৰ্থনীতিৰ বিকাশৰ

জৰিয়তে বিভিন্ন ধৰণৰ অসমৰ সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰি আমি এনে এচাম যুৱকক নিৰ্মাণ কৰিব লাগিব যিয়ে নিজে চৰকাৰী চাকৰি নকৰে কিন্তু চৰকাৰী চাকৰিৰ পৰিৱৰ্তে আন ১০ জনক কৰ্মসংস্থাপন দিব পৰা ক্ষমতা আহৰণ কৰা এক শক্তিশালী যুৱ প্ৰজন্মকো আমি নিৰ্মাণ কৰিব লাগিব। যদি ২ লাখ যুৱক-যুৱতীয়ে চৰকাৰী কৰ্মসংস্থাপন পায় আমি ১০ লাখ যুৱকক নিৰ্মাণ কৰিব লাগিব যিয়ে আন ১০ জনক কৰ্মসংস্থাপন দিব পাৰে তেনে এক উদ্যমতাৰে পূৰ্ণ আমি এক যুৱ প্ৰজন্মক সৃষ্টি কৰিব লাগিব। আত্মসহায়ক গোটৰ জৰিয়তে অসমৰ মহিলা সমাজৰ লগত যি এক aspiration, আকাংশাৰ সৃষ্টি হৈছে যাক আমি নিৰ্বাচনৰ সময়ত সকলোৰে ওচৰৰপৰা দেখা পাইছো। অসমৰ মহিলা সমাজে ঘৰৰ দায়িত্ব পালন কৰাৰ পিছতো, ঘৰৰ দায়িত্ব মানে কেৱল পাকঘৰৰ দায়িত্বই নহয়, ঘৰৰ অৰ্থনৈতিক দায়িত্বও আমাৰ মহিলাসকলে ল'ব বিচাৰে। আমাৰ মহিলাসকলে ঘৰৰ চাৰিবেৰৰ পৰা ওলাই পৰিয়ালটোৰ সমৃদ্ধিত বৰঙণি যোগাব বিচাৰে। অসমৰ আত্ম সহায়ক গোটৰ এই আন্দোলনটোক আমি এক ব্যাপক ৰূপ দিয়াত আৰু উৎপাদনশীল কৰি তোলাৰ দায়িত্বও আমাৰ বিধান সভাই ল'ব লাগিব। মই নিশ্চিতভাৱে অনুভৱ কৰো যে Self-help Group ত থকা ৪০ লাখ মহিলা আমাৰ এনে এক শক্তি যি শক্তিক আমি যদি উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰো অসমৰ জি ডি পি ২০-৩০ % লৈ অকল মাত্ৰ আত্মসহায়ক গোটৰ বিপ্লৱৰ জৰিয়তে আহিবলৈ সক্ষম হ'ব। মই সন্মানীয় বিধায়কসকলক আহ্বান জনাম যে অহা ৫ বছৰত মহিলা আত্মসহায়ক গোটৰ উন্নয়ন আৰু আমাৰ যুৱ প্ৰজন্মৰ কৰ্মসংস্থাপন এই দুয়োটাৰ ক্ষেত্ৰতে আমি সদনৰ বাহিৰে ভিতৰে আমাৰ দায়িত্ব পালন কৰিব লাগিব। স্বাস্থ্যৰ ক্ষেত্ৰত আজি অসমে এক নতুন দিগন্তলৈ গতি কৰিছে। অসম এনেকুৱা এখন ৰাজ্য যিখন ৰাজ্যৰ প্ৰতিখন জিলাতে মেডিকেল কলেজ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে, কাৰ্য্যকৰী কৰা হৈছে আৰু আজি অসমত ১৪ খন মেডিকেল কলেজ

নিৰ্মাণ হৈছে আৰু ২৫ খন মেডিকেল কলেজ অৰ্থাৎ আৰু ১১ খন মেডিকেল কলেজ নিৰ্মাণৰত অৱস্থাত আছে। আজিৰ সদনত মই আকৌ এবাৰ দোহাৰিব খোজো যে প্ৰতিখন জিলাতে মেডিকেল কলেজৰ এই শৃংখলত অহা ৫টা বছৰত আমি গোৱালপাৰা, বজালী, হোজাই আৰু হাইলাকান্দিকো সামৰি ল'ব লাগিব যাতে অসমৰ প্ৰতিখন জিলাতে মেডিকেল কলেজ থকাৰ এক বিৰল সৌভাগ্য অসমৰ জনতাই লাভ কৰিব পাৰে। অধ্যক্ষ মহোদয়, নিৰ্বাচনৰ সময়ত আমি প্ৰতিশ্ৰুতি দিছিলো স্বাস্থ্য আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ এখন জিলাত এখন engineering college, এখন  মেডিকেল কলেজ আৰু এখন বিশ্ববিদ্যালয় থাকিব। এই তিনিওখন One District, 3 Institutes, one University, one engineering college and one medical college পাৰিলে তাত এখন B.Sc Nursing College. এই স্বপ্নবোৰ বাস্তৱত ৰূপায়িত কৰাৰ দিশত আমি নিশ্চিতভাৱে আগবাঢ়িব লাগিব। অসমৰ চৰকাৰী শিক্ষাৰ মাধ্যমক শক্তিশালী কৰি তোলা আৰু প্ৰতিখন বিদ্যালয়ক এটা আধুনিক পৰিকাঠামো দিয়াৰ পৰিকল্পনা আমাৰ মাজত থাকিব লাগিব। অসমৰ যুৱ প্ৰজন্মক skill education দিয়াৰ বাবে আমি লোৱা প্ৰচেষ্টাক আমি আৰু অধিক ত্বৰান্বিত কৰিব লাগিব। ইয়াৰ সমান্তৰালভাৱে বিদেশী ভাষাৰ জ্ঞান আহৰণ কৰি বিশ্বৰ ডাঙৰ ডাঙৰ অৰ্থনীতিলৈ অসমৰ যুৱকৰ কৰ্মসংস্থাপন বিচাৰি উলিয়াবৰ বাবে আমি বিদেশী ভাষাৰ জ্ঞানৰ ওপৰতো বিদ্যালয়, মহাবিদ্যালয়ৰ পৰ্য্যায়ৰ পৰাই আমি নিশ্চিতভাৱে কাম কৰিব লাগিব। অসমৰ চাহে বিশ্বৰ বজাৰত আকৌ যাতে আমাৰ মাৰ্কেট শ্বেয়াৰ ওভটাই আনিব পাৰো তাৰ কাৰণে আমি প্ৰচেষ্টা কৰিব লাগিব। সদনত মাজে মাজে বিধায়কসকলে উল্লেখ কৰে যে চাহ শ্ৰমিকৰ দৰমহা বৃদ্ধি কৰিব লাগে। দৰমহা তেতিয়াহে মালিকসকলে দিব পাৰিব যেতিয়া আমাৰ চাহে নতুন নতুন বজাৰ দখল কৰিব পাৰিব। সেইবাবে আজি প্ৰথমবাৰৰ বাবে আমি চাহ শ্ৰমিকৰ দৰমহা প্ৰায় ৩০০ টকালৈ লৈ গ'লো । আমাৰ দায়িত্ব থাকিব যে আমাৰ

চৰকাৰৰ কাৰ্য্যকালত ইয়াক যাতে আমি ৪৫০ টকলৈ লৈ যাব পাৰো। কিন্তু তাৰ বাবে প্ৰথম প্ৰচেষ্টা হ'ব লাগিব যে অসমৰ চাহ শিল্পই বিশ্বৰ বজাৰ দখল কৰিব পাৰে। অৰ্থাৎ অনাগত ৫ টা বছৰত অসমৰ বিকাশৰ বাবে আমি নিজকে নিয়োজিত কৰিব লাগিব। অসমৰ চাহ, অসমৰ কৃষি খণ্ড আৰু কুটীৰ শিল্পক আমি আধুনিক কৰি গঢ়ি তুলিব লাগিব। ৰাজ্যত আধুনিকতা উদ্যোগীকৰণৰ এক নতুন উদাহৰণ হিচাপে জাগীৰোডৰ নিৰ্মীয়মাণ ছেমিকণ্ডাক্টৰে আজি সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। টাটা ছেমিকণ্ডাক্টৰৰ সমানকৈ নামৰূপত নিৰ্মাণ আৰম্ভ হোৱা Fertilizer Manufacturing Unit আৰু চাপৰত হ'বলগীয়া ৩২০০ মেগাৱটৰ থাৰ্মেল পাৱাৰ প্ৰজেক্ট অসমত Manufacturing ৰ ক্ষেত্ৰতো এটা শক্তিশালী নাম হিচাপে ৰৈ যাব। নুমলীগড় ৰিফাইনেৰীৰ সম্প্ৰসাৰণে আৰু এই ডাঙৰ ডাঙৰ প্ৰকল্পসমূহে অসমৰ অৰ্থনীতিত নতুন ৰূপ দিব। একাংশ লোকে কেইজনমান পুঁজিপতিৰ নাম লৈ আমাৰ উদ্যোগীকৰণৰ ওপৰত ঋণাত্মাক বাতাবৰণৰ সৃষ্টি কৰাৰ চেষ্টা কৰে। কিন্তু আমি সকলোৱে মনত পেলাব লাগিব যে অসমত যদি আমি উদ্যোগ নকৰো, অসমৰ লাখ লাখ যুৱকে Sub human standard ত কেৰেলা, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যত কাম কৰিব আৰু তেওঁলোকৰ যদি মৃত্যু হয়, তেওঁলোকৰ মৃত দেহটো মাক-দেউতাকে দেখা নাপায়। তেনেকুৱা পৰিস্থিতি আমি কেতিয়াওঁ মানি ল'ব নোৱাৰো। আমি এনেকুৱা এখন সমাজ নিৰ্মাণ কৰিব লাগিব য'ত এজন যুৱককো বাহিৰত কাম কৰিবলৈ নপঠিয়াও। অসমৰ উদ্যোগীকৰণৰ আন্দোলনে গোটেই যুৱ সমাজক অসমলৈ উভতাই আনিব। তেনে এখন সাহসী পথেৰে আমি আগবাঢ়িব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই নিশ্চিতভাৱে বুজি পাওঁ যে যেতিয়া সমাজত এটা পৰিৱৰ্তনৰ কাৰণে চেষ্টা কৰা হয়, স্থিতাৱস্থা যিসকলে ভাল পায়, তেওঁলোকে তাক প্ৰতিবাদ কৰে। যেতিয়া আমাৰ বীমানবন্দৰ ব্যক্তিগতকৰণ কৰিছিলো তেতিয়া বহু লোকে আমাক সমালোচনা কিৰিছিল। কিন্তু আজি অসমৰ গুৱাহাটী

বীমানবন্দৰে আধুনিক অসমৰ চিনাকী লৈ ৰূপান্তৰিত হৈছে আৰু বাহিৰলৈ গ'লে গুৱাহাটী বীমানবন্দৰৰ কথা কৈ অসমীয়া লোকক শ্ৰদ্ধাৰে চাবলৈ শিকিছে। গুৱাহাটীলৈ যিয়ে আহে গুৱাহাটী বীমান বন্দৰৰ সৌন্দৰ্য্য দেখি চমক খাই উঠে আৰু অসমীয়া জাতিক এক আধুনিক জাতি হিচাপে স্বীকৃতি দিবলৈ বাধ্য হয়। স্থিতাৱস্থাৰ বিৰুদ্ধে আৰু ৰাইজৰ কল্যাণৰ হকে কাম কৰাৰ সাহস এই বিধান সভাৰ থাকিব লাগিব । যেতিয়া উৰণীয়া সেঁতু নিৰ্মাণ হয়, তেতিয়া সেই নিৰ্মাণৰ বিৰোধিতা কৰা হয়। কিন্তু আমি জানিব লাগিব যে উৰণীয়া সেঁতু নিৰ্মাণ হোৱাৰ লগে লগে ৰাইজে আৰ্শীবাদ দিয়া আৰম্ভ কৰে। কেৱল মাত্ৰ যোৰহাটৰ উৰণীয়া সেঁতু নিৰ্মাণৰ বিৰোধিতা কৰাৰ বাবে আজি অসমৰ শক্তিশালী নেতা এজন যোৰহাটত অত্যন্ত লজ্জ্বাজনক ভাৱে হাৰিবলগীয়া হৈছে। ইয়াৰ কাৰণ এটাই। যদি এজন ৰাজনৈতিক নেতাই কাজিৰঙাৰ Elevated Corridor ক সমালোচনা কৰে, গোলাঘাট আৰু গহপুৰৰ মাজৰ সুৰংগক সমালোচনা কৰে, নিজৰ সমষ্টিৰ নিৰ্মীয়মান উৰণীয়া সেঁতুৰ সমালোচনা কৰে, যিয়ে নেকি লাখ লাখ লোকৰ পৰিবহণৰ অসুবিধা দূৰ কৰিব। এইবোৰক যদি সমালোচনা কৰিব খুজে, বৰ্তমান অসমৰ ৰাইজ ৰাজনৈতিক ভাৱে ইমান সচেতন যে তেওঁলোকে লগে লগে বুজি পাই যে এই নেতাজনে নিজে দিল্লীত থাকিব খুজে। কিন্তু আমাক মান্ধাতা যুগলৈ লৈ যাব বিচাৰে। এতিয়া অসমৰ ৰাইজে এইবোৰ বুজি পোৱা হৈছে। অসমৰ ৰাইজক এতিয়া অন্ধকাৰত ৰখাৰ যি পৰিৱেশ সেই পৰিৱেশ এতিয়া উকলি গৈছে। এই নিৰ্ব্বাচনৰ ফলাফলে স্পষ্টভাৱে প্ৰমাণ কৰিছে যে অসমৰ ৰাইজে কোনো উদ্যোগপতিক বেয়া নাপায়। অসমৰ ৰাইজে তেওঁকে ভাল পায়, যিয়ে নেকি অসমৰ বিকাশত বৰঙণি আগবাঢ়াব বিচাৰে । অসমৰ ৰাইজে উদ্যোগীকৰণ, অৰ্থনৈতিক উন্নয়ণ বিচাৰে। অসমৰ ৰাইজে অসমৰ বাহিৰত কাম কৰা লাখ লাখ যুৱক-যুৱতীক মৰ্য্যদাসহকাৰে অসমলৈ উভতাই আনিব বিচাৰে। অন্ধকাৰৰ কলীয়া ডাঁৱৰৰ পৰা আমাৰ ৰাজ্যৰ জনতাই এতিয়া বিকাশমুখী সুৰুযৰ

পথেৰে যাব বিচাৰে আৰু এই নিৰ্ব্বাচনৰ ফলাফলেই উন্নয়ণ আৰু বিকাশৰ verdict. মাননীয় অধ্যক্ষ মহোদয়, অহা ৫ বছৰত শিকিবলগীয়া আৰু দুটা কথা মই এই সদনত উল্লেখ কৰিম । এই নিৰ্ব্বাচনে এটা কথা স্পষ্টভাৱে প্ৰমাণ কৰিলে যে ব্যক্তিগত আক্ৰমণ আৰু সমালোচনা অসমৰ ৰাইজে কেতিয়াওঁ সমৰ্থন নকৰে। যোৱা ৫ টা বছৰত বিধান সভাৰ ভিতৰতে হওঁক বা বাহিৰতে হওঁক এটা বিশেষ ৰাজনৈতিক দলে কল্পনা কৰিছিল যে মুখ্যমন্ত্ৰীৰ পৰিয়ালক আক্ৰমণ কৰিলে আমি নিৰ্ব্বাচন জিকিব পাৰিম । এটা সময়ত তেওঁলোকে ইমানলৈ গৈছিল যে মুখ্যমন্ত্ৰীৰ পত্নীৰ ৩ খন ৰাষ্ট্ৰৰ ভুঁৱা পাচপ'ৰ্ট বনাই ৰাজ্যৰ জনসাধাৰণক বিপথে পৰিচালিত কৰাৰো চেষ্টা কৰিছিল । অসমৰ ৰাইজে সিদ্ধান্ত কি দিলে ? যে আমি অসমৰ উন্নয়ণ বিচাৰো, আমি অসমৰ বিকাশ বিচাৰো । অসমৰ ৰাইজে ব্যক্তিগত পৰিয়াল ভিত্তিক আক্ৰমণ নিবিচাৰে। যোৱা ৫ টা বছৰে সদনৰ বাহিৰে ভিতৰে এজেণ্ডাই আছিল যে মুখ্যমন্ত্ৰীৰ পত্নী আৰু পৰিয়ালক আক্ৰমণ কৰা। এজন বিধায়কৰ ঘৰৰ পৰা দুই লাখ লিফলেট উদ্ধাৰ কৰিছিলো। য'ত নেকি মোৰ পৰিয়ালৰ অকথ্য কথা লিখা হৈছিল । বৰ্তমান সেই বিধায়কজন সদনত উপস্থিত আছে। মই তেখেতৰ নাম ক'ব খুজা নাই । তেখেতে নিজেই বুজি পাইছে। দুখন ট্ৰাকত কেৱল লিফলেটেই বনাই লোৱা হৈছিল । মই যেতিয়া তেওঁক সুধিছিলো বাবা, এইবোৰ কিয় বনাইছা ? তেওঁ কৈছিল যে মই বনোৱা নাই, মোক বনাই দিছে। সেই নেতাজনৰ নাম সকলোৱে জানে, কোৱাৰ প্ৰয়োজন নাই। পৰহী দিনা তেওঁ স্বীকাৰো কৰিছে যে 'দাদা, মই বনোৱা নাই, মোক অমুকে বনাই দিছে'। মই নামটো ক'ব খুজা নাই যে তেওঁ কাৰ নাম কৈছিল। অৰ্থাৎ তেওঁলোকৰ ৰাজনীতি ক'ত আছে ? তেওঁলোকৰ ৰাজনীতি ৰাজ্যৰ বিকাশ আৰু উন্নয়ণ কৰা নহয়, পৰিয়ালক আক্ৰমণ কৰাৰ ৰাজনীতি। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এখন বাতৰি কাকত দেখুৱাম যাৰ নাম হৈছে প্ৰতিদিন বাতৰিকাকত। যোৱা তিনিমাহৰ আপুনি যদি বাতৰিকাকত উলিয়াই লয়, এদিনত সেই বাতৰিকাকত

খনত মোৰ বিৰুদ্ধে ১৯ টা বাতৰি প্ৰকাশ পাইছিল। এখন বাতৰি কাকতৰ পৃষ্ঠা কেইটা থাকে ? যদি ১২-১৩ পৃষ্ঠাৰ এখন বাতৰিকাকতত ১৯ টা বাতৰি মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে, বাকী বাতৰি কি থাকিব ? অৰ্থাৎ সেই পৰ্য্যায়লৈ বাতৰি লৈ যোৱা হৈছে। কিন্তু অসমৰ ৰাইজে ফলাফল কি দিলে ? ১০২ টা চিট বিজেপি আৰু মিত্ৰজোঁট  চৰকাৰক দিলে। তেওঁলোকে বুজাই দিলে যে পৰিয়ালৰ চৰ্চ্চা শুনিবলৈ আমি সদনত অহা নাই। আমাৰ ল'ৰা-ছোৱালীক কৰ্ম্ম সংস্থাপন লাগে আৰু সমষ্টিসমূহৰ উন্নয়ণ লাগে। মই আশা কৰিম যে বিধান সভাত জয় লাভ কৰা বিধায়ক সকলে ৰাইজৰ ইংগিত বুজিব লাগিব। আমাৰ নেতাই কি কৰিব বিচাৰিছে, সেইটো নহয়। যিজন নেতা অসমত কম থাকে আৰু বিদেশত বেছি থাকে, সেইজন নেতাই কি ক'ব বিছাৰিছে, সেইটো অসমৰ ৰাইজে শুনিব বিচৰা নাই। অসমৰ ৰাইজে আমাক ক'ব খুজিছে যে পৰচৰ্চ্চা, পৰনিন্দা নহয় আমাৰ হৈ কাম কৰা। আমি তোমালোকক ভোট দিছো আমাৰ সমষ্টিটো যাতে বিকাশ হয়। মই আশা কৰিম যে আমাৰ নতুন চাম বিধায়কে ৰাইজৰ ৰায়দান নিজে বুজি পাব পাৰিব আৰু নিজকে অসমৰ ৰাইজৰ উন্নতিৰ বাবে সমৰ্পিত কৰিব পাৰিব।

অধ্যক্ষ মহোদয়, এই নিৰ্বাচনৰ এটা সময়ত এনেকুৱাটো পৰ্যায়লৈকে লৈ যোৱা হৈছিল যে মোৰ পত্নীয়ে সেন্দুৰ টো ক'ত পিন্ধে সেইটো আলোচনাৰ বিষয় হৈ পৰিছিল। ৰাজনীতি ইমান তললৈ লৈ যোৱা হৈছিল। অধ্যক্ষ মহোদয় এইখন শংকৰ-মাধৱৰ দেশ। আমি যেতিয়া ৰাজনীতিও কৰিম, তাত এটা সংস্কাৰেৰে সৈতে কৰিম। আমাৰ মাজত যুক্তিপূৰ্ণ আদান-প্ৰদান, বিতৰ্ক সব হ'ব পাৰে। কিন্তু যদি আমি কওঁ যে অমুক মন্ত্ৰীৰ পত্নীয়ে মেখেলাখন তলত পিন্ধিছে ওপৰত পিন্ধিছে, ই কেতিয়াও ৰাজনৈতিক বিতৰ্ক হ'ব নোৱাৰে অধ্যক্ষ

মহোদয়। মই ভাবো ১০২ টা চিটৰ ফলাফলে বিৰোধী পক্ষৰো চকু মেল খুৱাব, শাসক পক্ষৰো চকু মেল খুৱাব। অসমৰ ৰাইজে বিকাশ বিচাৰে, অসমৰ ৰাইজে সুৰক্ষা বিচাৰে। অধ্যক্ষ মহোদয়, এই নিৰ্বাচনে আৰু এটা বিতৰ্কৰ সামৰণি পেলালে দয়াবিনী আৰু মায়াবিনীৰ বিতৰ্ক। অধ্যক্ষ মহোদয়, নিৰ্বাচনৰ আগত আৰু এটা বিতৰ্কৰ আৰম্ভ কৰা হৈছিল মায়াবিনী আৰু দয়াবিনী। জুবিন গাৰ্গ আমাৰ হিয়াৰ আমঠু আছিল। জুবিনৰ মায়াবিনীয়ে অজস্ৰ অসমীয়াক ৰোমাঞ্চিত কৰে। জুবিনৰ গানে, জুবিনৰ শিল্পই, জুবিনৰ জীৱনে অজস্ৰ অসমীয়া যুৱক-যুৱতীক যুগে যুগে প্ৰভাৱিত কৰি থাকিব। অধ্যক্ষ মহোদয়, মই গৌৰৱেৰে ক'ম আৰু মই আজিও অত্যন্ত গৌৰৱেৰে ক'ম নিৰ্বাচনৰ পিছত। জুবিনৰ জীৱন পৰিক্ৰমাত, যেতিয়াই জুবিনক আজি জুবিনৰ নাম লৈ ৰাজনীতি কৰিব বিচৰাসকলে যেতিয়া জুবিনক সমালোচনা কৰিছিল, ব্যক্তিগতভাৱে তেওঁৰ লগত মই সদায় থিয় হৈ আছিলো। মই সদায় কৈছিলো যে জুবিন ৰাষ্ট্ৰৰ সম্পদ, জুবিন অসমীয়াৰ সম্পদ। জুবিনক জীৱনত সমালোচনা নকৰিবা। জুবিনৰ যেতিয়া মৃত্যু হ'ব আমি সকলোৱে কান্দিব লাগিব। আৰু ই মোৰ কোৱা কথা নহয়, মোৰ এই বক্তব্য Social Media ত ঘূৰি আছে। অধ্যক্ষ মহোদয়, জুবিনক জীৱনত সন্মান কৰা আৰু মৃত্যুৰ পিছত ব্যৱহাৰ কৰিব বিচৰা দুখন সমাজৰ সৃষ্টি হৈছিল নিৰ্বাচনৰ আগত। যিসকলে জীৱনকালত জুবিনক নিৰ্মমভাৱে সমালোচনা কৰিছিল, তেওঁলোকে জুবিনৰ

সমাধিলৈ গৈ অসমৰ ৰাজনৈতিক যুদ্ধখনত তেওঁলোকৰ ফালে লৈ যাবলৈ চেষ্টা কৰিছিল। যিসকলে নিজৰ জীৱনত জুবিনক নিজৰ সমষ্টিলৈ এবাৰো অনুষ্ঠানৰ বাবে নিমন্ত্ৰণ কৰা নাছিল, এটা ৰাতিতে তেওঁলোক জুবিনৰ সমৰ্থক হৈ পৰিছিল। কিন্তু দুৰ্ভাগ্য, তেওঁলোকৰ মুখেদি মায়াবিনী নোলাইছিল৷ তেওঁলোকৰ মুখেদি দয়াবিনী ওলাইছিল। কোনো কথা নাই। যিসকলে নিজৰ সমষ্টিত বাংলাদেশৰ পৰা সদায় গায়ক আনিছিল, ৰাতি ৰাতি তেওঁলোক জুবিন গাৰ্গৰ সমৰ্থক হৈ পৰিল। অধ্যক্ষ মহোদয়, আপুনি বৰপেটাত ৰাজনীতি কৰে। বৰপেটাৰ বহু অঞ্চলত যোৱা ৩০ বছৰত এবাৰো জুবিন গাৰ্গৰ অনুষ্ঠানটো হোৱা নাছিল। তাৰ পৰা বাছে বাছে মানুহ জুবিনৰ সমাধিলৈ আহিবলৈ আৰম্ভ কৰিলে। জুবিনৰ সমাধিলৈ আহিবলৈ আৰম্ভ কৰিলে। আমি মায়াবিনী বিলাক কৰবাত পিছুৱাই গ'লো, দয়াবিনীবোৰ আগুৱাই গ'ল। মায়াবিনী পিছুৱাই গ'ল দয়াবিনী বিলাকে সমাধিক্ষেত্ৰখন দখল কৰি ল'লে। এতিয়া কোনো নাই অধ্যক্ষ মহোদয়। এতিয়া কোনো নাই অধ্যক্ষ মহোদয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ বহু ঠাইত জুবিন গাৰ্গে Program কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বহু ঠাইত কৰা নাই মই সেইটো কৈছো। কৰা বিলাক সবে জানে।

বৰপেটা, ভৱানীপুৰ, সৰভোগতটো বহুতবাৰ কৰিছে। বৰপেটা ৰোডত বহুতবাৰ কৰিছে। ক'ত কৰা নাই মই সেইটোহে কৈছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, হাউলীত কৰিছে ছাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, হাউলীটো আমাৰ জাগা ভাই।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি আছে চাৰ। মইও আছো তাতে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জেগা কেইটামানৰ নাম ল'ব খোজা নাই, নাম ল'লে উত্তৰ দিব নোৱাৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰবালা, কলগাছিয়া এইবিলাক অঞ্চলতো কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ কলগাছিয়াটো আমাৰ গোটেই অসমীয়া সমাজৰ পৃষ্ঠভূমি আছিল। এতিয়াহে কোনোবাই দখল কৰি ল'লে। বৰপেটাটো আমাৰেই ঠাই আছিল। মহাপুৰুষ শংকৰদেৱেই তাতে আছিল। হাউলীটো আমাৰেই আছিল।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আছো চাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি পিছত আহিছে। আমি ৫০০ বছৰৰ পৰা আছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিও আছো চাৰ  ভাৰত বিভাজনৰ বহু আগৰ পৰাই আছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইটো, নিজে কৈছে তো মানি লৈছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি সমাজখন  ভাগ নকৰিব চাৰা।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ মই নামেই লোৱা নাই কাম। আপুনি নিজে নিজৰ গাত লৈ আছে, মই আপোনাৰ নামেই লোৱা নাই। মইতো ভাগ কৰাই কাম অৰিজিনেল অসমীয়া আৰু বাংলাদেশী, দুয়োটা ভাগতো আমি কৰিয়েই থাকিম।"

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, সদস্যঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো আমিও সমৰ্থন কৰিছো ছাৰ, আমিও অৰিজিনেল ছাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সমৰ্থন কৰক। অহা কালিলৈ UCC সমৰ্থন কৰক। মইতো ভাল কথা ক'লো ইমান দেৰি। ক'তো একো কোৱা নাই, আপুনি কিয় নিজে নিজে দয়াবিনী হৈছে? আপোনাকতো মই দয়াবিনী কোৱা নাই। অধ্যক্ষ মহোদয়, এনেকুৱা এটা অৱস্থা হ'ল যে এটা ৰাজনৈতিক দলে Election Manifesto-ত জুবিন গাৰ্গক লৈ আহিল। Election Manifesto-ত জুবিন গাৰ্গক লৈ আহিল আৰু অধ্যক্ষ মহোদয়, আপুনি আচৰিত হ'ব, ইলেকচনৰ দিনা যে ইলেকচনৰ Table, সেই Table-ৰ সন্মুখত জুবিন গাৰ্গৰ ফটো লগাই দিয়া হ'ল।

অধ্যক্ষ মহোদয়, ইলেকচনৰ আগত এটা বিশেষ ৰাজনৈতিক দলৰ অফিচৰ সন্মুখত সেই ৰাজনৈতিক দলটোৰ সভাপতিজনৰ ফটো নাছিল। BJP কাৰ্যালয়ৰ সন্মুখত বাজপেয়ী, নৰেন্দ্ৰ মোদীৰ ফটো দেখা পোৱা যায়। কংগ্ৰেছৰ কাৰ্যালয়ৰ সন্মুখত ৰাজীৱ গান্ধী, ইন্দিৰা গান্ধী, ৰাহুল গান্ধীৰ ফটো দেখা পোৱা যায়। এইবাৰ সলনি হ'ল অধ্যক্ষ মহোদয়। সদায় সলনি হৈ থাকিবনে নাই? এইবাৰ সলনি হ'ল অধ্যক্ষ মহোদয়। ৰাজনৈতিক দলৰ কাৰ্যালয়লৈ জুবিন গাৰ্গক লৈ অহা হ'ল। অসমৰ ৰাইজে উত্তৰ কি দিলে? অসমৰ ৰাইজে উত্তৰ দিলে যে জুবিন গাৰ্গক লৈ ৰাজনীতি নকৰিবা, তেওঁ আমাৰ সম্পত্তি। ই আমাক শিকাই থৈ গ'ল যে ভূপেন হাজৰিকাক লৈ ৰাজনীতি নহয়, জুবিন গাৰ্গক লৈ ৰাজনীতি নহয়, শংকৰদেৱক লৈ ৰাজনীতি নহয়, মাধৱদেৱ-

দামোদৰদেৱক লৈ ৰাজনীতি নহয়, জ্যোতিপ্ৰসাদ আগৰৱালা-বিষ্ণুপ্ৰসাদ ৰাভাক লৈ ৰাজনীতি নহয়। এনে এক দুৰ্ভাগ্যজনক পৰিৱেশলৈ লৈ গ'ল। দয়াবিনী-মায়াবিনী, বৈ বৈ বিনালে বৈ বৈ কেতেকী কিমান তললৈ যাব পাৰে। অধ্যক্ষ মহোদয় বৈ বৈ বিনালৈ বৈ বৈ কেতেকীৰে YouTube ভৰি গ'ল দয়াবিনীৰে অধ্যক্ষ মহোদয়, আজিৰ দিনটোত আমি সংকল্প ল'ব লাগিব যে অসমৰ জাতীয় জীৱনৰ সিংহপুৰুষসকলক লৈ আমি ৰাজনীতি নকৰোঁ। এই নিৰ্বাচনে আমাক দুটা Message শিকাই থৈ গ'ল। পৰিয়ালক লৈ ৰাজনীতি নহয়। কিবা আছে যদি আদালতত যোৱা, Court-ত যোৱা, যি আছে সমাধান কৰা আৰু শংকৰদেৱ, মাধৱদেৱ, জ্যোতি, বিষ্ণু, ফণী শৰ্মা, জুবিন গাৰ্গ, ভূপেন হাজৰিকা, উপেন্দ্ৰ নাথ ব্ৰহ্ম— ইয়াক লৈ ৰাজনীতি নহয়।" অধ্যক্ষ মহোদয়, মই এটা সৰু কথা মনত পেলাম, কৰ পৰা মানুহে শিকিব পাৰি। BTC ইলেকচনৰ সময়ত মই কোকৰাঝাৰলৈ এখন Meeting-লৈ গৈছিলো। আমাৰ BJP-ৰ কৰ্মকৰ্তাসকলে উৎসাহী হৈ উপেন্দ্ৰ ব্ৰহ্মাৰ ফটোখন মঞ্চত স্থাপন কৰিছিল আৰু আমি মাল্যাৰ্পণ কৰিছিলো। Meeting-ৰ পৰা অহাৰ পিছতেই কোকৰাঝাৰৰ পৰা মোলৈ কেইবাটাও WhatsApp আহিলে যে উপেন্দ্ৰ ব্ৰহ্মাৰ ফটোখন আপোনালোকে পলিটিকেল মঞ্চত দি ভুল কৰিছে। মই লগে লগে তাৰ পৰা শিকিলো। মই পাৰ্টিত হাক দিলো যে BTC-ৰ নিৰ্বাচন আমি জিকোঁ বা নিজিকোঁ, কেতিয়াও উপেন্দ্ৰ ব্ৰহ্মাৰ ফটো যেন BJP-ৰ

মঞ্চত নাহে। চৰকাৰী অনুষ্ঠানত বেলেগ কথা, য'ত সকলো ৰাইজ থাকে, কিন্তু BJP-ৰ মঞ্চলৈকে যাতে নাহে। অর্থাৎ অসমৰ মানুহে জাতীয় জীৱনৰ সিংহপুৰুষসকলক লৈ কৰা ৰাজনীতিক কেতিয়াও মানি নলয়। জুবিন গাৰ্গৰ নামত মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখিব লাগে নেকি অধ্যক্ষ মহোদয়? অধ্যক্ষ মহোদয়, কি কৰি দিলে অসমৰ মানুহে ১৯ জনলৈ নমাই দিলে আৰু ১৯ জনৰ ১৮ জন মাত্ৰ এটা বিশেষ সম্প্ৰদায়ৰ মানুহ, ইয়াতকৈ দুখ লগা দয়াবিনী পুৱা Operation কৰি উলিয়াই দিলে । ইয়াত কৈ দুখ লগা পৰিৱেশ কি হ'ব পাৰে , প্ৰত্যেকটো Election য়ে আমাক শিকায় অধ্যক্ষ মহোদয়, এই Election য়ে আমাক দুটা কথা শিকাই থৈ গ'ল। যে ভূপেন হাজৰীকা, জুবিন গাৰ্গ আৰু শংকৰদেৱকলৈ ৰাজনীতি নহ'ব। উপেন্দ্ৰ ব্ৰহ্মাক লৈ ৰাজনীতি নহ'ব। এই Election য়ে আমাক শিকাই থৈ গ'ল, যে মানুহে বিকাশৰ বাবে ভোট দিয়ে। মানুহে নিজৰ জীৱনৰ সুৰক্ষাৰ বাবে ভোট দিয়ে । পৰচৰ্চা আৰু পৰ নিন্দাৰে Election জিকিব নোৱাৰি তাক অসমৰ মানুহে শিকাই থৈ গ'ল । অধ্যক্ষ মহোদয় নিশ্চিতভাৱে এই Election য়ে আমাক আৰু এটা কথা শিকাই থৈ গ'ল যে, ৰাজনীতি কৰা মানুহৰ কেতিয়াও অহংকাৰ হ'ব নালাগে । কোনোবা ঘটনাৰ পাকচক্ৰত মই কোনোবা এটা নিৰ্বাচনত জিকিলো, কিন্তু তাৰ মানে ই নিশ্চিত নহয় য়ে, অসমৰ ৰাইজে মোক ৰজা পাতিছে। যোৰহাটত মই লোক সভা জিকিলো, অহংকাৰ গৌৰৱ ড্ৰিব্ৰুগড়ত মই লোকসভা

জিকিলো লক্ষীমপুৰত মই লোকসভা জিকিলো। অহংকাৰ, গৌৰৱ দৰ্প বাঢ়ি বাঢ়ি গৈ থাকিলে, দুবছৰ ভিতৰতে সৰু বিধানসভা নিৰ্বাচনতে মোক হৰুৱাই দিলে। তাৰমানে এই নিৰ্বাচনত এটা কথা স্পষ্টভাৱে বুজাই দিছে, সকলোকে শিক্ষা দিলে যে, আজি জিকিছো মানে তাৰ Guarantee নহয় যে, অহাকালিও আমি জিকিম। মই যুৱ বিধায়ক সকলক দুটা কথা ক'ব চেষ্টা কৰিম। তথ্যৰ পৰা কম, আক্ৰমণ কৰি নকও। এজন ব্যক্তিক এটা Parliamentary seat ত ভয়াৱহভাৱে অসমৰ মানুহে Election জিকাই দিলে ২০২৪ চনত। মানুহে দেখা পালে যে, ইয়াত গৌৰৱ আছে, দৰ্প আছে, অহংকাৰ আছে। ২০২৬ ত ২০ হাজাৰ জিকা চিট এটাত ২৩ হাজাৰত হৰুৱাই পঠাই দিলে। ই আমি ল'ব বিছৰা শিক্ষা। তাৰ মানে আমাৰ এই আসন খন কাৰো কাৰণে Permanent নহয়। যদি ৰাইজে জিকাব পাৰে , ৰাইজে আমাক হৰুৱাবও পাৰে। মই ভাৱো যেতিয়া আমি মনত এটা ভাৱ ল'ম, যেতিয়া আমি মনত অহংকাৰৰ সৃষ্টি কৰিম যে, আমি জিকি আহিলো, অহাবাৰো আমি জিকিম। মই ভাৱো মানুহে প্ৰত্যেক দিনাই অহংকাৰক চিনি পায়। মানুহে, যেনেকে হাঁহে পানী আৰু গাখীৰৰ পাৰ্থক্য বুজি পায়, তেনেকৈ মানুহেও অহংকাৰী বিধায়ক আৰু শান্তিপ্ৰিয় সাধাৰণ মানুহৰ লগত থাকিব পৰা বিধায়কক বুজি পায়। সদনত খুব সম্ভৱ ৬ বাৰ Election ত জিকি অহা বিধায়ক হিচাপে মই আছোঁ। আনসকলে ৬ বাৰ জিকিছে কৰবাত হয়তো গতি পৰিছে, যতি

পৰিছে। পদ্মদাও আছে ৬ বাৰ জিকিছে। নতুন প্ৰজন্মৰ বিধায়কসকলে সিদ্ধান্ত ল'ব লাগিব যে, আমি এবাৰৰ কাৰণে বিধায়ক হ'ব অহা নাই। আমি বাৰে বাৰে বিধায়ক হ'বৰ কাৰণে এই সদনত আহিছোঁ আৰু তেতিয়াহে আমি বাৰে বাৰে বিধায়ক হ'ব পাৰিম, যেতিয়া আমি মনত অহংকাৰক জন্ম নিদিও । জীৱনত আটাইতকৈ ডাঙৰ শত্ৰু হ'ল অহংকাৰ। বিধায়ক হোৱাৰ লগে লগে যেতিয়া আমাৰ কাপোৰৰ পৰিৱৰ্তন হ'ব, খোৱাৰ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ব, সমষ্টিৰ পৰা অহা সাধাৰণ ৰাইজক বেয়া কথা, গালি-গালাজ কৰিবলৈ আৰম্ভ কৰো, এতিয়াৰ পৰাই স্খলন আৰম্ভ। বহু যোৱা পোন্ধৰ বিধানসভাত থকা বহু বিধায়ক আজি সদনত অহা নাই, তাৰ পৰা নিশ্চয় নতুন বিধায়কসকলে শিক্ষা ল'ব। মই সকলোকে আহ্বান কৰিম আমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে আমাৰ অহংকাৰসমূহ। মোৰো যদি কৰবাত অহংকাৰ হয় আপোনালোকে মোক দেখুৱাই দিব। আৰু আপোনালোকেও চেষ্টা কৰিব যাতে আমি অহংকাৰক ওচৰত আহিব নিদিও। আজি যিসকলে ভাবিছে যে, আমি অমুক সমষ্টিৰ পৰা আহিছো অমুকে আমাক ভোট দিবই, মানকাচৰৰ ১ লাখ ভোটে তেওঁলোকৰ বাবেও বিপদৰ ঘণ্টা আজি বজাই থৈ গৈছে। ২০৩১-ৰ কাহিনী এয়া নহয়, এই কাহিনীও সলনি হ'ব, মই আজিয়েই ভৱিষ্যদ্বাণী কৰি থৈ গৈছোঁ। ৰাজনীতিত মই যিমান আজিলৈকে কৰবাত নহয় কৰবাত কৈছো, দুই এটাক বাদ দি কৰবাত নহয় কৰবাত সিয়ো বুজি

পায়। মই ভাবো অসমৰ ধৰ্মীয় সংখ্যালঘু ৰাইজেও অহংকাৰ, পিতৃৰ পৰিচয়েৰে ৰাজনীতি কৰিব বিচৰা ব্যক্তি, সকলোকে চিনি পাব। তেওঁলোকৰ মাজতো এখন শিক্ষিত সমাজৰ সৃষ্টি হ'ব। আৰু কৰবাত নহয় কৰবাত, কেতিয়াবা নহয় কেতিয়াবা চামগুৰি উপ-নিৰ্বাচনৰ ফলাফল আহিয়েই থাকিব। যেনেকে সমাজত বিৱৰ্তন হৈ থাকে, সমাজত পৰিৱৰ্তন হৈ থাকে । তাক নহাৰ ৰাস্তা কি ? যেতিয়া আমি অহংকাৰক ত্যাগ কৰিম, সমষ্টিৰ মানুহৰ কাৰণে সমৰ্পণ কৰিম। মই ভাবো সদনে নিশ্চিতভাৱে বিশেষকৈ নতুন বিধায়কসকলে সদনৰ ভিতৰে আৰু বাহিৰে আমাৰ পৰম্পৰা, আমাৰ সংস্কৃতি আৰু আমাৰ অহংকাৰবিহীন, গৌৰৱবিহীন, দৰ্পবিহীন এটা জীৱন আমি যাতে সদায় ৰাখিব পাৰো, তাৰ কাৰণে সকলোৱে প্ৰচেষ্টা কৰিব। নক'বলগীয়া কথা এটা মই আকৌ কৈ থৈ গৈছোঁ, কেতিয়াবা বিধায়কসকল খুবেই ভাল, কিন্তু বিধায়কসকলৰ লগত থকা PS, OSD-এ আমাক election ত হৰুৱাই দিয়ে। সেইকাৰণে নিজৰ নিজৰ PS, OSD বছৰে বছৰে বদলাই থকা আৰু তেওঁলোকৰ ওপৰত dependent নোহোৱা, এইবিলাকো নিশ্চিতভাৱে নতুন বিধায়কসকলে শিকিলে আমি সদনত বাৰে বাৰে সকলোকে দেখা পাম। মোৰ অভিজ্ঞতাৰ পৰা এইখিনি কথা মই কওঁ বুলি ভাবিছিলো, মই ভাবো যে কোৱাটো প্ৰয়োজন আছিল । অধ্যক্ষ মহোদয়, কেইবাজনো বিধায়কে ৰাজ্যপাল মহোদয়ৰ বিতৰ্কত অংশগ্ৰহণ কৰি মূল্যবৃদ্ধিৰ বিষয়টো দৃষ্টি আকৰ্ষণ কৰিছে।

স্বাভাৱিকভাৱে অধ্যক্ষ মহোদয়, ই এনে এক বিষয় যাক আমি কেতিয়াও এৰাই চলিব নোৱাৰোঁ। দায়িত্ব লোৱাৰ পিছত মোৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আহি পৰিছে যে, আমি অনাগত দিন কেইটাত ভাৰত আৰু অসমৰ অৰ্থনীতিক কেনেকে সুৰক্ষিত কৰি ৰাখিব পাৰোঁ। আমি যদি দেখা পাওঁ Strait of Hormuz ইৰান আৰু আমেৰিকাৰ যুদ্ধই ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ দিনক দিনে হ্ৰাস কৰাই লৈ গৈছে আৰু আমি নিশ্চিতভাৱে এক বিপদজনক পৰিৱেশলৈ আমি আগবাঢ়িছোঁ। যদি ইৰান আৰু আমেৰিকাৰ মাজত যুদ্ধ শেষ নহয়, তাৰ প্ৰভাৱ বা তাৰ প্ৰভাৱৰ পৰা ভাৰত মুক্ত হৈ থাকিব নোৱাৰে। ভাৰতে নিজৰ ব্যৱহাৰ কৰা তেল, সাৰ আৰু আমাৰ বাবে প্ৰয়োজনীয় বহুত সামগ্ৰী আমি দেশৰ বাহিৰৰ পৰা কিনিব লাগে। আৰু যেতিয়া এনে সামগ্ৰীসমূহ আমি দেশৰ বাহিৰৰ পৰা কিনো, বেছি দামত কিনো, আমাৰ দেশৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ কমি কমি আহি থাকে। এই দিশটোৱে প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াকো চিন্তিত কৰিছে আৰু আমাৰ সকলোকে চিন্তিত কৰিছে । আৰু নিশ্চিতভাৱে তাৰ ফলাফল বা তাৰ পৰিণাম আজি আমি সকলোৱে দেখা পাইছোঁ। যোৱা কেইটামান দিনত petrol আৰু diesel ৰ যিটো বৃদ্ধি, তাক সকলোৱে আমি অত্যন্ত উৎকণ্ঠাৰে সৈতে লক্ষ্য কৰিছোঁ। অধ্যক্ষ মহোদয়, মই আশা কৰিম ভগৱানে ভাৰতবাসীক, বিশ্ববাসীক নিশ্চয় শক্তি দিব। আৰু আমি এই সংকটৰ পৰা মুক্ত হ'ব পাৰিম । যোৱা চাৰি মাহত

আমাৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ৭২০ billion ৰ পৰা ৬৮৮ billion লৈ হ্ৰাস পাইছে। তাৰ পিছতো প্ৰধান মন্ত্ৰী ডাঙৰীয়াই চেষ্টা কৰিছে যাতে ইয়াৰ বোজা সাধাৰণ ৰাইজে ল’বলগীয়া নহয়। মই ভাবো যে পেট্ৰল ডিজেলৰ দাম বৃদ্ধি এটা সাময়িক ঘটনা আৰু যিদিনাখনে যুদ্ধ ৰ পৰিসমাপ্তি ঘটিব আমি পুৰণি পৰ্যায়ত নিশ্চিত ভাবে উভটি যাব পাৰিম। মই ৰাজ্যবাসীক নিশ্চিত ভাবে আশ্বস্ত কৰিম যে বিপদৰ মাজতো ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সন্মুখীন হব নালাগে তাৰ বাবে আমি প্ৰচেষ্টা লম।ইতিমধ্যে আমাৰ চৰকাৰক মিতব্যয়িতাৰ বাবে আমি কেইবাটাও ব্যৱস্থা গ্ৰহণ কৰিছো আৰু মই ভাবো যে অনাগত দিনত বিশেষকৈ বাজেট অনাৰ সময়ত আমি আৰু মিতব্যয়িতাৰ দিশেৰে গতি কৰিম। যাতে আমি সঞ্চয় কৰা পুজিৰে আমি ৰাজ্যৰ জনতাৰ নিশ্চিত ভাবে সকাহ দিব পাৰো। বাজেটৰ সময়ত দেশৰ পৰিৱেশৰ লগত লাগি আমিও প্ৰচেষ্ট কৰিম যাতে আমাৰ ৰাজ্যৰ জনতাক আমি সকাহ দিব পাৰো। মূল্যবৃদ্ধিৰ বিষয়তো ইয়াত আলোচনা হৈছিলে । ইতিমধ্যে আমি **Price Monitoring Mechanism** কৰিছো। সদনত মই জনাব খুজিছো যে আমি ২০ মাৰ্চ ২০২৬ ৰ বয়বস্তুৰ যি দাম আছিল তাৰ লগত আমি তুলনা কৰি কতো যাতে চোৰাং ব্যৱসায় হব নোৱাৰে, কোনো ব্যৱসায় যাতে অতিৰিক্তভাবে দাম লব নোৱাৰে তাৰ বাবে আমি কাম কৰি আছো আৰু কিছু কিছু ক্ষেত্ৰত আমি অকনমান অকনমান পৰিবৰ্তন দেখা

পাইছো । যেনেকৈ আমাৰ ৰাইজত ২০ মাৰ্চ ২০২৬ ত চাউলৰ দাম ৩৭.৭৫ টকা আছিলে **Average retail price** এতিয়া ৩৭.৮২ টকা হৈছো মগু দাইলক ১০৮.২১ টকা আছিলে, এতিয়া ১০৮.৯৬ টকা হৈছে। মচুৰ দাইল ৮৮.৮৩ টকা আছিলে, এতিয়া ৮৯.৭৫ টকা লৈকে গৈছে । চেনী ৪৮.৫০ টকা আছিলে, এতিয়া৪৮.৭০ টকা হৈছো কম বেছি পৰিমানে নিশ্চিতভাবে অকনমান পৰিবৰ্তন হৈছে । কিন্তু অসমত এতিয়াও অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক প্ৰভাৱ পৰা নাই কিন্তু বৰ্তমান পেট্ৰল ডিজেলৰ দাম বৃদ্ধিৰ পিছত কিছু যে প্ৰভাৱ নপৰিব তাকো মই নিশ্চিতভাবে অস্বীকাৰ কৰিব বিচৰা নাই। কিন্তু চৰকাৰে আমি সকলো ক্ষেত্ৰতে সজাগ হৈ থাকিম, সচেতন হৈ থাকিম , আমি মিতব্যয়ি হম যাতে আমি আমেৰিকা আৰু ইৰাণৰ যুদ্ধৰ প্ৰভাৱৰ পৰা আমাৰ ভাৰতবাসী অসমবাসী আমি যিমান পাৰো ৰক্ষা কৰিব পাৰো৷ বিশ্বৰ অৰ্থনীতিৰ বাবে যোৱা ৩ মাহ অন্তত বেয়া দিন আছিলে, আমি আশা কৰো প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ প্ৰচেষ্টা আমি নিশ্চিতভাবে এই বেয়া দিনৰ পৰা আতৰি আহিব পাৰিম আৰু ৰাজ্যৰ জনতাক সকাহ দিব পাৰিম। আমি অসমত এটা **price stabilization fund** কৰিব খুজিছো যাতে কৰবাত কৰবাত ব্যৱসায়ীক সকলে বেছি দাম ললে চৰকাৰে যাতে সেই দামত **stabilize** কৰিব পাৰে৷ অহা বিধান সভাত যেতিয়া চৰকাৰে বাজেট আনিব এই দিশ বিলাকৰ ওপৰত সদনত আস্বস্থ কৰি কেইবাটাও কাৰ্য্যব্যৱস্থা সন্মুখলৈ লৈ

অহাৰ বাবে মই প্ৰচেষ্টা কৰিম। আমাৰ যিহেতু জুলাই মাহৰ প্ৰথম সপ্তাহতে বাজেট অধিবেশন হব তেতিয়া আমি নতুন বাজেট আনিম ৰাজ্যৰ জনতাক সকাহ দিয়াৰ বাবে নিশ্চিতভাবে প্ৰচেষ্টা কৰিম। পুনৰবাৰ প্ৰত্যেক গৰাকী সদস্যকে আকৌ এবাৰ অভিনন্দন জনাই ৰাজ্যপালক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো৷

**ড০ আছিফ মোঃ নাজাৰ, লাহৰীঘাট ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লিফলেটৰ কথা উল্লেখ কৰিছে।**

**মাননীয় অধ্যক্ষঃ Please sit down.**

**ড০ আছিফ মোঃ নাজাৰ, লাহৰীঘাট ঃ মোক কব দিয়ক ডাঙৰীয়া।**

**মাননীয় অধ্যক্ষঃ Please sit down. আপুনি অনুমতি লৈছে নেকি ?**

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ কিহৰ লিফলেট? আপোনাৰ ঘৰত আছিলে নেকি লিফলেটখন ? এইটো ইতিমধ্যে কেচ চলি আছে । আপুনি বনাইছে নেকি ? অধ্যক্ষ মহোদয় যিহেতু সদনত কথাটো ওলাইছে দিশপুৰ থানাত ইয়াৰ ওপৰত এটা গোচৰ চলি আছে। এচ. পি মহোদয়ক মই আজিয়ে আপোনাৰ ঘৰত আহিব কম আপুনি ষ্টেটমেন্ট দি দিব।**

**মাননীয় অধ্যক্ষঃ সন্মানীয় সদন আমাৰ** Leader of the House, Dr. Himanta Biswa Sarma **ডাঙৰীয়া তেখেতৰ বক্তব্যৰ প্ৰথম অংশত এটা সুন্দৰ অনুভূতিৰ কথা কৈছিলে যে- লোকসভাত ৰাষ্ট্ৰপতিৰ ভাষণ কোনেও বৰ্জন নকৰে** , **সকলোৱে শুনে৷ তাৰ পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত বিতৰ্কত অংশগ্ৰহন কৰে। আগন্তুক দিনতো আমি ইয়াতে ৰাজ্যপালৰ ভাষণ শুনো কিন্তু বৰ্জন নকৰো । এই বিষয়তোৰ ওপৰত আমি আগন্তুক দিনত বি এ চি মিটিংত আলোচনা কৰিম । এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন আপুনি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আৰু কিবা কবলগীয়া আছে নেকি** ?

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিধান সভাত উত্থাপন কৰা ধন্যবাদসূচক প্ৰ স্তাৱৰ ওপৰত দীৰ্ঘ সময় ধৰি বিধান সভাত আলোচনা হল যথেষ্টখিনি যোগাত্মক আলোচনা হল, বিধায়ক সকলে গোটেই বিষয়ৰ ওপৰত বিশেষকৈ অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো বিষয়ৰ ওপৰত খুব গুৰুত্বসহকাৰে ব্‌ক্তব্য ৰাখিলে। মই সকলোকে ধন্যবাদ জনাইছো আৰু বিশেষকৈ সামাৰণি সদনৰ নেতা সন্মানীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি দিশ নিৰ্ণয় কৰি আৰু অত্যন্ত গুৰুত্বপূৰ্ণ বক্তব্য ৰাখিলে এই বক্তব্যই অসমৰ ইতিহাসত এটা নজিৰ ৰাখি যাব মই সকলোকে ধন্যবাদ**

**জনাইছো আৰু আশা কৰিছো যে এই প্ৰস্তাৱ যি সকলোৱে বিৰোধীতা কৰিছিলে তেওলোকে প্ৰত্যাহাৰ কৰিব আৰু সদনে এই প্ৰস্তাৱ গৃহীত কৰিব এইখিনকে কৈ মই বক্তব্যটো সামৰণি মাৰিছো৷ ধন্যবাদ।**

**মাননীয় অধ্যক্ষঃ মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়াই উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কত সংশোধনীৰ বাবে তিনিখন সংশোধনী প্ৰস্তাৱৰ জাননী পোৱা হয় আৰু সদনত তিনিখনে উত্থাপিত হয় । সংশোধনী প্ৰস্তাৱৰ প্ৰথমখন জাননী মাননীয় সদস্য ৱাজেদ আলী চৌধুৰী আৰু তেওৰ সতীৰ্থ সদস্য, দ্বিতীয়খন শ্ৰী অখিল গগৈ আৰু তৃতীয়খন শ্ৰী শ্বেৰমান আলী আহমেদৰ নামত আছে। মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী, আপোনালোকৰ সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব নে** ?

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰসিংজৰুৱা ঃ অধ্যক্ষ মহোদয়, আমাৰ সংশোধনীৰ ক্ষেত্ৰত বিশেষকৈ মূল্যবৃদ্ধিটো আছিলে বেছি গুৰুত্বপুৰ্ণ। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে সদনত যিহেতু সদনত আশ্বাস দিছে মুল্যবৃদ্ধি নিয়ন্ত্ৰন কৰিবলৈ সক্ষম হব গতিকে আমি আমাৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।**

**মাননীয় অধ্যক্ষঃ মাননীয় সদস্য শ্ৰী অখিল গগৈ। তেখেত অনুপস্থিত । গতিকে এতিয়া মাননীয় সদস্য শ্বেৰমান আলী আহমেদ  আপুনি আপোনাৰ সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবনে** ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়া ঃ মাননীয় অধ্যক্ষ মহোদয়**, **মই প্ৰত্যাহাৰ কৰাৰ আগতে মুখ্যমন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব খুজিছো আৰু মই তথ্যহীন ভাবে এই পবিত্ৰ সদন এইটো কথাও স্বীকাৰ কৰিবলৈ অকনো কুণ্ঠাবোধ নকৰো যে আমাৰ মুখ্যমন্ত্ৰী মহোদয় যথেষ্ট মেধা সম্পন্ন যথেষ্ট ৰাজনৈতিক ভাবে বিচক্ষণ আৰু তেওৰ এটা সপোন আছে অসমক ভাৰতবৰ্ষৰ ভিতৰত ১ নং বা কোনোবা পৰ্য্যায়লৈ লৈ যোৱা। মই ভাবো তেখেতৰ মেধা**, **যিখিনি বিচক্ষন্নতা**, **যিখিন কৰ্মদক্ষতা তেখেতে এই খিনি পাৰিব। মাত্ৰ তেখেতক মই এটা অনুৰোধ জনাব খুজিছো যে যদিহে অসমৰ জনসংখ্যা এক তৃতীয়াংশ মানুহৰ প্ৰতি সমদৃষ্টি দিয়া নহয়**, **আপুনি ইতিমধ্যে সংবিধানৰ নামত শপত লৈছে**, **কাৰো প্ৰতি কোনো ধৰণৰ বিদ্বেশ নোহোৱাকৈ সকলোৰে প্ৰতি সমান ব্যৱহাৰ কৰাৰ কৰাণে শপত লৈছে আৰু আপুনিও এইটো ভালকৈ জানে যে অসমৰ** এক তৃতীয়াংশ মানুহ যদি পিছ পৰি থাকে অসমখন কেতিয়াও ভাৰতৰ ভিতৰত এক নম্বৰ ৰাজ্য হ'ব নোৱাৰে। আজি যি

MRR ৰ কথা কৈছে, যদি এটা অঞ্চল পিছপৰি নাথাকিলেহেঁতেন , এটা জনগোষ্ঠীৰ মানুহ যদি পিছ পৰি নাথাকিলেহেঁতেন তেতিয়াহ'লে MRR বহু তললৈ নামি আহিলেহেতেঁন। মই আৰু বিশেষ ক'ব খোজা নাই। অনাগত দিনত যাতে আমি ভাইয়ে ভাইয়ে কাজিয়াৰ সৃষ্টি নকৰি ককাই- ভাই হৈ কান্ধত কান্ধ মিলাই আমাৰ অসমখনৰ জয় গান গাব পাৰো । আমাৰ অসমখনক আগবঢ়াই লৈ যাব পাৰো , তাৰ কাৰণে আপোনাক অনুৰোধ জনাই মই মোৰ প্ৰস্তাৱ উইড্ৰ' কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সংশোধনী প্ৰস্তাৱকেইটা প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছেনে , 'সপেক্ষ' থকাসকলে কওক 'হয়' , প্ৰত্যাহৰৰ 'বিপক্ষে' থকাসকলে কওক 'নহয়' , মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰা হ'ল। মই এতিয়া মাননীয় বিশ্বজিৎ ফুকনে ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱটোলৈ আহো। মূল প্ৰস্তাৱটো হৈছে ২০২৬ চনৰ ২২ মে তাৰিখে ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ কাৰণে এই অধিবেশনত সমবেত হোৱা অসম বিধান সভাৰ সদস্যসকলে তেখেতৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰস্তাৱৰ 'সপেক্ষ' থকাসকলে কওক 'হয়' , প্ৰত্যাহৰৰ 'বিপক্ষে' থকাসকলে কওক 'নহয়' , মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, সদনত প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া চৰকাৰী সংকল্প প্ৰস্তাৱ ,কাৰ্যসূচী নং-৫ – এতিয়া চৰকাৰী সংকল্প প্ৰস্তাৱৰ ওপৰত সাধাৰণ আলোচনা।

এতিয়া মাননীয় সদস্য-সদস্যাসকলে প্ৰস্তাৱটোৰ ওপৰত আলোচনা কৰিব পাৰিব যদি আলোচনা থাকে। এতিয়া মাননীয়া সদস্যা নিচ' তেৰাংপী। You can speak and your allotted time seven minutes.

**শ্ৰীমতী নিচ' তেৰাংপী, ডিফু** ঃ Thank you hon'ble Speaker Sir, for giving me this golden opportunity. First of all I would like to thank Hon'ble Chief Minister , Dr. Himanta Biswa Sarma and also congratulate him for his second term being as Chief Minister of Assam. Hon'ble Speaker Sir,

মই আজি বহুত সুখী। মাননীয়া মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যিটো বিল আজি সদনত উত্থাপন কৰিছে Women reservation Bill এই বিলখন মই এশ শতাংশই চাৰ্পোট কৰো। বিধান সভাৰ সকলো অনাৰেবল্ এম এল এক মই অনুৰোধ কৰিছো যে সকলো যাতে এশ শতাংশই এই বিলখন চাৰ্পোট কৰে । কাৰণ ইয়াত কেৱল কেইগৰাকীমান মহিলাৰ কথা নহয় , ইয়াত সমগ্ৰ অসমৰ মহিলাৰ কথা আহি যায়। মই কাৰ্বি আংলঙ বা মোৰ সমষ্টিৰ হৈ নহয় মই সকলো মহিলাৰ হৈ বক্তব্য ৰাখিব বিচাৰিছো। – আমাৰ মহিলাসকল পাকঘৰকে ধৰি ঘৰ বা পৰিয়াল চলোৱাত কেনেধৰণে মুখ্য ভূমিকা গ্ৰহণ কৰে এইটো সকলোৱে দেখা পাই আছে। পৰিয়াল চলোৱাৰ লগে লগে পাৰ্লিয়ামেন্ট বা এচেমব্লীতো আমাৰ মহিলাসকলে সৰল

ভূমিকা পালন কৰিব পাৰে বুলি মই ব্যক্তিগতভাৱে বিশ্বাস কৰো। এইক্ষেত্ৰত আমি মহিলাসকলে কোনো sympathy নিবিচাৰো , আমিও সমান্তৰালভাৱে participate কৰিব বিচাৰো । অনাৰেবল্ স্পীকাৰ ছাৰ, মোক বক্তব্য ৰাখিবলৈ সুযোগ দিয়া বাবে পুনৰ ধন্যবাদ জনাইছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে যিটো Women reservation Bill উত্থাপন কৰিছে এইটো অসম বিধান সভাত এটা ইতিহাস সৃষ্টি কৰিব বুলি মই আশা কৰিছো। ইয়াৰ লগতে মই delimitation ও হ'ব বুলি মই আশা কৰিছো কাৰণ পপুলেশ্যন হিচাপত যদি আমি চাবলৈ যাওঁ – আগতে ভাৰতত আছিল 350 Million কিন্তু এতিয়া 1.4 Billion হৈ গ'ল । গতিকে জনসংখ্যা অনুসৰি সংখ্যা বৃদ্ধি কৰিবই লাগিব নহ'লে সমান্তৰালভাৱে আমি সমষ্টিত চুকে-কোনে চকু দিব নোৱাৰো। ডিলিমিটেশ্যন হ'লে আমি সমষ্টিৰ চুকে-কোনে সমানে চকু ৰাখিব পাৰিম আৰু ঠিক সেইদৰে আমি ডেভল'পেমন্ট কৰিব পাৰিম। Women reservation হ'লে আমি মহিলাসকলে আমাৰ ভইচটো ৰেইজড কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়ক পুনৰ ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া শ্ৰীমতী বেবী বেগম।

**শ্ৰীমতী বেবী বেগম, ধুবুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে পবিত্ৰ সদনত বিৰোধী পক্ষৰ একমাত্ৰ মহিলা হিচাপে মতামত দাঙি ধৰাৰ সুযোগ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। এগৰাকী মহিলা জনপ্ৰতিনিধি হিচাপে ৰাজ্যত নাৰীসকলে ভূগী থকা সমস্যাসমূহৰ বিষয়ে এই সদনত দাঙি ধৰাটো মোৰ নৈতিক দায়িত্ব। অসমৰ মহিলাসকলৰ বিৰুদ্ধে চলি থকা আৰু বৃদ্ধি পোৱা অপৰাধসমূহৰ পৰিসংখ্যাৰ আৰত আছে এগৰাকী কণ্যা এগৰাকী মাতৃ আৰু এগৰাকী ভগ্নীৰ সুৰক্ষা আৰু মৰ্যদা সংকটত পৰিছে। মাননীয় অধ্যক্ষ মহোদয় NCRB Crime in India 2024 প্ৰতিবেদন অনুসৰি অসমৰ মূঠ ১০,৫৪৪ গৰাকী মহিলাৰ অপৰাধৰ ঘটনা নথিভূক্ত হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত সৰ্বাধিক আৰু দেশৰ ভিতৰত অসমৰ প্ৰায়৮০ শতাংশ ঘটনা সংঘটিত হৈছে। মোৰ ধুবুৰী জিলাতো ৬১৫ টা ঘটনা নথিভূক্ত হৈছে। চৰকাৰী সদায় দাবী কৰি আহিছে যে, ৰাজ্যৰ আইন শৃংখলা উন্নত হৈছে। যদি সঁচাকৈয়ে আইন শৃংখলা উন্নত হৈছে তেনেহ'লে অসমত প্ৰতি বছৰে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ এতিয়াও শীৰ্ষত আছে। কিয় সীমান্তৱৰ্ত্তী ৰাজ্যসমূহতো মানুহৰ সৰবৰাহ বৃদ্ধি হৈছে। আজিও গাওঁ চহৰকে ধৰি চাহ বাগিছা আৰু চৰ অঞ্চলৰ মহিলাসকলে নিজকে সুৰক্ষিত বুলি নাভাবে। কিয় থানাসমূহত আজিও মহিলাসকলৰ বাবে ভয় আৰু অসূবিধাৰ সন্মূখীন হৈ আছে।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, মহিলা ও শিশু উন্নয়ণ ইত্যাদি ঃ** সভাপতি মহোদয়, আজি অকল ৰিজ'লিউশ্যনৰ ওপৰতেহ ক'ব লাগে। সাধাৰণ বক্তব্য পিচতো দিব পাৰিব।

**শ্ৰীমতী বেবী বেগম, ধুবুৰী ঃ** সভাপতি মহোদয়, মহিলা সৱলীকৰণ আৰু বিকাশৰ কাৰণে কংগ্ৰেছ নেতৃত্বধীন চৰকাৰে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছিল। পঞ্চায়তী ৰাজত ৩৩ মহিলাৰ বাবে সংৰক্ষণ কৰিছিল। ৭৩ সংখ্যক সংবিধান সংশোধনত চৰকাৰে মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণ কৰিছিল । আৰু ৰীতি নীতি নিৰ্ধাৰনত পোনপটীয়া ভূমিকা পালন কৰাৰ সূযোগ লাভ কৰিছে। মই ক'ব বিচাৰিছো যে, ৩৩ শতাংশ মহিলা সংৰক্ষণৰ বাবে যিখন বিল আনিব বিচাৰিছে মই সমৰ্থন কৰিছো কিন্তু ডিলিমিটেশ্যনৰ পিচত নহয় , আজিয়ে কৰক আমি সকলোৱে সমৰ্থন কৰিম । আজি ধুবুৰীবাসী ৰাইজে এই পবিত্ৰ সদনত দুআষাৰ কথা েকাৱাৰ বাবে মোক যি দায়িত্ব অৰ্পণ কৰিছে তাৰ বাবে মই ধুবুৰীবাসী ৰাইজক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো লগতে মোক কবলৈ সূযোগ দিয়া বাবে অধ্যক্ষ মহেদায়ক ধনবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় সভাপতি, শ্ৰী ওৱাজেদ আলী চৌধুৰীঃ** এতিয়া মাননীয় বিধায়িকা শ্ৰী মতী দ্বীপ্তিময়ী চোধুৰী । আপোনাৰ সময় ৬ মিনিট ।

**শ্ৰী মতী দ্বীপ্তিময়ী চোধুৰী, বঙাইগাওঁ**ঃ পোনপ্ৰথমে মই এই আমাৰ বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো আৰু অসম মন্ত্ৰী সভাৰ মাননীয় মন্ত্ৰী শ্ৰী অজন্তা নেওগ ডাঙৰীয়ানীক তেওঁ যি প্ৰস্তাৱ সংকল্প প্ৰস্তাৱ আগবঢ়াইছে তেখেতক সেই প্ৰস্তাৱ দিয়াৰ বাবে ধন্যবাদ জনাইছো । আজি আমি এনেকুৱা এটা প্ৰস্তাৱৰ কথা উল্লেখ কৰিবলৈ ওলাইছো । এই প্ৰস্তৱটো ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই তেওঁ সংসদত উত্থাপন কৰিছিলে কিন্তু সেই সংসদত উত্থাপন কৰা প্ৰস্তাৱটো সংসদত কংগ্ৰেছকে আদি কৰি যি সকল বিৰোধী আছে তেওঁলোকৰ বাবেই এই প্ৰস্তাৱটো পাছ নহ'ল । গতিকে অতি দুখৰ বিষয় আমি যিহেতু কংগ্ৰেছকে আদি কৰি যিসকল সংসদৰ সদস্যসকলে বিৰোধিতা কৰিছে তেওঁলোকক আজি মই এই বিধান সভাৰ মজিয়াৰ পৰা ধিক্কাৰ দিছো । আজি দেখা গৈছে আমাৰ অসমৰ মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ মহিলাৰ কাৰণে যি উন্নয়নমূলক কাম কাজ বিলাক কৰি আছে সেইবিলাক দৃষ্টিগোচৰ হৈছে আৰু ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ উন্নয়নৰ কাৰণে যথেষ্ট উন্নয়নমূলক আঁচনি সমূহ দিছে আৰু সেইবিলাক তেখেতে আগবঢ়াই নিছে । তথাপিতো মহিলাক আগবঢ়াই নিবৰ কাৰণে ৰাজনৈতিকভাৱে আগবঢ়াই নিবৰ কাৰণে আৰু অধিক যাতে আগবাঢ়ি যাব পাৰে তাৰ বাবেও এই বিলখন আজি এই বিধানসভাৰ মজিয়াত আমি আলোচনা কৰিবলৈ ওলাইছো । আজি দেখা গৈছে আমাৰ বৰ্তমান অসমকে আদি কৰি অন্যান্য যিবিলাক জিলা পৰিষদৰ সদস্য দেখা গৈছে অধিক সংখ্যক মহিলা তাত একোজন জিলা মুৰব্বী হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে । থিক তেনেকৈ আঞ্চলিক পঞ্চায়তো মহিলাসকল যথেষ্ট আগবাঢ়ি আছে ৰাজনৈতিকভাৱে আৰু দেখা গৈছে গোটেই ভাৰতৰ যদি আমি এটা সমীক্ষা চলাও তাতো দেখা পাওঁ আমাৰ মহিলাসকল ৰাজনৈতিকভাৱে পৰিপক্ক হৈ আছে । কিন্তু এইখন ৰাজনৈতিকভাৱে আৰু অধিক আমাৰ মহিলাসকল আগবাঢ়ি যাব পাৰে তাৰ বাবে এই বিলখন যিহেতু পাছ নহ'ল আজি সেইবাবে এইখন আলোচনা আগবঢ়া হৈছে । মোৰ আৰু এই প্ৰস্তাৱটোত মোৰ ফালৰ পৰা পুৰ্ণ সমৰ্থন আছে । মই আশা কৰিম যাতে এই প্ৰস্তাৱটো পাছ হৈ গৈ আমি প্ৰত্যেক ৰাজ্যৰ বিধান সভা সমূহৰ পৰা পাছ হৈ গৈ পেলাই এই প্ৰস্তাৱটো

গৃহীত হয় । মই আশা কৰিছো আমাক মহিলা সকলক এটা সকলোৱে সেৱ জ্ঞান কৰাৰ নিচিনা হৈ থাকে আমি দেখা পাওঁ আমাৰ এটা সাধাৰণ প্ৰবচন আছে লাও যিমানেই ডাঙৰ নহওক কিয় তেওঁ পাতৰ তলত থকা বুলি কোৱা হয় । কিন্তু এই কথাটো অলপো সত্য নহয় আৰু এই কথাবিলাক এতিয়া আৰু আলোচনা নহয় । এতিয়া মহিলাসকল যথেষ্ট ৰাজনৈতিকভাৱে পৰিপক্ক হৈ আছে । গতিকে মহিলা সকলে এই প্ৰস্তাৱটোৰ সকলো বিধান সভাৰ সদস্যই হওক সদনৰ সদস্যই হওক সকলোৱে তাত সমৰ্থন জনাই পাছ কৰিব লাগে । আমি যদি ইতিহাস চাও তেতিয়াহলে ভাৰতৰ যি সকল আগৰ এতিয়াও মুখ্যমন্ত্ৰী আছে ভাৰতৰ প্ৰায় ১২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী মহিলা দেখা গৈছে । গতিকে তেওঁলোকে ৰাজনৈতিকভাৱে যথেষ্ট দক্ষ আৰু পাৰদৰ্শী । গতিকে তেনেকুৱা ক্ষেত্ৰত দেখা গৈছে মহিলাসকলৰ এনেকুৱা এটা সন্মানৰ অধিকাৰী হ'ব লাগে মই বিচাৰো এই বিলখন পাছ হ'ব লাগে । তাৰ পিছত দেখা যায় যদি আমাৰ অসমৰ স্বাধীনতা সংগ্ৰামৰ কথাই কওঁ তেতিয়াহলে আমাৰ অসমৰ যদি ১০ জন স্বাধীনতা সংগ্ৰামীৰ নাম লওঁ তেতিয়াহলে আমি তিনিজনী মহিলাৰ নাম আমি সদায় লবই লাগিব । প্ৰধানকে কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী আৰু তাৰ পিছত আমাৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বাইদেউ । গতিকে যথেষ্ট পৰিপক্ক মহিলা আছিল আৰু এতিয়াও আছে আৰু আমি এতিয়া মহিলা এই বিলখন যাতে আমাৰ পাছ হয় তাৰ কাৰণে আমি আশা কৰিছো আৰু আগন্তুক দিনত যাতে আমাৰ মহিলা সদায় আগবাঢ়ি যাব পাৰো তাৰ বাবে আমি সদায় আমাৰ ফালৰ পৰা ৰাজনৈতিকভাৱে সকলোৱে যাতে সমৰ্থন কৰে তাকে মই আশা কৰিছো । আজি ভাৰতৰ যি সকল ৰাজ্যত আমাৰ মহিলাসকল নিৰ্যাতিত হৈ আছে সেই সকল মহিলাকো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই বিলখন পাছ হলে নিশ্চয় আৰু অধিক লাভৱান হ'ব আৰু এইথিনিকৈ কৈ মোৰ বিধান সভাৰ চমু ভাষণ সামৰিছো আৰু মোক এইথিনি কবলৈ দিয়াৰ বাবে সকলোকে ধন্যবাদ জনাইছো । নমস্কাৰ

**মাননীয় সভাপতি, শ্ৰী ওৱাজেদ আলী চৌধুৰীঃ** এতিয়া মাননীয় বিধায়িকা শ্ৰীমতী নীলিমা দেৱী । আপোনাৰ সময় ৬ মিনিট ।

**শ্ৰীমতী নীলিমা দেৱী (মঙলদৈ)**ঃ সন্মানীয় অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ সদন । আজি মোক এই বিষয়টোৰ ওপৰত ৩৩ শতাংশ মহিলা সংৰক্ষণৰ ক্ষেত্ৰত যিটো বিষয় মাননীয় অজন্তা নেওগ বাইদেউৱে উত্থাপন কৰিছিল তাতো এই বিষয়ৰ ওপৰত মোক কবলৈ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো । অতি দুখৰ আৰু পৰিতাপৰ বিষয় যদি আমি চাবলৈ যাও যোৱা ১৭ এপ্ৰিল তাৰিখে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে এই বিলখনৰ ওপৰত উত্থাপন কৰিছিল । কিন্তু তাত এনেকুৱা এটা পৰিৱেশ সৃষ্টি হ'ল যিটো আচলতে তাত হুলস্থুলীয়া পৰিবেশ তাত যদিও উপস্থিত নাছিলো এইখিনি আমি শুনাই নহয় টিভিত দেখিবলৈ পাইছে । সেই পৰিবেশটো এনেকুৱা হৈ গ'ল তাত নাৰী জাতি অপমান কৰা দেখা গ'ল । ৰাজনৈতিকভাৱে যদি মহিলাসকল উত্থান হয় তাত এচাম ব্যক্তিৰ কিবা লোকচান হ'ব নেকি এনেকুৱা ধৰণৰ এটা প্ৰশ্ন আহি পৰিল । কিন্তু যদি আমি দেখিবলৈ যাও দীৰ্ঘদিন ধৰি ৰাজনীতিৰ পথাৰত মহিলাৰ অংশগ্ৰহণ কিছু কম আছিল । কিন্তু আজি কিছুদিন ধৰি আমি চাবলৈ যাও ৰাজনীতিত মহিলাসকলৰ অংশগ্ৰহণ যথেষ্টখিনি দেখিবলৈ পাওঁ । পঞ্চায়তত বা পৌৰসভাত আমি ৫০ শতাংশ কৈ ৫০-৫০ যদি ১০ টা চিট আছে তাত ৫ টা মহিলাৰ কাৰণে সংৰক্ষণ থাকে । কিন্তু লোকসভা বা বিধানসভাত এতিয়ালৈকে কিয় সংৰক্ষণ কৰা নহ'ল আৰু ৩৩ শতাংশ সংৰক্ষণ ইয়াৰ ক্ষেত্ৰত কৰিব পৰা যায় বুলি মোৰ এটা বিশ্বাস আছে । গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰে মহিলাসকলক সুবিধা দিয়াৰ কাৰণে যিটো পদক্ষেপ লৈছিল কংগ্ৰেছকে ধৰি তেওঁলোকৰ সহযোগী দল বিলাকে কিয় বিৰোধ কৰিছে মই নাজানো ? অকল ভাৰতীয় জনতা পাৰ্টিৰ লগত থকা ৰাজনৈতিক মহিলা সকলৰ ক্ষেত্ৰত এইটো সুবিধা হ'ব নেকি ? গোটেই ভাৰতবৰ্ষৰ লগত যিমান ৰাজনৈতিক মহিলা আছে সকলো ৰাজনৈতিক দলৰ লগত জড়িত হৈ থকা মহিলাৰ এই ক্ষেত্ৰত সুবিধা হলহেতেন । কিন্তু আকৌ ইয়াৰ মাজতে মই এটা কথা কও আজি যিখন বিল উত্থাপন কৰা হ'ল মহিলাসকলৰ কাৰণে ৩৩ শতাংশ সংৰক্ষণৰ ক্ষেত্ৰত থিক সেই বিষয়টো আলোচনা হোৱাৰ লগে লগে আমাৰ পুৰুষ সকল ইয়াৰ পৰা উঠি যোৱা মই দেখিবলৈ পালো । অকণমান

ধৈৰ্য্য সহকাৰে তেওঁলোকে যদি আমাৰ এই বিষয়টো সহযোগ কৰিলেহেতেন কোন দলৰ কি কথা সেইটো মই কবলৈ নাযাও । মোৰ অন্তত এগৰাকী আজি আমি ইয়াত যিমানখিনি প্ৰতিনিধি আছো ইয়াত ভিতৰত কিন্তু মহিলাৰ সংখ্যা কম অন্তত মহিলাৰ মনৰ কথাখিনি এবাৰ যদি তেওঁলোকে ইয়াত আমাৰ লগত বহি শুনিলে হেতেন মই নথৈ আনন্দিত হলোহেতেন । গতিকে এইখিনি মই কবলৈ বিচাৰিছো তাৰ বাবে কোনেও যাতে মোক এনেকৈ কোৱাৰ বাবে বেয়া নাপায় । মহিলা সংৰক্ষণ বুলি কওতে ৰাজনৈতিকভাৱে যদি মহিলাসকলক আসন সংৰক্ষণ কৰিবলৈ দিয়া হয় তেতিয়াহলে মহিলাসকলৰ কিছুমান বিষয়ৰ আচলতে স্বাস্থ্যৰ ক্ষেত্ৰত হওক শিক্ষাৰ ক্ষেত্ৰত বা শিশু কল্যাণৰ ক্ষেত্ৰত মাত মতাৰ অধিকাৰ থাকিব । এইখিনি যদি কৰা যায় তেতিয়াহলে মহিলাসকলে বহুতখিনি অভিজ্ঞমূলক আজি চাওক মহিলা উদ্যমিতাৰ জৰিয়তে মহিলাসকলক স্বাৱলম্বীৰ কাৰণে চিন্তা কৰা হৈছে । নিশ্চয় তাৰমানে তাৰমাজত কোনোবা উপযুক্ত মহিলা ৰাজনীতিক মহিলা আছে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত হয়তো কৰোবাত ক্ৰুটি হৈছে । কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰখনে ইমান মাত মতাৰ পিছতো বিৰোধী দলে কিয় ইয়াত বিৰোধ কৰি আছে মই বুজি নাপাও । ১৯৭১ চনত চেনচাছৰ পিছত ১৯৭২ চনত ডিলিমিটেচনৰ ব্যৱস্থা হৈছিল তেতিয়া আছিল কংগ্ৰেছৰ চৰকাৰ । তেতিয়াই কিন্তু এইটো এই ৩৩ শতাংশ মহিলাৰ যিটো বিল এইখন গ্ৰহণ কৰিব পৰা গ'লহেতেন । তেতিয়া তেওঁলোকৰ দিনত নকৰিলে । প্ৰধানমন্ত্ৰী মহোদয়ে সৌ সিদিনা যোৱা ১৭ তাৰিখে উত্থাপন কৰাটো তেওঁলোকে বিৰোধ কৰিলে তাৰ মানে কি তেওঁলোকে ক্ষমতাত থাকোতে তেওঁলোকে একো নকৰিলে । আজি তেওঁলোকে বিৰোধীৰ আসনত থাকিও তাক বিৰোধ কৰিছে তাৰ মানে মহিলাসকলক নাৰী শক্তিক তেওঁলোকে অপমান কৰিছে আৰু আগুৱাই যাব দিব নিবিচাৰে । তেওঁলোকে প্ৰত্যেকটো ক্ষেত্ৰত যদি সঁচাকৈ তেওঁলোকে ভাৰতীয় নাগৰিক হয় ভাৰতৰ সুৰক্ষাৰ ক্ষেত্ৰত যিখন প্ৰস্তাৱ লোৱা হৈছিল ৩৭০ ধাৰাৰ যিটো আইন বা সেইখনৰ ক্ষেত্ৰত যিটো প্ৰস্তাৱ গ্ৰহণ তাতেও বিৰোধ কৰিলে । অপাৰেচন সেন্দুৰৰ সময়ত বিৰোধ কৰিলে , তিনি তালাকৰ সময়ত বিৰোধ কৰিলে । বিৰোধীৰ আসনত থাকিল বুলিয়ে যে প্ৰত্যেকটো ক্ষেত্ৰত বিৰোধ কৰে

তেতিয়াহলে শোভা নাপায় আচলতে । মই ভাবো নিশ্চয় আমি একেলগে থাকি যিটো আমাৰ দেশৰ সুৰক্ষাৰ কাৰণে মহিলা শক্তিক আগুৱাই লৈ যোৱাৰ কাৰণে যিটো ব্যৱস্থা লোৱা হ'ব আমি একেলগে কাম কৰাৰ কাৰণে য'ত সুবিধা পাম তেনেকুৱা এখন বিলত তেওঁলোকে অন্তত অলপমান চিন্তা কৰি চায় তেওঁলোকৰ ৰাজনৈতিক দলৰ লগত বহুত মহিলা আছে । তেওঁলোকক অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত যাতে চৰকাৰখনক সহায় কৰে তাৰ কাৰণে মই অনুৰোধ জনাইছো । আজি চাওক আমি পাকঘৰতে নাৰী শক্তি অকল ৰান্ধনী শালতে আবদ্ধ থাকিম নেকি ? আজি যদি চাওঁ, সেই ৰাতিপুৱা দৰ্জাৰ খিলিডাল খোলাৰ পৰা ৰাতি দৰ্জাৰ খিলিডাল মৰালৈকে মহিলাসকলে চম্ভালে। গোটেই পৰিয়ালটো ইমান সুন্দৰকৈ চলোৱাৰ পিছত আজি যিসকল মহিলা ৰাজনৈতিকভাৱে জড়িত হৈ পৰিছে, সেই মহিলাসকলক আগুৱাই নিয়াৰ চিন্তা-চৰ্চা তেওঁলোকে কিয় কৰা নাই এইটো এটা বৰ চিন্তনীয় বিষয় । বৰ্তমান সমাজত লিংগ বৈষম্য কেতিয়াও নাই। আমি কৈছো পুৰুষ মহিলা সমান। আমাৰ ছোৱালী সন্তান আৰু ল'ৰা সন্তান একে সমান বুলি কৈছো। কিন্তু তাৰ পিছতো কিছুমান ক্ষেত্ৰত এনেধৰণে কিয় লিংগ বৈষম্যক বেছিকৈ অগ্ৰাধিকাৰ দিয়া হ'ল মই বুজি নাপালো। মাননীয় সভাপতি মহোদয়, এইখন সদনত মই সকলোকে আহ্বান জনাওঁ যে আমি যদি একেলগে এই কামখিনি কৰিব পাৰো তেতিয়া হ'লে মহিলা শক্তিৰ কাৰণে নিশ্চয় ভাল হ'ব। এই কথাটো গুৰুত্ব সহকাৰে ল'বলৈ মই আজি সদনত বিশেষভাৱে অনুৰোধ জনালো আৰু আজি এই সদনৰ পৰা নাৰী শক্তিক এটা আশ্বাস দিব বিচাৰো যে ভৱিষ্যতত বিধান সভা আৰু লোকসভা এই দুয়ো ক্ষেত্ৰত মহিলাৰ ৩৩% আসন সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু আমাৰ দক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া থাকোতে মহিলা সকলৰ কাৰণে চিন্তা কৰিব আৰু এই বিলখন নিশ্চয় গ্ৰহণ কৰা হ'ব বুলি মোৰ

এটা দৃঢ় বিশ্বাস আছে। মোক ক'বলৈ দিয়াৰ বাবে আন্তৰিকভাৱে ধন্যবাদ জনাই মোৰ ক'বলগীয়াখিনি সামৰণি মাৰিলো।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুদা। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় সভাপতি মহোদয়, নাৰী শক্তিক সন্মান জনাবলৈ মহিলাসকলৰ সৰ্বাংগীন বিকাশ তথা সবলীকৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে সমষ্টি সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতেই দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা তৎক্ষণাৎ কাৰ্যকৰী কৰা উচিত' বুলি চৰকাৰী প্ৰস্তাৱ উত্থাপন হৈছে এই ক্ষেত্ৰত আমাৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ স্থিতি স্পষ্ট কৰিবলৈ কিছু কথা কোৱাটো প্ৰয়োজন অনুভৱ কৰিছো। ভাৰতীয় জাতীয় কংগ্ৰেছে মহিলাসকলৰ সৰ্বাংগীন বিকাশ আৰু সবলীকৰণ নিশ্চিত কৰিবলৈ সৰ্বাত্মকভাৱে প্ৰয়াস কৰি আহিছে। ১৯৮৯ চনৰ মে' মাহত ভাৰতৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই মহিলাসকলক মৰ্যাদা দিয়াৰ কাৰণে, মহিলাসকলক পঞ্চায়তীৰাজত সংৰক্ষণ দিয়াৰ কাৰণে ভাৰতবৰ্ষৰ উভয় সদনতে মহিলাৰ ৩৩% আসন সংৰক্ষণৰ বিল উত্থাপন কৰিছিল আৰু সেই সময়ত ভাৰতীয় জনতা পাৰ্টীকে আদি কৰি বিভিন্ন ৰাজনৈতিক দলে সেই বিলৰ বিৰোধিতা কৰা কাৰণে ৰাজীৱ গান্ধী ডাঙৰীয়াৰ সেই সপোন বাস্তৱ ৰূপায়িত নহ'ল, সেই বিল সদনত পাছ কৰিব নোৱাৰিলে। তাৰ পিছত ১৯৯২ চনত, যেতিয়া প্ৰধান মন্ত্ৰী নৰসিংহ ৰাও ডাঙৰীয়া আহিলে তেতিয়া ভাৰতীয়

সংবিধানত ৭৩ তম্ আৰু ৭৪ তম্  সংশোধনী প্ৰস্তাৱ উত্থাপন  কৰিলে ।  সেই সংশোধনী প্ৰস্তাৱত নাৰীক অধিকাৰ দিয়া হৈছে যে মহিলা সকলৰ গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত ৩৩% আসন সংৰক্ষণ হৈ থাকিব তাত পুৰুষৰ কোনো অধিকাৰ নাই, তাত কেৱল মহিলাৰ অধিকাৰ থাকিব ।  সেই বিল উত্থাপন কৰোতেও ৰাজ্যসভাত বিজেপিকে ধৰি অন্য দলবিলাকে বিৰোধিতা কৰা সত্বেও সংসদৰ উভয় সদনতে এই বিল পাছ্ কৰিবলৈ সক্ষম হ'ল । এই মহিলাৰ অধিকাৰ সাব্যস্ত কৰি দিলে প্ৰধানমন্ত্ৰী নৰসিংহ ৰাও ডাঙৰীয়াৰ নেতৃত্বৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ চৰকাৰে । এইটো ভাৰতৰ এক যুগান্তকাৰী ঘটনা নহয় নেকি ? এইটোৱে নাৰীসকলৰ প্ৰতি সন্মান জনোৱা নাই নেকি?  ইয়াৰ পিছতো এই নাৰীসকলক সন্মান দিয়াৰ উদ্দেশ্যে  ১৯৯৬ চনত কংগ্ৰেছে চিন্তা কৰিলে যে পঞ্চায়তীৰাজতেই  মহিলাসকলক আৱদ্ধ কৰি ৰাখিলে নহ'ব, সংসদৰ মজিয়াত, বিধান সভাৰ মজিয়াতো মহিলাসকলক অধিকাৰ দিব লাগিব । সেই সমূহ চিন্তা কৰি সেই সময়ত কংগ্ৰেছ সমৰ্থিত সংযুক্ত মৰ্চ্চাৰ শাসনত প্ৰধান মন্ত্ৰী H.D. Deve Gowdaৰ শাসন কালত ৮১ তম্ সংশোধনী প্ৰস্তাৱ সংসদত উত্থাপন কৰা হৈছিল । সেই প্ৰস্তাৱ উত্থাপন কৰা সময়তো বিজেপি দল আৰু অন্যান্য সহযোগী দলে বিৰোধিতা কৰা কাৰণে এই প্ৰস্তাৱ গৃহীত কৰিব পৰা নগ'ল । কিন্তু ইয়াৰ পিছতো কংগ্ৰেছে সমৰ্থন কৰি থাকিলে । ১৯৯৮ চনত যেতিয়া অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া ভাৰতৰ প্ৰধান মন্ত্ৰী হ'ল,  তেখেতেও ৩৩% আসন সংৰক্ষণৰ কাৰণে  প্ৰস্তাৱ উভয় সদনতে উত্থাপন

কৰিছিল। সেইটো ভাৰতৰ সংবিধান ৮৪তম্ সংশোধনী প্ৰস্তাৱ আছিল । সেই সময়তো NDA সহযোগী দলৰ সহমত নোহোৱাৰ বাবে অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই এই আইন পাছ্ কৰিব নোৱাৰিলে । সভাপতি ডাঙৰীয়া, অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই ১৯৯৯ চনত পুনৰ ৮৫তম্ সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিলে। সেই সময়তো কংগ্ৰেছে লোকসভাত সমৰ্থন জনালে। কিন্তু তেওঁলোকৰ ভিতৰত সহমত নথকাৰ কাৰণে লোকসভাত সেই বিলখন উত্থাপনেই কৰিব নোৱাৰিলে। ২০০4 চনত UPA চৰকাৰ আৰু তাৰ পিছত ২০০৮ চনত সংসদ আৰু বিধান সভা সমূহত ৩৩% আসন সংৰক্ষণ কৰাৰ কাৰণে ১০৮তম্ সংশোধনী প্ৰস্তাৱ ৰাজ্যসভাত গৃহীত হয় কিন্তু বিজেপি সহ বিভিন্ন দলৰ ভিতৰুৱা বিৰোধিতাৰ বাবে লোকসভাত উত্থাপন কৰা নহ'ল । সভাপতি ডাঙৰীয়া, ২০২৩ চনত বৰ্তমান ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ১২৮ তম্ সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিলে আৰু এই সংশোধনী প্ৰস্তাৱত কোৱা হ'ল যে মহিলাসকলক ৰাজ্যসভা, লোকসভা আৰু বিধান সভা সকলোতে ৩৩% আসন সংৰক্ষণ কৰি দিয়াৰ প্ৰস্তাৱ উত্থাপন কৰিলে। আমাৰ কংগ্ৰেছ দলে বিনা দ্বিধাৰে সেই সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰিলে আৰু সেই প্ৰস্তাৱ পাছ্ কৰিলে আৰু প্ৰস্তাৱটো গৃহীত হ'ল। কিন্তু দুখৰ বিষয় ৩ বছৰ পাৰ হৈ যোৱাৰ পিছতো এই প্ৰস্তাৱ বিজেপি দলৰ চৰকাৰে কাৰ্য্যকৰী নকৰিলে । এই চৰকাৰে কাৰ্য্যকৰী নকৰিলে। যোৱা এপ্ৰিল মাহত এই চৰকাৰে আইনত পৰিণত কৰিলে যদিও তেওঁলোকে এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা নকৰিলে। আজি

তেওঁলোকে লোকপিয়লৰ অজুহাত দেখুৱাই, delimitation ৰ অজুহাত দেখুৱাই এইটো পিছুৱাই দিব বিচাৰিছে। আমি প্ৰস্তাৱ উত্থাপন কৰিছো যে ভাৰতীয় সংবিধানৰ গৃহীত হোৱা এই প্ৰস্তাৱ আজিয়েই গ্ৰহণ কৰক, আজিয়েই মহিলাসকলক ৩৩% আসন সংৰক্ষণৰ ব্যৱস্থা দিয়ক । Delimitation হৈ থাকিব, লোকপিয়ল হৈ থাকিব। Delimitation আৰু লোকপিয়লৰ অজুহাত দেখুৱাই মহিলাসকলৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছে এই বিজেপি দলৰ চৰকাৰে। বিজেপি দলৰ চৰকাৰে আজি বাঃ বাঃ ল'ব বিচাৰিছে মহিলাৰ এই সংকল্প প্ৰস্তাৱ আনি। এই সংকল্প প্ৰস্তাৱৰ কি প্ৰয়োজন আছে, আপুনি কওঁক। আজি আমি সংকল্প লওঁ যে মহিলা সকলক ৩৩% আসন উভয় সদনতে দিম। আজিয়েই এই সিদ্ধান্ত লৈ মহিলাসকলৰ এই অধিকাৰ সাব্যস্ত কৰি দিওঁ । এই কথাখিনিকে কৈ মই আমাৰ সংকল্প প্ৰস্তাৱ উত্থাপন কৰিলো।

**সভাপতি** ঃ পৰৱৰ্তী আমাৰ মাননীয় সদস্য শ্ৰী বিশ্বজিৎ দৈমাৰী।

**শ্ৰী বিশ্বজিৎ দৈমাৰী (তামুলপুৰ)** ঃ সভাপতি মহোদয়, আপুনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ। প্ৰথমতে মই ধন্যবাদ জনাইছো আমাৰ সন্মানীয় মন্ত্ৰী অজন্তা নেওঁগ বাইদেউ ডাঙৰীয়ানীক যে তেখেতে আজি চৰকাৰৰ হৈ এই resolution খন ইয়াত উপস্থাপন কৰিছে। এই যিটো resolution, আমাৰ সকলোৰে বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। মহিলা সৱলীকৰণৰ নামত বা মহিলাক শক্তিশালী কৰাৰ নামত চৰকাৰে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী ৰাখি বিভিন্ন আঁচনি লৈ কাম কৰি আহিছে আৰু এই ক্ষেত্ৰত বৰ্তমান শ্ৰী নৰেন্দ্ৰ

মোদী ডাঙৰীয়া আৰু অসমৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই NDA চৰকাৰ হিচাপে যিখিনি পদক্ষেপ লৈ কাম কৰি আছে, সেয়া উল্লেখনীয় আৰু এটা যুগে যুগে যিটো লৈ চৰ্চা কৰি আহি থকা হৈছিল সেইটো বাস্তৱত ৰূপায়িত হোৱাও আমি দেখিবলৈ পাইছো। মহিলা সৱলীকৰণ অকল অৰ্থনৈতিক দিশত চালে নহ'ব, অকল ঘৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত চালে নহ'ব, শিক্ষা-দীক্ষাত চালে নহ'ব। এটা গণতান্ত্ৰিক দেশত ৰাজনৈতিকভাৱে এক আগভাগ লৈ ৰাইজৰ প্ৰতিনিধি হৈ ইয়াত নিজৰ যিটো চিন্তা, নিজৰ যিটো ভাবনা, সেইটো ব্যক্ত কৰাৰ লগতে লৈ কাম কৰিব পাৰিলেহে মহিলাক শক্তিশালী কৰা আৰু মহিলা সৱলীকৰণটো সম্পূৰ্ণ হ'ব। আজি পঞ্চায়তত ৫০ শতাংশ reservation দিয়া হৈছে, সেই হিচাপে যথেষ্ট মহিলা যাক আমি কল্পনা কৰা নাছিলো, বহুত ধুনীয়াকৈ পঞ্চায়তৰ সভানেত্ৰী হয় বা জিলা পৰিষদৰ সভানেত্ৰীও হয়। ধুনীয়াকৈ আজি পঞ্চায়তটো চলাই আহি আছে। কিন্তু ইয়াৰ পিছত আমি দেখিছো মহিলা MLA নথকাৰ কাৰণে মহিলা এম. পি নথকাৰ কাৰণে ওপৰৰ মহলত যিখিনি এটা সম্পৰ্ক ৰাখি কাম কৰিব লাগিছিল, সেইখিনি কাম  কৰা অলপ হ'লেও সমস্যাৰ সন্মুখীন হৈছে। আমাৰ ইয়াত মহিলা মন্ত্ৰীৰ অভাৱ, আমাৰ বাইদেউ অকলেই সদনত মন্ত্ৰী আছে। যদি বহুগৰাকী মহিলা মন্ত্ৰী থাকিলেহেঁতেন, আমাৰ জিলা পৰিষদৰ সভানেত্ৰী, আঞ্চলিক পৰিষদৰ সভানেত্ৰী তেওঁলোকেওঁ মন্ত্ৰী সকলৰ লগত কথা পাতি চৰকাৰী বিভিন্ন বিভাগৰ যি দায়িত্ব পঞ্চায়তত অৰ্পণ কৰা হৈছিল, সেই কামবিলাক ভালদৰে ground level ত তেওঁলোকে কৰিব পাৰিলে হয়। অকল

মহিলা নহয়, মহিলাৰ জৰিয়তে সমাজ হিচাপে আমি আগবাঢ়িব পাৰিলো হয় । মই আজি বুজি নাপাওঁ, অলপ আগত আমাৰ Opposition ৰ ফালৰ পৰা কোৱা হৈছে যে সেই বিলৰ ওপৰত আগতে কংগ্ৰেছৰ তৰফৰ পৰা কেনেকৈ উদ্যোগ লোৱা হৈছিল । সেই উদ্যোগটো লৈ আছিল । কিন্তু আজি শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত যিটো ৰূপায়িত কৰিবলৈ গৈ আছে, তাক সমৰ্থন কৰিব নোৱাৰাৰ কি কাৰণ থাকিব লাগে ? আৰু আজি যিটো বিধেয়কত delimitation ৰ পিচত এই মহিলা সংৰক্ষণটো কাৰ্য্যকৰী কৰা হ'ব । সেইটো এটা প্ৰতিশ্ৰুতি আছিল তাত কংগ্ৰেছে সম্পূৰ্ণভাৱে সমৰ্থন কৰিছিল সংসদৰ মজিয়াত । কিন্তু আৰু আজি সেই হিচাপে re delimitation কৰি আজি মহিলা reservation টো কৰাৰ কাৰণে ব্যৱস্থা ল'ব ওলাইছে য'ত আজি আকৌ Opposition ৰ পৰা বাধা আহি গ'ল । গতিকে সেইটো কোনো ক্ষেত্ৰত বাধা থাকিব নালাগে । আমাৰ উদ্দেশ্যটো হ'ব লাগে মহিলা সকলক সুবিধা দিয়া , মহিলা প্ৰতিনিধিত্বটোক নিশ্চিতকৰণ কৰা আৰু এক তৃতীয়াংশ যিটো আমি সিদ্ধান্ত লৈছো, সেইটো যাতে আমি ৰূপায়ণ কৰিব পাৰো । সেয়া অকল এটা পাৰ্টীৰ কাৰণে নহয়, আমি সকলো ভাৰতীয়ৰ কাৰণে দৰকাৰ আৰু গণতান্ত্ৰিক দেশ হিচাপে আমি প্ৰত্যেকজনে ইয়াৰ মুল্যবোধটো ৰাখিব লাগে। অলপ আগতে আমাৰ বাইদেউ এগৰাকীয়ে কৈছে যে মহিলা সকলৰ আজি এনেকুৱা অৱস্থা যে মহিলা সকলক কেৱল মানে কামৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰে, কিন্তু সুযোগটো দিব নুখুজে। গতিকে এই কথা আমি সকলোৱে উপলব্ধি কৰো, আমি চৰ্চাও

কৰো। গতিকে মহিলা সকলক যদি আমি আগবঢ়াই দিওঁ, প্ৰত্যেকটো কামতে মহিলা সকল সফল। আজি ঘৰ চলোৱাৰ ক্ষেত্ৰত, প্ৰথমে ৰেচন কাৰ্ডৰ অধিকাৰ পুৰুষ সকলৰ হাতত আছিল, তেতিয়া ৰেচন পানী ঘৰত পাই নাপাই কোনো guarantee নাছিল। কিন্তু মহিলা সকলক যি দিনাৰ পৰা দায়িত্ব দিয়া হ'ল আজি regularly ৰেচনবোৰ ঘৰতে পোৱা হ'ল আৰু আজি যিসকল ৰেচন বিতৰণকাৰীক তেওঁলোকৰ কোনো দুই নম্বৰ কৰাৰ সুযোগটো নাথাকিল মহিলা conscious হোৱাৰ লগে লগে। পুৰুষৰ হাততো একোৱেই নাছিল পাকঘৰত কি লাগে, কি নালাগে  আৰু আজি মহিলা সকল অহাৰ পাছত এটা নিশ্চিত হ'ল যে ৰেচন যি উদ্দেশ্যত চৰকাৰে দিছে এইটো পৰিয়ালত পাবই। আমি সকলৰে জানো, মহিলা সকল ঘৰৰ মূল আৰু আজি আমি সেই কথা উপলব্ধি কৰিছো মহিলা সকলক দায়িত্ব দিয়াৰ পিছত যে মহিলা ঘৰত থাকিলে সকলোৰে ভাত  খাব পাবই। কিন্তু ঘৰৰ মহিলা গৰাকী যদি বাহিৰত থাকে, পুৰুষ ঘৰত থাকে ল'ৰা-ছোৱালীয়ে ভাত খাব পাব নে নাই তাৰ কোনো guarantee নাই। ৰাতিপুৱা হোৱাৰ লগে লগে মহিলা সকলৰ এটা দায়িত্ব বৰষুণেই দিয়ক, যিয়েই হওঁক, ধুমুহায়েই আহক, ৰাতিপুৱা উঠি চাহ বনাব লাগিবই। দুপৰীয়া যেতিয়া হ'ব যিমানেই ৰ'দ নহওঁক, যিমানেই যি নহওঁক, যিমানেই বৰষুণ নিদিয়ক, দুপৰীয়া ভাত বনাব লাগিব আৰু ৰাতি হ'লে ঘৰত যিয়েই নাথাকক, কিন্তু এসাজ তেনেকৈ সজাই-পৰাই ল'ৰা-ছোৱালী ঘৰৰ পৰিয়াল সকলোকে তেনেকৈ খুৱাব মহিলাই এইখিনি কথা সদায় মনত ৰাখি সেইখিনি কথা তেওঁলোকে সেইখিন

কাম কৰি আহিছে সবলভাৱে। আজি পঞ্চায়তত ৩৮ টা বিভাগ দিয়া আছে। সেই ৩৮ টা বিভাগত যদি ৫০ শতাংশ মহিলা reservation দিয়াৰ পাছত তেওঁলোকে যদি ভালদৰে কাম কৰিব লাগে তেতিয়াহ'লে বিধান সভা বা সংসদ তাতো প্ৰতিনিধি থাকিব লাগিব। আৰু তেতিয়াহে ভালদৰে কাম কৰিব পাৰিব। গতিকে মই সম্পূৰ্ণভাৱে আজি এই resolution এই প্ৰস্তাৱৰ সমৰ্থনত মই থিয় দিছো আৰু মই ভাবো সকলো সদনে এইটো সমৰ্থন জনাব আৰু আমি কেন্দ্ৰীয় চৰকাৰক পুনৰ যাতে অনুৰোধ কৰিব পাৰো যে re-delimitation কৰি ২০২৯ চনৰ ভিতৰত মহিলাৰ যিটো Quota, সেই quota টো নিশ্চিত কৰি নিৰ্বাচন কৰক আৰু সকলোকে আমি আশা কৰাৰ নিচিনা এক তৃতীয়াংশ মহিলাৰ প্ৰতিনিধি হ'ব। এইখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, মাননীয় সভাপতিঃ** শ্ৰী জীৱেশ ৰয়। ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী জীৱেশ ৰয়, বিলাসীপাৰাঃ** মাননীয় সভাপিত মহোদয়, মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু সংসদীয় ব্যৱস্থাত মহিলাৰ সংৰক্ষণৰ বিষয়টোৰ ওপৰত যি প্ৰস্তাৱ উত্থাপন কৰিছিল, তাত মই অসম গণপৰিষদ তথা এন. ডি. এ ৰ হৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছো। মাননীয় সভাপতি মহোদয়, সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু সংসদীয় ব্যৱস্থাত মহিলাৰ সংৰক্ষণে দেশ তথা ৰাজ্য ৰাজনৈতিক প্ৰসাৰত এক নতুন দিশ উন্মোচিত হ'ব। সংসদীয়

ব্যৱস্থাত এই সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াই গণতন্ত্ৰক অধিক শক্তিশালী কৰাৰ লগতে সমাজৰ প্ৰতিটো শ্ৰেণীৰ বাইজৰ প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ পথ সুগম কৰিছে। বিশষকৈ নাৰী সৱলীকৰণ আৰু নাৰীৰ বাবে এক তৃতীয়াংশ সৰক্ষণৰ বিষয়টো আজি ভাৰতীয় গণতন্ত্ৰৰ এক ঐতিহাসিক অধ্যায়। বহু বছৰ ধৰি নাৰী সকলে সমাজ, শিক্ষা, স্বাস্থ্য, কৃষি উদ্যোগ আদি সকলো ক্ষেত্ৰতে অসামান্য অৱদান আগবঢ়াই আহিছে। এই অভাৱ পুৰণ কৰাৰ বাবে সংসদ আৰু বিধান সভাত নাৰীৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ কৰাৰ বিষয়টো এক যুগান্তকাৰী পদক্ষেপ। অলপ আগতে বিৰোধী দলৰ এগৰাকী সন্মানীয় বিধায়ক ডাওৰীয়াই তেওঁ যিদৰে বক্তব্য ৰাখিলে যে বিলখন বিৰোধী দলে যোৱাটো সময়ত বহুতো পুৰণি কথা ইতিহাস ৰচি এনেকুৱা দেখুৱাইছে যে তেখেত সকলে যেন এই নাৰীৰ অধিকাৰৰ যি সংৰক্ষণ, ৰাজনৈতিক সংৰক্ষণৰ বিষয়টো তেওঁলোকৰ ফালে টানি আনিব বিচাৰিছে। কিন্তু ভাৰতবৰ্ষৰ ৰাইজে মহিলা আইমাতৃ সকলৰ ভগ্নী সকলে এই কথা যোৱাটো আমাৰ যি সংসদত ইতিমধ্যে দেখা পাইছিল যে বিৰোধী দলে কি দৰে তাত বিৰোধ কৰি সেই বিলখন পাছ কৰাত নসাৎ কৰিছিল। মোৰ যি সমষ্টি, তাৰ কেইবাগৰাকী মহিলা সেইদিনা উৎফুলিত হৈ আছিল যে আজি ঐতিহাসিক মহিলাৰ সেই সংৰক্ষণৰ বিলখন সংসদত পাছ হ'ব। আনকি তেওঁলোকে আমাৰ

যিটো কয় পাৰ্টী বা এইধৰণৰ ফটকা ফুটুৱা উৎসৱ মুখৰ এটা পৰিৱেশ যে আজি সন্ধিয়া খানা হ'ব। কিন্তু হোৱাৰ লগে লগে যেতিয়া কংগ্ৰেছ বা বিৰোধী দল সমূহে মিলি বিৰোধ কৰা দেখা গ'ল, সঁচাকৈ সেই নাৰী সকলে মনত বহুত আঘাত পাইছে আৰু যাৰ কাৰণে পুনৰ এই বিলখন সদনত পুনৰ পাছ হওঁক আৰু অসম বিধান সভাৰ পবিত্ৰ মজিয়াত এই বিলখন যাতে পাছ হয় তাৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ NDA চৰকাৰে আজি পুনৰ উত্থাপন কৰি গৃহীত কৰাৰ যি প্ৰস্তাৱ মাননীয়া মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে আগবঢ়াইছে, পুনৰ গৌৰৱৰ সৈতে পূৰ্ণ সমৰ্থন আমি আগবঢ়াইছো। সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পিছত এই সংৰক্ষণ ব্যৱস্থা বাস্তৱায়িত হ'লে দেশৰ কোটি কোটি মাতৃ-ভগ্নীৰ আশা-আংকাক্ষা অধিক শক্তিশালী হৈ বিধান সভাৰ মঞ্চত প্ৰতিফলিত হ'ব। গাঁৱৰ পৰা চহৰৰ লৈকে প্ৰতিগৰাকী নাৰীৰ কণ্ঠ নীতি-নিৰ্দ্ধাৰণত অধিক গুৰুত্ব লাভ কৰিব। আজি আই-মাতৃ সকলক, ভগ্নী সকলক পাকঘৰৰ পৰা ৰাজনীতিৰ মজিয়ালৈ অনাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। মাননীয়

অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নাৰীৰ অধিকাৰ  আৰু সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আইন গৃহীত হোৱাতো ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব৷ এই পদক্ষেপে কেৱল নাৰীৰ ৰাজনৈতিক অধিকাৰ সুনিশ্চিত কৰাই নহয়, আগন্তুক নতুন প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ দৃষ্টান্ত হৈ ৰ'ব। আমাৰ অসমতো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনে সৱলীকৰণৰ বাবে বহু কাম কৰি ইতিমধ্যে নজিৰ সৃষ্টি কৰিছে। আজি ৪০ লাখ আই-মাতৃ সকলৰ আত্ম-সহায়ক গোটক মহিলা উদ্যমিতা, অৰুণোদয় আঁচনিৰ জৰিয়তে মহিলা সকলক অৰ্থনৈতিক ভাৱেও ন্যায় প্ৰদান কৰিছে। মহিলা সৱলীকৰণৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আজি মহিলা উদ্যমিতা যি আঁচনি লাভ কৰিছে তাৰ ফলত আমাৰ আই-মাতৃ মহিলা সকলে ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলি আজি নজিৰ সৃষ্টি কৰিছে। তাৰ লগতে আজি আই-মাতৃ-ভগ্নী সকলৰ যি আত্ম-সহায়ক গোট আছে, তাৰ জৰিয়তে কোনোবাই হাঁহ-কুকুৰা পালন কৰিছে, কোনোবাই ছাগলী পালন

কৰিছে আৰু কোনোবাই বিভিন্ন ধৰণৰ চিলাইৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ গঢ়ি স্বাৱলম্বীও হোৱা দেখা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, গতিকে এই সংৰক্ষণৰ আইনখন অসম বিধান সভাৰ পবিত্ৰ মজিয়াত গৃহীত হওঁক, মই তাকেই কামনা কৰি মোৰ বক্তব্য শেষ কৰিছো। জয় মা কামাখ্যা।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী ৰূপালী লাংথাছা।

**শ্ৰীমতী ৰূপালী লাংথাছা, হাফলং** माननीय अध्यक्ष महोदय मुझे Women reservation bill के उपर बोलने के लिए चांस देने के लिए धन्यवाद।

कल और आज का दिन हमारे आसाम का ऐतिहासिक दिन है जो सदन के नेता और हमारे मुख्यमंत्री जी डा .हिमंत बिस्व सरमा जी के नेतृत्व में माननीय मंत्री श्रीमती अजंता नेउग जी ने इस सदन में पेश किया। मै इस बिल का पुरी तरह से समर्थन करती हुँ।

अध्यक्ष महोदय मैं इस सदन के माध्यम से इस देश के माननीय प्रधानमंत्री जी का धन्यवाद करना चाहूंगी कि उन्होंने इस देश की 144 करोड़ आबादी में 50 % आबादी जिसका है उनका सम्मान देने का काम माननीय प्रधानमंत्री जी ने किया है। और माननीय माननीय मुख्यमंत्री जी डा़ हिमंत बिस्व सरमा जी ने भी हमेशा महिलाओं का सम्मान और शशक्तीकरन करने में अपना हाथ आगे बढ़ाया है।

ये बिल हम पुरे देश के महिलाओं के लिए और साथ देश के लिए एक ऐतिहासिक बिल है और एक उम्मीद की किरण है, महिला शशक्तीकरन का एक माध्यम है। लेकिन 17 अप्रैल 2026 हमारे लिए काला दिन बन गया है क्योंकि विपक्षीयों ने नारी शक्ति बंदना अधिनियम को लागू होने से लोक सभा में रोक दिया गया।

हमारे देश के आजादी के लिए बहुत ही महिलाओं ने बलिदान दिया है अपनी जान गंवाई है उनमें से आप सब जानते हैं

- रानी लक्ष्मीबाई

सरोजिनी नायडू

रानी गायदिनलिउ

कनकलता बरुआ

जया थावसेन जी है।

महिलाओं का शशक्तीकरन और women empowerment को दर्शाते हुए अपारेशन सिंदुर में इंडियन आर्मी कर्नल सोफिया कुरेशी और इंडियन एयर फोर्स विंग कमांडर व्योमिका सिंह को अपारेसन लीड करने के लिए जिम्मेदारी सौंपी है।

Women reservation bill 1996, 1998, 1999 और 2008 में जो भी कारण जिसका भी कारण से पास नहीं हो पाया लेकिन अभी ये मौका है महिलाओं को शशक्तीकरन करने के लिए, Women reservation bill पास करने का। इसलिए मैं इस सदन के माध्यम से सभी को विरोधियों को अनुरोध करती हुँ की Women reservation bill को समर्थन करें।

विरोधि दल बोलता तो है वे Women reservation bill को समर्थन करते हैं लेकिन उनके समर्थन के साथ उनके बोली मैं हमेशा किन्तु परन्तु होता है।

अध्यक्ष महोदय Women reservation bill विरोधि दलों के लिए एक राजनैतिक मुद्दा है, political agenda है लेकिन हमारे लिए एक सपना है और एन डी ए सरकार के लिए नारी सम्मान है और नारी शशक्तीकरन है।

अध्यक्ष महोदय Women reservation bill पास होना चाहिए और इस बिल को पास करने के लिए सभी rulling Govt. और opposition party साथ में समर्थन करना चाहिए बिना किन्तु परन्तु बोले ही साथ देना चाहिए।

**माननीय সভাপতিঃ** ধন্যবাদ। শ্ৰীমতী ৰূপালী লাংথাছা ডাঙৰীয়াণী, আপোনাৰ বক্তব্যখিনি লিখিত আকাৰত আমাৰ বিধান সভাৰ সচিব ডাঙৰীয়াক জমা দিব। এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰশিদ আলম। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূব গোৱালপাৰা সমষ্টিঃ** মাননীয় সভাপতি মহোদয়, নাৰী শক্তিক সন্মান জনোৱাৰ উদ্যেশ্যে তথা নাৰীৰ সামগ্ৰিক উন্নয়ণ আৰু সৱলীকৰণ নিশ্চিত কৰিবলৈ সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতেই দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা তৎক্ষণাত কাৰ্য্যকৰী কৰা উচিত। এই প্ৰস্তাৱটো আনিলে সেই গৰাকী এগৰাকী নাৰী, আমাৰ এই সদনত গৌৰৱ অনুভৱ হৈছে আৰু সেইগৰাকী নাৰী ইমানেই শক্তিশালী, ২০০১ চনৰ পৰা আজিলৈকে পৰাজিত হোৱা নাই আৰু সেই নাৰী গৰাকীৰ সৃষ্টিকৰ্তা কিন্তু কংগ্ৰেছ। বিশ্বৰ বুকুত সকলোতকৈ শক্তিশালী নাৰী ভাৰতবৰ্ষত সৃষ্টি হৈছে আৰু সেই গৰাকী নাৰীৰ সৃষ্টিকৰ্তা আছিল কংগ্ৰেছ। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি এগৰাকী নাৰী আছিল। সেই আসনত বহুৱাইছিল কংগ্ৰেছ দলে। লোকসভাৰ অধ্যক্ষ পোন-প্ৰথমবাৰৰ বাবে নাৰীক বহুৱাইছিল আৰু সেইটো দলেই আছিল কংগ্ৰেছ। যিয়েই নহওঁক মাননীয় সভাপতি ডাঙৰীয়া ১৯৮৯ চনত পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত ৩৩ শতাংশ মহিলাৰ সংৰক্ষণৰ কাৰণে সেই সময়ৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই বিল আনিছিল। ঠিক তেনেদৰে অসমৰ কাৰণে ২০০৫ চনত পঞ্চায়ত আৰু পৌৰসভাত ৩৩ শতাংশৰ ঠাইত ৫০ শতাংশ সংৰক্ষণৰ কাৰণে ব্যৱস্থা কৰিছিল আমাৰ প্ৰয়াত মুখ্য মন্ত্ৰী তৰুণ গগৈ

ডাঙৰীয়া দেৱে। আজি এই সংৰক্ষণটো সমষ্টি পূনৰ নিৰ্ধাৰণৰ পিছত কিয়, আজি আমি এই সদনত কিয় প্ৰস্তাৱ লব নোৱাৰো। মই ভাৰতবৰ্ষ বাদ দিছো মাত্ৰ আমাৰ অসমৰ বাবে আমি এইটো কিয় কৰিব নোৱাৰো। অসমৰ বাবে এতিয়াই ৩৩ শতাংশ মহিলাৰ বাবে সংৰক্ষণৰ প্ৰস্তাৱ লওঁক আমি আছো এই ক্ষেত্ৰত। নাৰী শক্তিক সবলীকৰণ কৰিবলৈ ৰাজনৈতিক ইছু কিয়, অভিনয় কিয় ? এই কামটো সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত কিয়, এইটো আগতে কৰিব লাগে। সকলোৱে যদি সচাকৈ নাৰী শক্তি বন্দন বিচাৰিছে, আগৰ বক্তা এজনে কৈ গৈছে যে আমাৰ মন্ত্ৰী অজন্তা বাইদেউৰ কথা কৈ গৈছে। কিন্তু এই কামটো সমষ্টিপুনৰ নিৰ্ধাৰণৰ পিছত কিয়। আগতে আমি কিয় নকৰিলো। এতিয়া আমি অভিনয় কৰি আছো নেকি এনেকুৱা সন্দেহ হৈ আছে। আমি নাৰী শক্তিক সবলীকৰণ কৰিব লাগিব। আত্মসহায়ক গোটৰ সৃষ্টি কংগ্ৰেছ দলে কৰিছিল। আমি যদি সচাকৈ নাৰী শক্তি সবলীকৰণ কৰিবলৈ যাওঁ তেতিয়া হলে আমি একেবাৰে আশা কৰ্মীৰ ওচৰলৈ যাব লাগিব। কাৰণ আশা কৰ্মী সকলে দিন ৰাতি এক কৰি আৰু স্বাস্থ্য বিভাগত যিমান বিষয়া কৰ্মচাৰী আছে, সকলোত কৈ যদি বেছি অৱদান আছে আশা কৰ্মী সকলৰ আছে। তেওঁলোকৰ সামাজিক বাধ্যবাধকতা, পৰিয়ালৰ বাধ্যবাধকতা, নিজৰ স্বামীৰ বাধ্যবাধকতা এই সকলো বোৰ এৰি যিমান ৰাতিয়ে নহওক কিয় যদি গৰ্ভৱতী মহিলাই বিপদত পৰিছে তেতিয়া সকলোবোৰ এৰি সেই নাৰীৰ ওচৰলৈ গৈ চিকিৎসালয়লৈ যাবলৈ সাজু হয়। কিন্তু চিকিৎসালয়ত সেই আশা কৰ্মী জনীক ডাক্তৰে কি ব্যৱহাৰ কৰিলে চিকিৎসালয় কতৃপক্ষয় কি ব্যৱহাৰ কৰিলে সেইবোৰ জনাৰ আমাৰ প্ৰয়োজনীয়তা আছে।

অংগনবাদী কৰ্মী সকলক আমি কি দৰমহা দি আছো আৰু তেওঁলোকে কিমান শ্ৰম কৰি আছে সেইটো আমি সকলোয়ে জানো। সেই কথাবোৰ আমি চাব লগিব।

**সভাপতি, ( শ্ৰী ওৱাজেদ আলী চৌধুৰী )ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূৱ গোৱালপাৰাঃ** সভাপতি মহোদয় মই শেষ কৰিম। আমাৰ শাষক পক্ষই যি আমাক সমালোচনা কৰি আছে, আমাৰ বিৰোধীতা কৰি আছে সেইবোৰ বিজেপি বা কংগ্ৰেছৰ দল নহয় । সচাকৈ যদি আমি নাৰী শক্তি সবলীকৰণ বিচাৰিছো তেতিয়া হ'লে আশা কৰ্মীয়ে হওক বা আত্মসহায়ক গোটে হওক আৰু এই আত্মসহায়ক গোটৰ লগত যি জীৱিকা সখী আছে তেওঁলোকৰ যিখিনি পাৰিশ্ৰমীক সেইখনি আমি সময় মতে নিদিওঁ । গতিকে মহিলা সবলীকৰণ কৰিবলৈ হ'লে প্ৰত্যেকটো পৰ্য্যায়তে সবলীকৰণ কৰিব লাগিব।

**সভাপতি ( শ্ৰী ওৱাজেদ আলী চৌধুৰী )ঃ** এতিয়া শ্ৰী বিজয় কুমাৰ গুপ্তা, আপোনাৰ ৫ মিনিট সময়।

**শ্ৰী বিজয় কুমাৰ গুপ্তা, মধ্য্ গুৱাহাটী ঃ** মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী শ্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে দিয়া প্ৰস্তাৱৰ ওপৰত মই এই সদনত মহিলা সবলীকৰণৰ ক্ষেত্ৰত লোৱা নাৰী শক্তি

বন্দনৰ যি যুগান্তকাৰী প্ৰস্তাৱৰ ওপৰত মই ভাষণ ৰাখিবলৈ ওলাইছো। এই আইন এখন শক্তিশালী আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুটি নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত দেশে লাভ কৰিছে। ভাৰতৰ নাৰী সমাজৰ শান্তি, ত্যাগ, নেতৃত্ব আৰু ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ অৱদানক সন্মান জনোৱা এটি ঐতিহাসিক পদক্ষেপ। যুগ যুগ ধৰি মহিলা সকলে পৰিয়াল ঘৰ, সমাজত শিক্ষা, কৃষি বিজ্ঞান, আদি ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু বিধায়নী ক্ষেত্ৰত তেওঁলোকৰ উপযুক্ত পতিনিধীত্ব লাভ কৰা নাছিল। নাৰি শক্তি বন্দন অধীনিয়মে দীৰ্ঘ দিনিয়া দাবী পূৰণ কৰিছে আৰু সেই আইনৰ জৰিয়তে সংসদ আৰু বিধান সভা সমূহত মহিলা সকলৰ ৩৩ শতাংশ সংৰক্ষণ নিশ্চিত কৰা হৈছে। এই হৈছে ভাৰতৰ গণতন্ত্ৰীক ইতিহাসত এক বৈপ্লবিক পদক্ষেপ। ইয়াৰ ফলত মহিলা সকল কেৱল গণতন্ত্ৰত অংশ গ্ৰহণ কাৰী হিচাপে নাথাকে। তেওলোকে নিতি নিৰ্ধাৰণৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰিব। ভাৰতীয় সংস্কৃতিত নাৰী শক্তিক সদায় উচ্চস্থান দিয়া হয়। য'ত নাৰীক সন্মান কৰা হয় তাতে দেৱতা সকল থাকে।

ভাৰত চৰকাৰে মহিলা সকলৰ উন্নয়নৰ বাবে বহুতো আঁচনি গ্ৰহণ কৰিছে বেটি বচাওঁ বেটি পঢ়াও। প্ৰধান মন্ত্ৰী উজলা যোজনা, মুদ্ৰা যোজনা, জন ধন যোজনা এই আঁচনি সমূহে মহিলা সকলক শিক্ষা, স্বাস্থ্য, আৰ্থিক স্বাবলম্বন প্ৰদান কৰে। মহিলা সকলৰ বৈজ্ঞানীক, খেলুৱৈ উদ্যোগি, আৰক্ষী বিষয়া সেনা বাহিনী আদিত যোগদান কৰিছে। ভাৰতৰ প্ৰায় ৫০ শতাংশ জনসংখ্যাই মহিলা। আজি বিজ্ঞান প্ৰযুক্তি, আভিযান্তীক, অংক শাস্ত্ৰ ক্ষেত্ৰত ভাৰত মহিলা বিশ্বৰ ভিতৰতে বেছি। আত্মসহায়ক গোটৰ জৰিয়তে মহিলা সকলে গ্ৰাম্য অৰ্থনীতিৰ ভেটি শক্তিশালী কৰিছিল। সৰ্বকালৰ বিশিষ্ট, দূৰদৰ্শী মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে মহিলা সকলৰ কল্যাণৰ বাবে বহুতো আঁচনি ৰূপায়ন কৰিছে। অৰুণোদয়, মহিলা উদ্যমিতা আঁচনি, নিযুত মইনা আঁচনি আদি। মহিলা সবলীকৰণ কেৱল সামাজিক প্ৰয়োজনৰ বাবে নহয় ই আৰ্থীক উন্নয়ৰ আভাষ। বহুতো আন্তৰাষ্ট্ৰীয় গবেষনাই দেখুৱাইছে মহিলা সকলৰ অংশগ্ৰহণ বৃদ্ধি পালে দেশৰ অৰ্থনীতিৰ উন্নয়নৰ গতি অধিক শক্তিশালী হয়। যদি

আমি বিকশীত ভাৰত ২০৪৬ বাস্তৱত কৰিব বিচাৰো তেতিয়া হ'লে মহিলা সকলৰ উন্নয়নক প্ৰাধান্য দিবই লাগিব। মই পূৰ্ণ সমৰ্থেনে নাৰী শক্তি বন্দন অধীনিয়মক স্বাগতম জনাইছো আৰু এই সিদ্ধান্তৰ বাবে ভাৰত চৰকাৰক আন্তৰিক অভিনন্দন জনাইছো। আজি এই কথাটো কব বিচাৰো যেতিয়া নাৰী আগবাঢ়ে তেতিয়া ৰাষ্ট্ৰখন আগবাঢ়ে। আমি যদি চাওঁ, শাস্ত্ৰত চাৰিটা যুগৰ কথা উল্লেখ আছে। সত্যযুগ, ক্ৰেতা, দ্বাপৰ, কলি। সতীযুগত লক্ষ্মী, সৰস্বতী, দূৰ্গা, নাম শুনা পাইছোঁ , আমি সদায় স্মৰণ কৰো। লক্ষ্মী কোন আছিল – লক্ষ্মী Finance Minister আছিল। সৰস্বতী কোন আছিল – Education Minister আছিল। দূৰ্গা কোন আছিল – Defence Minister আছিল। আজিও আমাৰ নিবেদন আছে যাতে আমি মহিলাৰ সংখ্যা বৃদ্ধি কৰিব পাৰো, আমাক delimitation লাগে আৰু আমি বিৰোধী দলক অনুৰোধ কৰিব বিচাৰো, delimitation ও আপুনি পাছ কৰক আৰু এই বিল পাছ কৰাত সহায় কৰক, যাতে আমি আগবাঢ়িব পাৰো। ইয়াকে কৈ মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো আৰু সকলোৰে মৰম শ্ৰদ্ধা বিচাৰিছো আৰু

আমি প্ৰথমবাৰ এই সদনত আহিছো, আপোনাৰ মৰম, স্নেহ, শ্ৰদ্ধা আমাক লাগিব। এইখিনি কৈ মই মোৰ বক্তব্য শেষ কৰিছো। ধন্যবাদ।

বন্দে মাতৰম, জয় আই অসম।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, সভাপতি** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পকাবেতবাৰী** ঃ মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী অজন্তা নেওগ বাইদেউয়ে যিটো সংকল্প প্ৰস্তাৱ আনিছে আৰু মই ইয়াৰ কাৰণে কবলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইতিমধ্যে আমাৰ কংগ্ৰেছ বিধায়িনী দলৰ কেইবাজনো সদস্য/সদস্যাই বিভিন্ন বক্তব্য আগবঢ়াইছে । তেখেতসকলৰ সেই বক্তব্যত মই সমৰ্থন জনাই দু-আষাৰ মান কথা কবলৈ বিচাৰিছোঁ।

ঐতিহ্যৰে পৰা এখন ভাৰতবৰ্ষত নাৰী পূজা কৰা হয়, নাৰীক সন্মান দিয়া হয়  আৰু আমিও যি নাৰীৰ গৰ্ভৰ পৰা জন্ম লৈ আজি এখন পৃথিৱীত জীৱন-যাপন কৰিছো, ভাৰতবৰ্ষৰ বুকুত জীৱন-যাপন কৰিছো, সেই মাতৃ নাৰী জাতিক সদায় সন্মান জনাও । ভাৰতীয় জাতীয় কংগ্ৰেছ দলে ভাৰতবৰ্ষ যেতিয়া স্বাধীনতা লাভ কৰা নাছিল, তেতিয়াৰ পৰা নাৰী সকলে যাতে নেতৃত্ব লয়, নাৰীসকলে যাতে শাসন

ব্যৱস্থাৰ লগত জড়িত হয়, সেই সময়ৰ পৰা নেতৃত্ব লৈছিল আৰু ১৯২৮ চনৰ পৰা কংগ্ৰেছৰ ওৱাৰ্কিং কমিটিৰ বৈঠকত, কংগ্ৰেছ মহাসভাই নাৰীৰ বাবে আসন সংৰক্ষণ নিৰ্বাচনত যাতে হয়, তাৰ বাবে প্ৰথম প্ৰস্তাৱ দিছিল। তাৰ পিছে পিছে আৰম্ভ কৰি প্ৰতিটো মূহুৰ্ততে নাৰীসকলে যাতে সংসদীয় ৰাজনীতিত অংশগ্ৰহণ কৰিব পাৰে, লোকসভা, ৰাজ্যসভা, বিধান সভা, পঞ্চায়তত সকলোতে অংশগ্ৰহণ কৰিব পাৰে, নেতৃত্ব ল'ব পাৰে, তাৰ কাৰণে কংগ্ৰেছ দলে প্ৰতিটো মহুৰ্তত পদক্ষেপ লৈছিল। আজি বাইদেউয়ে উত্থাপন কৰা প্ৰস্তাৱত, তাত আমাৰ এটা কথাতে দ্বিমত আছে। বাইদেউৰ প্ৰস্তাৱত সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতে এই কথাখিনি আনিছে। কাৰণ সমষ্টি পুনৰ নিৰ্ধাৰণ কিয় হ'ব লাগে আৰু তাৰ পিছত কিয় সেইটো কাৰ্য্যকাৰী কৰিব লাগে, তাৰ আগতে কিয় সেইটো কাৰ্য্যকাৰী কৰিব নোৱাৰিলে । কংগ্ৰেছক দোষাৰোপ কৰিছে যে কংগ্ৰেছে তাত বাধা দিছে, কংগ্ৰেছে কেতিয়াও বাধা নিদিয়ে, কংগ্ৰেছে ৫০ শতাংশ আসন নাৰী সকলৰ কাৰণে এৰি দিয়াৰ বাবে বাধা নিদিয়ে। কাৰণ পঞ্চায়ত নিৰ্বাচনত আজি অসমত ৫০ শতাংশ আসন মহিলাসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কংগ্ৰেছ দলে কৰিছে , কংগ্ৰেছ চৰকাৰে কৰিছে । নাৰীসকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কংগ্ৰেছে কেতিয়াও বাধা নিদিয়ে । আজি দেশখনৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী পাটিল কংগ্ৰেছে বনাইছে। আজি প্ৰথম মহিলা প্ৰধানমন্ত্ৰী

ইন্দিৰা গান্ধী, কংগ্ৰেছে বনাইছে। আজি প্ৰথম মহিলা মুখ্যমন্ত্ৰী উত্তৰ প্ৰদেশত সুচেতা কৃপালিনি, কংগ্ৰেছে বনাইছে। আজি প্ৰথম মহিলা লোকসভাৰ অধ্যক্ষ মীৰা কুমাৰ , কংগ্ৰেছ দলে বনাইছে। আজি প্ৰথম মহিলা মুখ্যমন্ত্ৰী অসমৰ চৈয়দা আনোৱাৰ টাইমুৰ, কংগ্ৰেছ দলে বনাইছে। আজি প্ৰথম মহিলা ৰাজ্যপাল ভাৰতবৰ্ষত সৰোজিনী নাইডু, কংগ্ৰেছ দলে বনাইছে। আজি প্ৰথম মহিলা কেন্দ্ৰীয় মন্ত্ৰী Rajkumari Amrit Kaur কংগ্ৰেছে বনাইছে । অসমৰ পৰা পদ্মশ্ৰী Asha Devi Aryanayakam কংগ্ৰেছ দলে দিছিল । অসমৰ পৰা ৰাজ্যসভালৈ মহিলা প্ৰতিনিধি হিচাপে পুষ্পলতা বাইদেউ কংগ্ৰেছ দলে দিছিল। এয়া হৈছে কংগ্ৰেছ দল । সেই কংগ্ৰেছ দলক বিজেপি এন ডি এ দলৰ শাসক পক্ষৰ সন্মানীয় বিধায়ক, বিধায়িকাসকলে সমালোচনা কৰে । কংগ্ৰেছে কেতিয়াও নাৰীক আগুৱাই যোৱাৰ ক্ষেত্ৰত কেতিয়াও বাধা দিয়া নাই। কিন্তু আমাৰ কথা এটাই হৈছে যি সংৰক্ষণৰ ব্যৱস্থা কৰিবই লাগে তাত সমষ্টি পুনৰ নিৰ্ধাৰন কথাটো কিয় আহিল ? ডিলিমিটেশ্যনৰ কথাটো কিয় আহিলে? নে বিজেপি চৰকাৰে নাৰী সংৰক্ষণক ঢাল হিচাপে ব্যৱহাৰ কৰি তেওঁলোকে কিবা সুবিধা লাভ কৰিব বিচাৰিছে? এই কথাখিনি কিন্তু সমগ্ৰ দেশে নিশ্চয় বুজিছে আৰু সেই কথাখিনি কংগ্ৰেছে বুজিছে, যাৰ কাৰণে আমি কৈছোঁ।

সভাপতি ডাঙৰীয়া, যোৱা বিধানসভা নিৰ্বাচন হৈ গ'ল। আপোনাক এটা কথা ক'ব বিচাৰিছোঁ যে কংগ্ৰেছ বা বিজেপি দলে

নাৰীক কিমান সন্মান দিয়ে। কংগ্ৰেছ দলৰ পৰা যোৱা বিধানসভা নিৰ্বাচনত ১৩ গৰাকী প্ৰাৰ্থী আছিল আৰু বিজেপি দলৰ পৰা মাত্ৰ ৭ গৰাকী প্ৰাৰ্থী আছিল। কংগ্ৰেছ দলৰ পৰা যোৱা বিধানসভা নিৰ্বাচনত ১৩ গৰাকী মহিলা প্ৰাৰ্থী আমি দিছিলোঁ, বিজেপি দলে মাত্ৰ ৭ গৰাকীক দিছিল। এই পাৰ্থক্য কংগ্ৰেছ আৰু বিজেপিৰ নাৰীসকলৰ প্ৰতি সন্মান জনোৱাৰ।

মাননীয় সভাপতি ডাঙৰীয়া, আপোনাক এটা কথা ক'ব খুজিছোঁ। ডিলিমিটেশ্যনৰ কথা কিয় কোৱা হৈছে ? অসমত ডিলিমিটেশ্যন হৈ গ'ল। ডিলিমিটেশ্যনত এইখন অসমৰ লোকসভাত কোনোবা এখনত যদি ২৬ লাখ ভোট আছে, কোনোবা কোনোবা লোকসভা সমষ্টিত মাত্ৰ ৯ লাখ ভোট আছে। কোনোবা এখন বিধানসভা সমষ্টিত যদি তিনি লাখ ষোল্ল হাজাৰ ভোট আছে, কোনোবা এটা বিধানসভা সমষ্টিত মাত্ৰ এক লাখ ভোট আছে। এই গোটেইখিনি বিজেপিয়ে যাতে নিৰ্বাচনত জয়যুক্ত হ'ব পাৰে তাৰ বাবে ডিলিমিটেশ্যন প্ৰক্ৰিয়াক তেওঁলোকৰ আওঁতাত নিৰ্বাচন আয়োগক ব্যৱহাৰ কৰি যোৱা সময়ছোৱাত অসমত কৰিছিল আৰু এইবাৰ ২০২৩ চনত লোকসভাত নাৰীসকলৰ আসনৰ সংৰক্ষণৰ বিল আনিছিল। কংগ্ৰেছে পূৰ্ণ সমৰ্থন জনাইছিল। ২০২৩ চনত ৩৩ শতাংশ নাৰীৰ সংৰক্ষণৰ বিল আনিছিল। কংগ্ৰেছে সমৰ্থন জনাইছিল, তাত পেলাই থৈ দিলে। আকৌ কিছুদিন আগত লোকসভাত এখন বিল আনিলে যে নাৰীৰ সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে

। ২০২৩ চনত যেতিয়া আনিছিল, কংগ্রেছে পূৰ্ণ সমৰ্থন দিছিল। আকৌ কিয় বিল আনিলে? তাৰ আগত যুক্ত কৰিলে ডিলিমিটেশ্যন প্ৰক্ৰিয়া হ'ব লাগে, ডিলিমিটেশ্যনৰ পিছত হ'ব লাগে। এই গোটেইখিনি বিজেপি চৰকাৰৰ এটা চক্ৰান্ত যে নাৰীসকলৰ সংৰক্ষণৰ ব্যৱস্থা কৰি ডিলিমিটেশ্যন প্ৰক্ৰিয়া এটা আনি তেওঁলোকৰ সুবিধা মতে সমষ্টিখিনি পুনৰ সীমা নিৰ্ধাৰণ কৰি ২০২৯ চনৰ নিৰ্বাচনত যাতে জয়যুক্ত হ'ব পাৰে, তাৰে এটা অংশ হিচাপে এই কামখিনি কৰিছে।

গতিকে মই সভাপতি ডাঙৰীয়া, এটা অনুৰোধ জনাই শেষ কৰিছোঁ যে বিজেপি চৰকাৰৰ যদি সাহস আছে, ১২৬ টা বিধানসভা সমষ্টিত ৩৩ শতাংশ ৰিজাৰ্ভেশ্যন কৰক, কংগ্ৰেছে খোলাকৈ ছাপ'ৰ্ট কৰিম। চৈধ্যটা লোকসভা সমষ্টি অসমত আছে, ৩৩ শতাংশ মহিলাৰ কাৰণে সংৰক্ষণ কৰক, ৰিজাৰ্ভেশ্যন কৰক। ডিলিমিটেশ্যনৰ পিছত এইটো এটা চক্ৰান্ত। নাৰীক সন্মান জনোৱাৰ কথা কৈছে কিন্তু নাৰীক ঢাল হিচাপে ব্যৱহাৰ কৰি বিজেপিয়ে সুবিধা লাভ কৰা এইটো এটা চক্ৰান্ত । গতিকে মই আকৌ বাইদেউক কৈছো আপুনি যিটো প্ৰস্তাৱ আনিছে তাত ''সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পিছতে'' – এই অংশখিনি কাটি দিয়ক, তাত আমাৰ সম্পূৰ্ণ সমৰ্থন থাকিব আৰু আপোনালোকে চল চাতুৰীৰে নাৰীক ব্যৱহাৰ কৰি ক্ষমতা লাভ কৰিব, সেয়া আমি হ'বলৈ নিদিও। আমি নাৰীক সন্মান জনাও আৰু প্ৰত্যেক নাৰীক সন্মান জনাম। ধন্যবাদ।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, সভাপতি** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ, (সময় ৬ মিনিট)

**শ্ৰী চক্ৰধৰ গগৈ, খোৱাং** ঃ নমস্কাৰ সভাপতি মহোদয়। মই আমাৰ মাননীয়া মন্ত্ৰী অজন্তা নেওগ বাইদেউয়ে অনা এটা সংকল্প প্ৰস্তাৱৰ সপক্ষে দুআষাৰ ক'বৰ কাৰণে থিয় হৈছোঁ আৰু আপুনি সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনাইছোঁ।

সভাপতি মহোদয়, এই মুহূৰ্তটোত মই ভাষণ ৰাখিবৰ সময়ত আমাৰ ভাৰতবৰ্ষৰ যি পুৰণি পাঁচ-ছয় হাজাৰ বছৰীয়া সভ্যতা, এই সনাতন সভ্যতাৰ সেই অতীতৰ দিনবোৰৰ দোহাই দি বৰ্তমানৰ নাৰী সমাজখনক অকণমান সময় অৱলোকন কৰাৰ বাবে প্ৰয়াস কৰিব খুজিছোঁ। কাৰণ আজিৰ এই নাৰীৰ মৰ্যাদা সম্পৰ্কত বা নাৰীৰ ৰাজনৈতিক অধিকাৰ সম্পৰ্কত যিখিনি কথা আলোচনা কৰিবৰ বাবে ইয়াত সমবেত হ'লো, সেই কথাখিনিৰ আৰম্ভণি এতিয়াৰ নহয়। ভাৰতীয় সমাজত নাৰীৰ যিটো মৰ্যাদা, সেই মৰ্যাদাটো এতিয়াৰ নহয়। আজিৰপৰা পাঁচ-ছয় হাজাৰ বছৰ আগতেই আজিৰ পৃথিৱীত আটাইতকৈ ধনী, মানী, গুণী-জ্ঞানী দেশ বুলি জ্ঞান কৰা ইউৰোপ-আমেৰিকাৰ দেশবিলাকৰ মানুহে যেতিয়া কাপোৰ পিন্ধিবলৈ শিকা নাছিল ঘৰত বাস নকৰি তেওঁলোকে পৰ্বতৰ গুহা গছৰ ঢুণ্ডাত বাস কৰিছিল আৰু লজ্জা নিবাৰণৰ বাবে তেওঁলোকে গছৰ বাকলি

পিন্ধিছিল। সেই সময়ত আমাৰ ভাৰতীয় সভ্যতাই নাৰীক দেৱী জ্ঞান কৰি উপসনা কৰিছিল। আৰু এই প্ৰসংগত মই মাৰ্কণ্ডেও পুৰাণত থকা এটা শ্লোক মই আপোনাৰ যোগেদি মাত্ৰ মই আওৰাব খুজিছো। মাৰ্কণ্ডে পুৰাণত উল্লেখ আছে, য়া দেৱী সৰ্বভূতেশু শক্তি-ৰূপেনা সংস্থিতা, য়া দেৱী সৰ্বভূতেশু মাতৃ-ৰূপেনা সংস্থিতা, য়া দেৱী সৰ্বভূতেশু লক্ষ্মী-ৰূপেনা সংস্থিতা এনে ধৰণে নমস্তশৈ নমস্তশ্যই নমস্তশৈ নমো নমঃ অৰ্থাৎ এই নাৰীসকলক দেৱী জ্ঞান কৰি আমি পূজা উপাসনা কৰাৰ দৰে এটা ব্যৱস্থা আছিল। সিমান সন্মান দিয়া হৈছিল, নাৰীক বিভিন্ন ৰূপত জ্ঞান কৰা হৈছিল। আৰু সেই ভাৰতীয় সভ্যতা সংস্কৃতিৰ মানুহে আমি কাহানিও নাৰীক অপমান কৰিবলৈ এৰি দিবও নোৱাৰোঁ আৰু নাৰীক সমমৰ্যদাৰ পৰা আমি বিতাৰিত কৰিব নোৱাৰোঁ। সেইকাৰণে ভাৰতীয় জনতা পাৰ্টীৰ শাসন যেতিয়াই ভাৰত বৰ্ষত আহিছে তেতিয়াই  সংসদৰ মজিয়াত নাৰীৰ ৰাজনীতিক আৰু সামাজিক অধিকাৰৰ সম্পৰ্কত বিস্তৃতভাৱে মানে সম্পূৰ্ণভাৱে আলোচনা হৈছে আৰু এই যিটো আমাৰ মহিলা সংৰক্ষণৰ ক্ষেত্ৰত ৰাজনৈতিক সংৰক্ষণৰ ক্ষেত্ৰত যিটো ৩৩ শতাংশৰ কথা আহিছে সেইখিনি পুৰ্ণ  সংৰক্ষণ প্ৰকৃত ৰূপত সাংবিধানিক ভাৱে কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। যাৰ বাবে বাচপেই জীৰ দিনতো এইটো আলোচনা হৈছিল, কিন্তু বিৰোধীতা বিৰোধী যিবিলাক শক্তি আছিলে আমাককৈ শক্তি বেছি থকা কাৰণে আমি পাছ কৰিব নোৱাৰিলো আৰু

২০২৩ চনত আমাৰ সংখ্যাধীক থকা কাৰণে আইনখন পাছ কৰা সম্পূৰ্ণ হৈ গ'ল। কিন্তু আজি আমাৰ বিৰোধী দলৰ দুই গৰাকী মান সদস্যই তেখেত লোকৰ বক্তব্যত কৈছে যে আপোনালোকে এই আইনখন যদি পাছেই কৰিলে কামত কিয় নলগায়। সেই কথাটো তেওঁলোকে আমাক বাৰে বাৰে এটা প্ৰশ্ন কৰি আছে, কিন্তু তেওঁলোকে এই কথাটো এই আইনখন তেওঁলোকে এবাৰ চাইছে নে নাই। ২০২৩ চনত যিখন বিল পাছ কৰা হৈছিল সেই বিলখনত এটা বাক্য লিখা আছে, আপোনালোকে যদি এতিয়াও সময় পাই চাই ল'ব ঘৰতগৈ। মই অনুৰোধ জনাইছোঁ। তাত কি লিখা আছে আপোনালোকে চাব " In the Bill The Government added a clause, it mandated that the 33% reservation for women could not be implemented after the completion of the next Census and subsequent delimitation." মানে next Census টো আৰু ডিলিমিটেশ্যন নোহোৱালেকে এখন ইম্প্লিমেণ্ট কৰিব পৰা নাযাব বুলি বিলখনত লিখা আছে। কিন্তু তেতিয়া আপোনালোকে সমৰ্থন কৰিলে আপোনালোকে সকলোৱে সমৰ্থন কৰি দিলে বুলি যেনেকৈ কৈছে আমিও মানি লৈছোঁ সমৰ্থন কৰিলে। কিন্তু আজি আপোনালোকে সেই কথাটো কিয় মনত পেলোৱা নাই যে আপোনালোকে সেই পইণ্টটো জনাৰ পাছেতো আপোনালোকে সমৰ্থন দিলে আৰু সমৰ্থন দিয়াৰ পাছত আজি আপোনালোকে আমি যেতিয়া ১৩১ নং সংবিধান সংশোধন কৰি ৫৫০

খন আখনৰ পৰা ৮৫০ খনলৈ আসন যেতিয়া বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল এতিয়া কংগ্ৰেছে বিৰোধীতা কৰিছে। কাৰণ আপোনালোকে গম পালে যে এই কামটো হোৱাৰ লগে লগে মহিলা সকলে অগ্ৰধীকাৰ পাব atleast 33% মহিলা সংৰক্ষণ পাব আৰু পোৱাৰ লগে লগে আপোনালোকৰ বোৱাৰী বিলাক আপোনালোকৰ মিচেছ্‌ বিলাক এই টিকত পোৱাৰ পৰা বঞ্চিত হ'ব বুলি আপোনালোকে ভাৱি ইয়াৰ ঘোৰ বিৰোধীতা কৰিছে। গতিকে ইতিহাস আপোনালোকে পাহৰি নাযাব। যিবিলাক কাম আপোনালোকে ভুল কৰে আৰু সেই ভুলৰ পৰা আপোনালোকে আমাক পাপ দিবৰ কাৰণে যত্ন কৰে। গতিকে মই সেইখিনি আপোনালোকক আজি সোৱাৰাই থৈছো। কাৰণ আমি সদায় এটা কথা মনত ৰাখিব লাগিব যে মহিলা সমাজ খনক বাদ দি আমি সমাজৰ উন্নয়নৰ কথা ভাৱিব নোৱাৰো। আৰু সেই কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যিমান বিলাক কল্যাণমূলক আঁচনি লোৱা হৈছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত যিমানবিলাক কল্যাণমূলক আঁচনি লোৱা হৈছে তাৰ বেছিভাগেই মহিলাৰ লগত উচৰ্গিত হৈছে আৰু মহিলাৰ লগত জড়িত কৰা হৈছে। গতিকে এই আঁচনিবিলাক আমি ইম্প্লিমেণ্ট কৰাৰ মূল কথাই হ'ল যে মহিলাসকলক সৱলিকৰণ কৰিব লাগিব, মহিলাসকলক শক্তিশালী কৰিব লাগিব, আৰু সৰ্পদিশক কৰিব লাগিব। কেৱল এটা দিশত আমি কেৱল তেওঁলোকক ঘৰৰ পইচা ছুবকাৰণে দি

দিলেই অধিকাৰ দিয়া নুবুযায়। কোনোবা এগৰাকী কেৱল শিক্ষিত হ'লে একো অধিকাৰ দিয়া নুবুযায়। আমি সৰ্বদিশত তেওঁলোকক আৰ্থিকভাৱে সৱল কৰিব লাগিব, শৈক্ষিকভাৱে কৰিব লাগিব, সামাজিকভাৱে কৰিব লাগিব, ৰাজনৈতিকভাৱে তেওঁলোকক স্বীকৃতি প্ৰদান কৰিব লাগিব। তেতিয়াহে আমাৰ ভাৰতবৰ্ষত বা অসমৰ মহিলাসকলে আমাৰ পুৰুষৰ সমানে সমানে আগুৱাই যোৱা এটা পৰিৱেশ নিৰ্মাণ হ'ব। গতিকে এইখিনিকে কৰিবৰ কাৰণে আমি এই ৰাজনৈতিকভাৱে আগবাঢ়ি যাব নোৱাৰা যিটো ব্যৱস্থা আজি আমাৰ এগৰাকী বন্ধুই ক'লে যে আপোনালোকে বিধানসভাত আসন ইমান দিয়া নাই। আপোনালোকে দিলে ঠিক আছে, আমাৰ য'ত কেণ্ডিডে'ট আমাৰ সেই সময়ত আমি তেনেদৰে কেণ্ডিডে'ট নোপোৱা কাৰণে হয়তো আমি দিব নোৱাৰিলোঁ। কিন্তু অনাগত যিটো দিনত যেতিয়া আমাৰ থাৰ্টি থ্ৰী পাৰ্চেণ্ট ৰিজাৰ্ভেশ্যন হৈ যাব । তাত মহিলাৰ বাবে আমি একো দিব নোৱাৰোঁ। গতিকে মহিলা এগৰাকীক তাত প্ৰিপেয়াৰ কৰা হ'ব, প্ৰিপেয়াৰ কৰি তেওঁক তাত খেলিবৰ কাৰণে ব্যৱস্থা কৰি দিয়া হ'ব। আৰু কংগ্ৰেছক যাতে এতিয়াতকৈ আৰু বেছি ভোটত হৰুৱাই দিব পাৰে মহিলা গৰাকীয়ে তাৰ কাৰণে আমি সকলোৱে সহযোগ কৰি দিম । গতিকে এই ব্যৱস্থা খিনি আমি সময়ত কৰিম । কিন্তু এই মুহূৰ্তত আপোনালোকে প্ৰথম আমাক সমৰ্থন দিয়ক যে আমি 33 % টো আমি কেনেকৈ লাঘু কৰিব পাৰো বা ইয়াত কাৰ্যকাৰী

কৰিব পাৰো তাৰ বাবে আমি আপোনালোকক আহ্বান জনাইছো। আৰু এই কাৰণে অসম বিধান সভাৰ মজিয়াৰ পৰা আজি নিশ্চিত ভাৱে এটা কেন্দ্ৰলৈ এটা বাৰ্তা যাব যে অসম বিধানসভাও আজি থাৰ্টি থ্ৰী পাৰ্চেণ্ট ৰিজাৰ্ভেশ্যন বিলখনত এই প্ৰস্তাৱটোক আমি সমৰ্থন জনাইছোঁ যাতে অনাগত দিনত সংসদৰ মজিয়াত আলোচনা হ'লে এইখনক কংগ্ৰেছকেই ধৰি অন্যান্য দলেও তাতে সমৰ্থন কৰি মহিলাসকলক সন্মান জনাই আৰু ৰাজনৈতিকভাৱে অধিকাৰ যাতে প্ৰদান কৰে তাৰে কাৰণে আপোনালোকে ব্যৱস্থা কৰিব। গতিকে সভাপতি মহোদয় মোৰ ফালৰ পৰা মই এইকেইটাকে বক্তব্য ৰাখিলোঁ মই আশা ৰাখিছোঁ অনাগত দিনবিলাকত আমাৰ সকলো মানুহে এই মহিলাসকলক সন্মান দিবলৈ শিকক মহিলাসকলক ৰাজনৈতিক অধিকাৰ দিয়ক আৰু এই কাৰণেই দিব লাগিব কাৰণ মহিলা মহিলাক সন্মান দিয়াৰ অবিহনে আমাৰ সমাজখন সুস্থ হ'ব নোৱাৰে আৰু টিস্তি থাকিব নোৱাৰে। শেষত মই মনোস্মৃতিত থকা এটি শ্লোকেৰে মই আজিৰ মোৰ বক্তব্য সামৰিব খুজিছো। মনোস্মৃতিত কোৱা হৈছিল যে যত্ৰ নাৰীয়স্তু পূৰ্যন্তে তত্ৰ গমন্তে দেৱতা অৰ্থাৎ য'ত নাৰীক সন্মান কৰা হয় য'ত নাৰীক পূজন কৰা হয় তাত দেৱতাৰ মানে এটা দেৱত্ব লোকৰ অৱস্থা সৃষ্টি হয় বুলি মনোহংকিতাত মনোস্মৃতিৰ আজিৰ পৰা কেইবা হাজাৰ বছৰ আগতে কৈ গৈছে এইটো আজি বা কালিকোৱা কথা নহয় গতিকে আমি সেই পুৰাতন হিন্দু সভ্যতাৰ মানুহ যি সভ্যতাই যুগে যুগে

নাৰীক সন্মান দিবলৈ শিকিছে আৰু গোটেই জগত সভাক এই কথাকে আমি শিকাই গৈছোঁ , ধন্যবাদ।

**সভাপতি, শ্ৰী ওৱাজেদ আলী চৌধুৰী** :- ধন্যবাদ। এতিয়া শ্ৰীৰূপম চন্দ্ৰ ৰয়।

**শ্ৰীৰূপম চন্দ্ৰ ৰয়**, **(বাওখুংগ্ৰী) :**- মাননীয় সভাপতি মহোদয়, এই পবিত্ৰ সদনত কথা কবলৈ সুযোগ দিয়াৰ কাৰণে পোন প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আৰু ইয়াৰ লগে লগে আমাৰ অসমৰ সন্মানীয় যশস্বী কৰ্মদক্ষ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ। তেখেতৰ যি দূৰদৰ্শী চিন্তাৰে যুৱপ্ৰজন্মক আগবঢ়াই লৈ গৈ ৰাজ্য তথা দেশ খনক যি উন্নয়নৰ অগ্ৰধিকাৰ দিব বিচাৰিছে তাৰ কাৰণে তেখেতক মই তেখেতৰ এই পদক্ষেপ সচাঁকৈ সলাগ লব লগীয়া আৰু লগে লগে BTC প্ৰধান হাগ্ৰামা মহিলাৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ। বি টি চি অঞ্চলৰ সম উন্নয়ন সম বিকাশ আৰু যুৱ প্ৰজন্মক অগ্ৰাধিকাৰ দি বাওপন্থী দলৰ এটা ফুলনি বাগিচাৰ দৰেই এটা সমষ্টিত মোক প্ৰতিনীধিত্ব কৰিবলৈ যি সুযোগ দিলে তাৰ কাৰণে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আৰু বাওপন্থী বাসী ৰাইজৰ শ্ৰীচৰণত মই সেৱা যাচিছো । এতিয়া মাননীয় মন্ত্ৰী অজন্তা নেওঁগ বাইদেউৰে উত্থাপন কৰা নাৰী সমাজৰ সামগ্ৰীক উন্নয়ন আৰু

সৰলীকৰণ নিশ্চিত কৰিবলৈ ডিলিমিটেচনৰ পিছত সাংসদ আৰু বিধান সভাত মহিলাৰ বাবে যি এক তৃতীয়াংশ আসনৰ সংৰক্ষণৰ প্ৰস্তাৱ উত্থাপন কৰিছে তাক আমি এনডিএৰ অংশীদাৰ বিপিএফদলে সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। কাৰণ আমি বিশ্বাস কৰোঁ আমি সকলোৱে জানো আমি এইখন পৃথিৱীত আইৰ জৰিয়তে আহিছোঁ আৰু আমি আজি ৰাজনীতি কৰি আছোঁ এই ৰাজনীতিও আমি অসমী আইৰ বুকুতেই আমি কৰি আছোঁ। গতিকে মাতৃসমাজক অগ্ৰাধিকাৰ দিয়াটো আমাৰ সকলোৱে দায়িত্ব আছে । ভাৰতবৰ্ষৰ তথা অসম ৰাজ্যত আপোনালোকে সকলোৱে জানে যে প্ৰায় পঞ্চাছ শতাংশ জনসংখ্যা আমাৰ নাৰী সমাজ । গতিকে নাৰী সমাজক অগ্ৰাধিকাৰ দিয়াতো আমাৰ দায়িত্ব । আৰু এই ক্ষেত্ৰত সকলোৱে ইতিমধ্যে সহায় সহযোগিতা আগবঢ়াব বুলি আমি আশাবাদী । আৰু লগে লগে বৰ্তমানৰ যিখন চৰকাৰ আছে এই চৰকাৰ খনে আই মাতৃ সমাজক বা নাৰী সমাজক  আগবঢ়াই লৈ যোৱাৰ কাৰণে ইতিমধ্যে আপোনালোকে দেখিছে তেওঁলোকে অৰ্থনৈতিক ভাৱে স্বাবলম্বী কৰাৰ কাৰণে যথেষ্ট কাৰ্যপন্থা হাতত লৈছে । মহিলা উদ্যমীতায়েই হওক, অৰুণোদয় আঁচনিয়েই হওঁক, চেল্ফ হেল্প গ্ৰুপৰ ক্ষেত্ৰতেই হওঁক বা নিযুত মইনাৰ ক্ষেত্ৰতে হওক আই মাতৃ সমাজক বা নাৰী সমাজক আগবঢ়াই লৈ যোৱাৰ কাৰণে বৰ্তমানৰ চৰকাৰখনে যথেষ্ট কাম কৰি আছে। আৰু এই ক্ষেত্ৰত আমি সকলোৱে ক'বই লাগিব যে বৰ্তমান সমাজ ব্যৱস্থাত

আমাৰ জনগোষ্ঠীসমূহ হওক জাতিসমূহ হওক ধৰি ৰখাৰ ক্ষেত্ৰত নাৰী সমাজেই ভূমিকা লৈ আছে। আজি কোচৰাজবংশী সমাজৰ ক্ষেত্ৰতেই হওক পাতিৰ পাতানি পৰিধান কৰি আমাৰ আই মাতৃসমাজেই আমাৰ জনগোষ্ঠীটোক পৰিচয় দিছে। বড়ো সমাজৰ কথাই যদি কওঁ, বড়ো সমাজৰ যি সংস্কৃতি সেয়া দখনাৰ জৰিয়তে সমগ্ৰ বিশ্বতে নাৰী সমাজে উপস্থাপন কৰি আছে। বিভিন্ন জাতি জনগোষ্ঠীক উপস্থাপনৰ ক্ষেত্ৰত নাৰী সমাজে অগ্ৰানী ভূমিকা লৈ আছে। এই ক্ষেত্ৰত আমি সকলোৱে নাৰী সমাজক সন্মান জনাই ইয়াত কিন্তু-পৰন্তু নাৰাখি যিখন প্ৰস্তাৱ আজি ইয়াত উল্লেখ কৰিছে, সেই প্ৰস্তাৱৰ প্ৰতি আমি সকলোৱে সমৰ্থণ জনাব লাগে আৰু আগন্তুক দিনত delimitation ৰ পিছত দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন  সংৰক্ষণৰ যি ব্যৱস্থা সেই ব্যৱস্থাৰ প্ৰতি সকলোৱে সমৰ্থণ জনাব লাগে। এই ক্ষেত্ৰত আজি যিটো প্ৰস্তাৱ আনিছে সেইটো মহিলা, আই-মাতৃৰ বাবে কেৱল আসন সংৰক্ষণেই নহয় ভাৰতীয় গণতন্ত্ৰক অধিক ন্যায়সঙ্গত আৰু অন্তৰ্ভুক্তমূলক আৰু দূৰদৰ্শী কৰাৰ এক ঐতিহাসিক পদক্ষেপ। নাৰীৰ কন্ঠই যেতিয়া আইন প্ৰণয়ণৰ ক্ষেত্ৰত অধিক শক্তিশালী হ'ব তেতিয়া সমাজখন অধিক শক্তিশালী হৈ যাব বুলি আমি আশাবাদী । এইক্ষেত্ৰত বিৰোধীৰ সন্মানীয় সদস্যসকলে সহায়-সহযোগ কৰিব বুলি আমি আশা ৰাখিছো আৰু আগন্তুক দিনত ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই নাৰীৰ আসন সংৰক্ষণৰ বাবে যি আইন

আনিছে, এইক্ষেত্ৰত আমাৰ  অসমৰ পৰা যি প্ৰস্তাৱ লোৱা হৈছে তাৰ প্ৰতি মই সমৰ্থণ জনাই মোৰ চমু ভাষণ ইয়াতে সামৰিছো। ধন্যবাদ।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, সভাপতিঃ** ধন্যবাদ । এতিয়া মাননীয় সদস্য শ্ৰী কিশোৰ নাথ। আপোনাৰ সময় ৬ মিনিট।

**শ্ৰী কিশোর নাথ বরখোলাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই গৌরবময় বিধান সভায় নারী শক্তি বিষয়ের উপর বক্তব্য রাখতে উঠে গর্ব অনুভব করছি। নারী শুধু একটি পরিবারের ভিত্তি নন বরং সমাজ ও জাতির অগ্রগতির অন্যতম প্রধান শক্তি । আমাদের ভারতীয় সংস্কৃতিতে নারীকে সর্বদা শক্তি, জ্ঞান ও সমৃদ্ধির প্রতীক হিসাবে দেখা হয়েছে । ইতিহাস সাক্ষী যে সমাজ নারীদের সন্মান করেছে সেই সমাজই উন্নতির শিখরে পৌঁচেছে। আজকের আধুনিক যুগে নারীরা শিক্ষা, বিজ্ঞান, প্রশাসন, কৃষি, ব্যবসা-বাণিজ্য, ক্রীড়া থেকে শুরু করে প্রতিটি ক্ষেত্রেই নিজেদের দক্ষতা ও নেতৃত্বের পরিচয় দিচ্ছে। দেশের উন্নয়নে আজ নারীদের অবদান অনস্বীকার্য্য । মাননীয় যশস্বী প্রধানমন্ত্রী নরেন্দ্র মোদীর নেতৃত্বে নারী ক্ষমাতায়নের ক্ষেত্রে দেশ এক নুতন দিশা পেয়েছে।  'বেটি বাঁচাও বেটি পড়াও', উজ্জবলা যোজনা, মুদ্রা ঋন, এবং নারী শক্তি বন্দনা অধিনিয়মের মত ঐতিহাসিক পদক্ষেপ দেশের নারীদের আরও শক্তিশালী করেছে । সংসদ ও বিধানসভায়  মহিলাদের জন্য সংরক্ষন নিশ্চত করার সিদ্ধান্ত দেশের গণতন্ত্রকে আরও সমৃদ্ধ করবে এবং নারীদের সুযোগ বৃদ্ধি করবে।

অসমেও জনপ্রিয় মাননীয় হিমন্ত বিশ্ব শর্মা মহাশয়ের নেতৃত্বে নারী কল্যানের একাধিক গুরুত্বপূর্ণ পদক্ষেপ গ্রহণ করা হয়েছে । অরুণোদয় প্রকল্প লক্ষ লক্ষ মহিলাকে আর্থিক সহায়তা প্রদান করেছে । স্ব-নির্ভর গোষ্ঠীগুলোকে শক্তিশালী করার মাধ্যমে গ্রামের মহিলারাও আত্মনির্ভরতার প্রতি এগিয়ে চলেছে। মাননীয় অধ্যক্ষ মহোদয়, বরাক উপত্যকার নারীরা সমাজ ও সংস্কৃতি রক্ষার গুরুত্বপূর্ণ ভূমিকা পালন করেছেন । পরিবার সামলানোর পাশাপাশি উনারা শিক্ষা, কৃষি, হস্তশিল্প, সামাজিক উন্নয়েনর ক্ষেত্রেও গুরুত্বপূর্ণ অবদান রেখে চলেছেন । তবে এখনও নারী নির্যাতন, বাল্যবিবাহ, শিক্ষার অসম সুযোগের মতো চ্যালেঞ্জ রয়ে গিয়েছে তাই নারীদের নিরাপত্তা ও শিক্ষায় সমান সুযোগ নিশ্চিত করা আমাদের সকলের দায়িত্ব। কারণ নারী এগিয়ে গেলেই পরিবার ও সমাজ এগিয়ে যায়, এবং দেশ শক্তিশালী হয় । অতএব আসুন আমরা সকলে মিলিতভাবে নারী শক্তির সন্মান, নিরাপত্তা ও ক্ষমতা উন্নয়নের জন্য কাজ করি এবং একটি শক্তিশালী ও উন্নত অসম গঠনের জন্য অঙ্গীকারবদ্ধ হই । একটি ঘর মন্দির হতে হলে একজন নারী শক্তির দরকার। এই কথার মাধ্যমে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ। জয় আই অসম। জয় হিন্দ।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, সভাপতিঃ** ধন্যবাদ । এতিয়া মাননীয় সদস্য ড০ জয়প্ৰকাশ দাস।

**ডঃ জয়প্ৰকাশ দাস, নাওবৈচাঃ** মাননীয় সভাপতি মহোদয়, মাননীয় মন্ত্ৰী অজন্তা নেওঁগ বাইদেৱে যিটো সংকল্প প্ৰস্তাৱ আনিছে এই সংকল্প প্ৰস্তাৱৰ আমি বিৰোধিতা কৰিব বিচৰা নাই কিন্তু আমাৰ এটা কথাতেই আপত্তি আছে। তেখেতে উল্লেখ কৰিছে যে সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতেই দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব। সভাপতি মহোদয়, কংগ্ৰেছ দল কেতিয়াও মহিলা বিৰোধী নহয়। কাৰণ সময়ে সময়ে আমি প্ৰমাণ কৰিছো যে আমি মহিলাক সন্মান দিছো, মহিলাক আগুৱাই দিছো। মাননীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়াইও তেখেতৰ বক্তব্যত উল্লেখ কৰিছে যে ২০২৩ বৰ্ষত যিখন বিধেয়ক অনা হৈছিল সেই বিধেয়কখন আমি সৰ্ব্বসন্মতিক্ৰমে আগবঢ়াই দিছো। কিন্তু ২০২৬ বৰ্ষত আকৌ কি কাৰণত বিধেয়কখন আনিবলগা হ'ল ? আমাৰ মনতো সেইটোৱেই প্ৰশ্ন ! মাননীয় সভাপতি মহোদয়, আমি স্পষ্টকৈ ক'ব বিচাৰিছো যে কংগ্ৰেছ দলে কোনো কাৰণতেই বিৰোধীতা কৰা নাই কেৱল সমষ্টি পুনৰ নিৰ্দ্ধাৰণ প্ৰক্ৰিয়ালৈ নৰৈ এতিয়াই কৰক। বিগত সময়ত আমি দেখিছো যে সেই সময়ৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়াই মহিলা সকলক আগুৱাই নিয়াৰ বাবে পঞ্চায়তত মহিলাৰ আসন ৩৩ শতাংশলৈ সংৰক্ষণ কৰিছিল। তাৰ পিছতেই প্ৰয়াত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াৰ দিনত পঞ্চায়তত মহিলাৰ আসনৰ সংখ্যা ৫০ শতাংশলৈ সংৰক্ষণ কৰা আমি দেখিছো। কিন্তু এতিয়া সদনত এনেকুৱা কথা কোৱা হৈছে যে কংগ্ৰেছ দলে মহিলা সকলক আগুৱাবলৈ নিদিয়ে। সভাপতি মহোদয়, চাকৰিৰ

ক্ষেত্রত মহিলাৰ আসন সংৰক্ষণৰ পলিচিটো আমাৰ কংগ্ৰেছ চৰকাৰেই অসমত আনিছিল। মহিলা সৱলীকৰণ, Self Help group ৰ concept আমাৰ প্ৰয়াত মুখমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ দিনতেই অসমত অনা হৈছিল। আমাৰ কংগ্ৰেছৰ দিনতেই নৱম-দশম শ্ৰেণীৰ ছাত্ৰীক চাইকেল দি তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত যাতে গোটেই পৃথিৱীতে জিলিকিব পাৰে তাৰ বাবেও আমি পদক্ষেপ লৈছিলো। সভাপতি মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াই মহিলাৰ সৱলীকৰণ আৰু সন্মানৰ কথা কৈছে কিন্তু মই জানিব বিচাৰো যে তেওঁ মহিলাৰ কি সৱলীকৰণ আৰু সন্মানৰ কথা কৈছে ? যিখিনি সময়ত খিলঞ্জীয়া মহিলাই নিজৰ মাটিৰ বাবে শিলসাঁকোত উলঙ্গ হৈ প্ৰতিবাদ কৰিবলগীয়া হৈছে, মণিপুৰত মহিলাক উলঙ্গ কৰি প্ৰচেশ্যন কৰা হৈছে সেইখিনি সময়ত মন্ত্ৰী মহোদয়াই এটাও বাক্য নক'লে, বি.জে.পি.ৰ পৰা আমি এটা বাক্যও নাপালো। জোনমনি ৰাভাৰ হত্যা কি পৰ্য্যায়ত গ'ল সেইটো জোনমনি ৰাভাৰ মাতৃয়ে ভাৱিবলৈ বাধ্য হৈছে আৰু সেয়া অসমৰ ৰাইজেও দেখিছে। মহিলা সংৰক্ষণৰ ওপৰত অনা বিধেয়ক খনৰ ক্ষেত্ৰত মই অনুভৱ কৰিছো যে মহিলাক ৩৩ শতাংশই নহয়, ৫০ শতাংশই সুযোগ দিয়ক কিন্তু ইয়াৰ লগতে মই এইটোও অনুৰোধ কৰিছো যে সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়ালৈ অপেক্ষা নকৰি OBC,SC/ST ৰ লগতে পিছপৰা মহিলা সকলৰ ন্যায্য আৰু অংশীদাৰিত্ব নিশ্চিত কৰিব লাগে। শ্ৰদ্ধাৰ সভাপতি মহোদয়,

আমি জানো যে বিগত সময়ত কংগ্ৰছ চৰকাৰে মহিলা সকলক আগবঢ়াই দিয়াৰ যি উদাহৰণ ইন্দিৰা গান্ধীৰ কথা কওঁক প্ৰতিভা সিং পাটিলৰ কথা কওঁক, অসমৰ খ্যাতনমা আনোৱাৰা টাইমুৰৰ নিচিনা

এগৰাকী মহিলাক  আমি মুখ্য মন্ত্ৰী হ'বলৈ সুবিধা কৰি দিছিলো। সেই কাৰণে আমি দলীয় পৰ্য্যায়তো কংগ্ৰেছৰ সভাপতি পৰ্য্যায়ত ইন্দিৰা গান্ধী , সৰোজনী নাইডু, ছোনীয়া গান্ধীৰ নিচিনা মহিলাক আগবঢ়াই আমি  মহিলাক আগুৱাই দিয়াৰ , সন্মান দিয়াৰ সৱলীকৰণৰ যি প্ৰচেষ্টা আমি সময়ে সময়ে দেখাইছো। মাননীয় অধ্যক্ষ মহোদয় কি মহিলা সৱলীকৰণৰ কথা কৈছে, যোৱা বিধান সভা নিৰ্বাচনত যেতিয়া বি জে পি য়ে কেৱল ৬ গৰাকী মহিলাক তেওঁলোকে টিকেট প্ৰদান কৰে সেইখিনি সময়ত তেওঁলোকে সেই ৩৩ শতাংশৰ কথাটো কিয় কোৱা ন'হল ? কিন্তু কংগ্ৰেছে বি জে পি ত কৈ বেছি মহিলাক ১৪ গৰাকী মহিলাক আমি এই বিধান সভাৰ যুদ্ধত অংশ ল'বৰ কাৰণে সুবিধা কৰি দিছো।

( **মাননীয় অধ্যক্ষ আসনত উপবিষ্ট )**

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয় মই স্পষ্টভাৱে ক'ব খুজিছো যে আমি এই বিধেয়কখন পাৰিত হোৱাটো বিচাৰিছো লগতে delimitation লৈ অপেক্ষা নকৰি অতি শীঘ্ৰেই যাতে আজি ইয়াত আমাৰ আগন্তুক নিৰ্বাচনৰ পৰা যাতে ৩৩ শতাংশ reservation মহিলা সকলে সুবিধা লাভ কৰিব পাৰে তাৰ কাৰণে মই মোৰ ফালৰ পৰা মাননীয় অধ্যক্ষ মহোদয়, আপোনাক অৱগত কৰিলো। বেছি দীঘলীয়া নকৰো সদৌ শেষত মই এটায়ে অনুৰোধ কৰিছো যে এটা কথা হ'ব লাগে যে মহিলাক ভোট বেংক হিচাবে ব্যৱহাৰ নকৰি নেতৃত্ব দিব পৰাকৈ সুযোগ দিয়ক তেতিয়াহে কিন্তু আমাৰ সমাজখন

আগুৱাই যাব। এই দু-আষাৰ কৈ মই সকলোকে পুনৰবাৰ ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰাজদ্বীপ গোৱালা।

**শ্ৰী রাজদীপ গোয়ালা উধারবন্দঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রথমেই আমি আপনাকে ধন্যবাদ জানাচ্ছি যে মাননীয় মন্ত্রী অজন্তা নেওগ মহাশয়া যে প্রস্তাব এই বিধানসভায় নিয়ে এসেছেন মহিলাদের যে সংরক্ষণ ৩৩ শতাংশ পার্লামেন্ট ও বিধান সভায় implement করার জন্য এই প্রস্তাবের সমর্থনে আমি আমার বক্তব্য দিতে চাই। প্রথমেই মা কাঁচা কান্তির পুন্যভূমি উধারবন্দ বিধান সভা কেন্দ্র থেকে এইবার এই সদনে উধারবন্দের জনগনের প্রতিনিধিত্ব করার যে সুযোগ পেয়েছি তার জন্য উধারবন্দের প্রত্যেক ভোটদাতাকে আমি ধন্যবাদ জানাচ্ছি। আমাদের বেদ-পুরাণে সংস্কৃতে লেখা আছে

যত্র নার্যস্তু পূজ্যন্তে রমন্তে তত্র দেবতা।
যত্রৈতাস্তু ন পূজ্যন্তে সর্বতত্র ফলক্রিয়া।।

অর্থাৎ যেখানে নারীরা পূজিত হন সেখানে দেবতারা বাস করেন। আর যেখানে নারীরা অসন্মানিত হন সেখানে সমস্ত শুভ কাজ, শুভ প্রচেষ্টা নিষ্ফল হয়ে যায়। স্বামীজী বলেছেন যে জাতি নারীদের সন্মান করতে জানেনা সেই জাতি কখনও উন্নতি করতে পারে না। আজকে যে Resolution এসেছে সেই Resolution একটা প্রমাণ আমাদের সরকারের একটা যে intention এবং seriousness আছে যে women reservation bill আগামী দিনে কিভাবে বাস্তবায়িত হতে পারে। আমি আমার প্রণাম ও শ্র্দ্ধা নিবেদন করছি শহীদ কনকলতা বরুয়াকে, ঝাঁসি কি রাণী লক্ষ্মীবাঈ যারা দেশের জন্য জীবন বলিদান দিয়েছেন

ও শহীদ হয়েছেন , তার মধ্যে কমলা ভট্টাচার্য্যও একজন যিনি ভাষা আন্দোলনের জন্য শহীদ হয়েছেন। আমার জীবনে নারীদের অবদান অতুলনীয়। এই কারণে আমি মনে করি আমার দায়িত্ব এবং কর্তব্য কিভাবে  নারীদের উন্নতি সাধন করা যায়। নারীদের সন্মান আমাদের জন্য সর্বোপরি। নারীরা যদি এগিয়ে যান তখনই আমাদের সমাজ ও দেশ এগিয়ে যাবে। আমাদের মাননীয় প্রধানমন্ত্রী নরেন্দ্র মোদী ও আমাদের অসমের মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে মহিলাদের এগিয়ে নিয়ে যাওয়ার জন্য বিভিন্ন পদক্ষেপ গ্রহন করা হয়েছে।  আপনারা সৰকারি প্রকল্প যদি দেখেন তাহলে দেখবেন সব থেকে বেশী নারীদের সুযোগ সুবিধা করে দেওয়া হয়েছে।  এইবার নির্বাচনের যে ফলাফল হয়েছে আমি মনে করি যে আজকে ভারতীয় জনতা পার্টী এবং এন ডি এ মিত্র জোট এই যে এতগুলো সিট লাভ করেছে তার সব থেকে বড় অবদান মহিলাদেরেই আছে আমি মনে করি। বিগত দিনে আপনারা দেখেছেন অরুণোদয়, মহিলা উদ্যমিতা, নিযুত ময়না এবং বিভিন্ন প্রকল্পের মাধ্যেমে আমাদের মহিলাদের কিভাবে এগিয়ে নিয়ে যাওয়া যায় সেটা আমাদের মাননীয় মুখ্যমন্ত্রী করেছেন। আমরা অনেক সময় চা উদ্যোগের কথা বলি, আজকে যদি চা উদ্যোগটা টিকে আছে তাহলে সেটা মহিলাদের জন্যই। আজকে যদি মহিলারা না থাকেন তাহলে চা উদ্যোগ বন্ধ হয়ে যাবে। আমি আমার শ্রদ্ধা জানাচ্ছি চা বাগানের সেই মহিলাদের জন্য। আমরা উদাহরণ স্বরূপে দেখেছি চা বাগানের আদিবাসী কমিউনিটি থেকে মার্টিনা টুডু  প্রথম এম বি বি এস হয়েছেন। এইধরণের অনেক উদাহরণ রয়েছে। গতকালকেই কার্বি-আংলং থেকে পখিলা

লেকথেপিকে পদ্মশ্রী দেওয়া হয়েছে৷ আমরা দেখেছি যে আমাদের রাজ্য থেকে অনেক মহিলা সুনাম অর্জন করেছেন। এরকম অনেক লম্বা লিষ্ট আমার কাছে আছে। সময় যেহেতু কম এই বিষয়ে আমি দীর্ঘ আলোচনা আমি করতে পারছি না। আমাদের মাননীয় মুখ্যমন্ত্রী উনার বক্তব্যে আমাদের গো মাতার কুরবানির বিষয়ে উনি বলেছেন যে বিভিন্ন অঞ্চলের মুসলিম সম্প্রদায়ের মানুষ এই কুরবানিটি বন্ধ করার সিদ্ধান্ত নিয়েছেন। আমার সমষ্টি উধারবন্দ অঞ্চলের বিভিন্ন মুসলিম সম্প্রদায়ের মসজিদ কমিটি ও ঈদগাহ কমিটি গো-মাতার কুরবানি বন্ধ করার যে সিদ্ধান্ত নিয়েছেন তাদের আমি বিশেষ ধন্যবাদ জানাচ্ছি। আমাদের বিরোধী পক্ষের বিধায়করা ডিলিমিটেশনের কথা বলে এই প্রস্তাবকে সমর্থন করছেন। আমি জানিনা ডিলিমিটেশনের ভয় কেন আছে ওদের মনে৷ বিরোধীরা যে মূল স্রোত থেকে সরে গেছেন আজকে উনাদের বুঝা উচিত কি ভারতবর্ষের জনগনের যে চাহিদা বা দাবী এই দাবীর বিরুদ্ধে যদি উনারা যান নিশ্চিন্ন হয়ে যাবেন আগামী দিনে। আমি বলবো এখনও সময় আছে আপনারা সবাই এক জোট হয়ে এই প্রস্তাবকে সমর্থন করি । নারীদের যে সন্মান এই সন্মানকে আমরা রক্ষা করি এবং নারীদের প্রতি আমাদের যে কর্তব্য ও দায়িত্ব সেটা যেন আমরা পালন করতে পারি। আমাদের ইংরাজীতে একটা Code আছে 'Behind every successfull men there is a women', আমরা এই Codeকে বদলাতে পারি আজকে আমাদের এই বিধানসভাতেই নারীর সংখ্যা কম রয়েছে, আমরা যারা এখানে পুরুষরা আছি আমাদের দায়িত্ব হচেছ যে নারীকে এগিয়ে নিয়ে যেতে হবে এবং আগামী দিনে এইটা বলা যাবে 'Behind every successfull

women there is a men,' এই ধরণের প্রচেষ্টা আমাদের সবাইকে করতে হবে । আমার বক্তব্যের সময় প্রায় শেষ। আবারও আমি ধন্যবাদ জানাচ্ছি আমাকে কথা বলার সুযোগ দেওয়ার জন্য । বন্দে মাতরম। ভারত মাতা কি জয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া শিউলী মহিলাৰী।

**শ্ৰীমতী শিউলী মহিলাৰী, কোকৰাঝাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই গৌৰৱময় সদনত মহিলা সংৰক্ষণৰ বিধেয়কৰ সমৰ্থনত মই মন্তব্য আগবঢ়াব বিচাৰিছো। প্ৰথমতে এই ঐতিহাসিক পদক্ষেপৰ বাবে আমাৰ সন্মানীয় মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানী বাইদেউক মই শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো । আজি কিছুমানে এই বিধেয়কৰ বিৰুদ্ধে কৈছে, আৰু কথাটো হয় যে মোকে ধৰি কেইগৰাকীমান মহিলা ইয়াতে জিকি অহা আমি বিধেয়ক নাথাকিলেওঁ আমি কিন্তু পুৰুষক পৰাজিত কৰি জিকি আহিবৰ কাৰণে সক্ষম হৈছো। কিন্তু আচল কথাটো হৈছে, এতিয়া সত্য কথা যে বহুত নাৰী সমাজত এতিয়াও সুবিধাৰ পৰা বঞ্চিত হৈ আছে। সেই কাৰণে এনেদৰে বঞ্চিত হৈ থকা সুযোগ্য মহিলা সকলক আনিব লাগিলে আমাৰ সংৰক্ষণ থাকিব লাগিব আৰু আজি বহু যুগ ধৰি ভাৰতবৰ্ষত মহিলা সকলে নিজৰ কৃত্তিত্ব প্ৰমাণ কৰিছে। আজি খেলৰ ক্ষেত্ৰতে হওঁক শিক্ষাৰ ক্ষেত্ৰতে হওঁক সাহিত্য,ক'লা, সংস্কৃতি আৰু বৈজ্ঞানিক আমি দেখি আহিছো আমি সুনিতা উইলিয়ামচ কথা ----

**শ্ৰীমতী শিউলী মহিলাৰী,কোকৰাঝাৰঃ.........** ক্ৰমশ..... শিক্ষাৰ ক্ষেত্ৰতে হওঁক, সাহিত্য কলা সংস্কৃতি আৰু বৈজ্ঞানিক আমি দেখি আহিছো সুনিতা উইলিয়ামছৰ কথা চাব পাৰো, তেখেতে যেনেকৈ এগৰাকী নাৰী হৈও ইমান ডাঙৰ কাম কৰি আহিছে তাকে আমি নাৰীৰ ধৈৰ্য্য আৰু গুণ মানি ল'ব লাগিব । গতিকে আগন্তুক দিনত নাৰী

সমাজক আগুৱাই লৈ যাবলৈ হ'লে আমি নাৰীৰ কাৰণে ৰাজনীতিৰ ক্ষেত্ৰতো স্থান গ্ৰহণ কৰিবৰ কাৰণে এটা সুযোগ দিব লাগে। গতিকে মহিলা সংৰক্ষণৰ এই বিধেয়ক খনে নাৰী সমাজক আগুৱাই যোৱাত আৰু সংসদলৈ আহিব পৰা এটা পথ নিৰ্ধাৰণ কৰিব আৰু ইয়ে ভৱিষ্যতত নাৰী সমাজে যাতে বেছিকৈ ৰাজনীতিত অংশগ্ৰহণ কৰিব পাৰে তাৰ পথ মুকলি কৰিব। মহিলা সমাজে বিভিন্ন সময়ত আমাৰ দেশত স্বাধীনতা আন্দোলনকে আৰম্ভ কৰি আমি যদি ইতিহাস চাওঁ আমাৰ অসমতো কনকলতা ডাঙৰীয়াণী, মূলাগাভৰু আৰু সতী জয়মতীহঁতৰ উদাহৰণ ল'ব পাৰো যে এওঁলোকে বনাই যোৱা এইখন অসমত আজি ইমানলৈকে আহি পাইছে যে তাৰ কাৰণে আমি গৌৰৱান্বিত। তেওঁলোকে যিটো ভেটি বনাই গৈছে তাৰ বাবে আজি অসম এইটো পৰ্য্যায়ত আহি পাইছে, আমি ইমান বিকাশৰ পথত আগবাঢ়ি যাব পাৰিছো। গতিকে আমি সেইটো চাই ক'ব লাগিব যে নাৰীয়ে সমাজত বহুত আগুৱাই যোৱাত এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰে। গতিকে মই এই বিধেয়ক খনক সমৰ্থন কৰো আৰু মই অনুৰোধ জনাওঁ যে এই সদনত যিমানবোৰ পাৰ্টিৰ বিধায়কসকল আছে তেওঁলোকেও যাতে একেলগে মিলি আগন্তুক দিনত মহিলা সকলক শক্তিশালীভাৱে ৰাজনৈতিক জীৱনত আগুৱাই যাবলৈ সহায় কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী মহিবুৰ ৰহমান।

**শ্ৰী মহিবুৰ ৰহমান,দক্ষিণ শালমাৰা, মানকাচাৰঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মই শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে যি সংকল্প প্ৰস্তাৱটো লৈছিল তাৰ বিৰুদ্ধে দু-আষাৰ ক’বলৈ আৰম্ভ কৰিছো। এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে যেন লাগিছে যে কংগ্ৰছ দল সদায় Women empowerment ৰ against ত কাম কৰি আহিছে কিন্তু আচলতে আপুনি যদি লক্ষ্য কৰে অধ্যক্ষ মহোদয় আমাৰ যি Rural আৰু Urban Panchayat আৰু যিটো Municipality আছিল তাত ৩৩ শতাংশ যিটো reservation আহিছে আজিৰ দিনত সেইটো কংগ্ৰেছ দলে কৰা, ৰাজীৱ গান্ধী ডাঙৰীয়াই আৰম্ভ কৰিছিল, তাৰ পিছত আমাৰ ১৯৯২ চনত এইটো সম্পূৰ্ণ হ’ল। সেই একেখিনি বস্তু আমি ৫০ শতাংশলৈ আগবঢ়াই ললো । সেইকাৰণে আজি Panchayat আৰু Municipality ত অসমত ৫০ শতাংশ reservation আমি পাইছো মহিলাৰ কাৰণে । ঠিক তেনেদৰে যদি চোৱা যায় সংসদ আৰু বিধানসভাত ৩৩ শতাংশ যিটো reservation কথা আগবঢ়োৱা হৈছিল, সেইটো প্ৰথমতে কংগ্ৰেছ দলে আগবঢ়াইছিল। বিভিন্ন বাধাৰ পিছত ২০০৮ চনত শ্ৰী মনমোহন সিং ডাঙৰীয়াই এইটো উত্থাপন কৰিছিল। ২০১০ চনত যেতিয়া ৰাজ্যসভাত যেতিয়া এইটো পাছ কৰা হ’ল তাৰ পিছত কিন্তু বিভিন্ন কাৰণত তাতে স্থগিত কৰিবলগীয়া হ’ল বিভিন্ন বাধাৰ কাৰণে । গতিকে যিটো এটা প্ৰ’পাগেণ্ডা চলোৱা হৈছে যে কংগ্ৰেছ দলে Women empowerment বিৰুদ্ধে কাম কৰি আহিছে

সেইটো একেবাৰে মিছা কথা আৰু মই তাৰ বিৰুদ্ধে আজি মাত মাতিব আহিছো। দ্বিতীয় কথা হ'ল যে আমাৰ যিটো কংগ্ৰেছ দলৰ stand এই বিলৰ ওপৰত সেইটো হ'ল যে আমি delimitation টো বিচৰা নাই couple কৰা হৈছে যিটো Women empowerment reservation বিলৰ লগত কাৰণ যিটো দেখা গৈছে এই Women empowerment reservation বিলখন ঢাল হিচাপে লৈ delimitation টোক পাচ কৰাবলৈ চেষ্টা কৰা হৈছে। Delimitation টো ইতিমধ্যে আমি গম পাওঁ যে চেনচাচ হ'ব লাগিব তাৰ পিছতহে হ'ব আৰু যিটো বুজা গৈছে Caste based Sensus সেইটো হয়তো শাসকীয় পক্ষই কৰিবলৈ বিচৰা নাই । কাৰণ আমি দেখিলো delimitation ৰ যিটো প্ৰচেচ সেয়া অসমতেই হওঁক বা কাশ্মীৰতে হওঁক সেইটো সম্পূৰ্ণৰূপে দেখা গৈছে যে শাসকীয় পক্ষই নিজৰ ৰাজনৈতিক মুনাফাৰ কাৰণে ব্যৱহাৰ কৰিছে আৰু সেই একেটাই কাম চেন্ট্ৰেল লেভেলতো কৰিব বিচাৰিছে বুলি আমাৰ সম্পূৰ্ণ সন্দেহ আছে । সেইকাৰণে অধ্যক্ষ মহোদয় আমাৰ কথা হ'ল delimitation টো আপোনালোকে আঁতৰাই ৰাখক, আপোনালোকে Women reservation যিখন বিল আছে সেইটো আমি সম্পূৰ্ণৰূপে support কৰিম। আপোনালোকে ৩৩ শতাংশ নহয় ৫০ শতাংশও যদি কৰে তেতিয়াও আমি support কৰিম । কিন্তু delimitation ৰ লগত ইয়াক কৰৰ বেয়া ধৰণৰ উদ্দেশ্য এটা আছে বুলি আমাৰ সন্দেহ হৈছে। গতিকে অধ্যক্ষ মহোদয়, কথা হ'ল যে

যিহেতু Women empowerment টোৰ কথা আহিছে আমাৰ সম্পূৰ্ণ সমৰ্থন যে আছে সেয়া কংগ্ৰেছে ইতিমধ্যে দেখুৱাইছে আৰু বিভিন্ন কামৰ জৰিয়তে অসমৰ একমাত্ৰ মহিলা মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰ ডাঙৰীয়াণীক কংগ্ৰেছে আনিছিল । তাৰ পিছত ইন্দিৰা গান্ধী ভাৰতবৰ্ষৰ একমাত্ৰ মহিলা প্ৰধানমন্ত্ৰী আছিল। তেওঁ কংগ্ৰেছ দলৰে আছিল। এনে ধৰণৰ অসংখ্য উদাহৰণ আছে যাৰ জৰিয়তে আমি দেখুৱাব পাৰো যে কংগ্ৰছ দল সদায় Women empowerment টোৰ লগত জড়িত হৈ আছে । কিন্তু তাৰ বিপৰীতে অধ্যক্ষ মহোদয় তেতিয়াহ'লে আপোনালোকে দেখিব অসমত যিটো crime against Women India ৰ ভিতৰতে আটাইতকৈ বেছি বুলি কোৱা হয়। তাৰ পিছত যি হাথৰাজ উন্নাওৰ নিচিনা যিবোৰ ঘটনা হ'ল তাৰো কিন্তু ভাৰতবৰ্ষৰ ৰাইজে কোনো ধৰণৰ সঠিক ৰিজাল্ট এতিয়াও পোৱা নাই। গতিকে এনে ধৰণৰ যিবিলাক কথা আছে crime against Women য়ে হওঁক বা আপোনাৰ যিবিলাক আশা কৰ্মী আছে বা অংগনবাড়ী কৰ্মী আছে যিসকলৰ আজিৰ দিনত যিটো দৰমহা আছে, দেখা গৈছে যে সেইটো বহুত কম। যিমান মূল্যবৃদ্ধি হৈছে সেই হিচাপে তেওঁলোকৰ দৰমহাটো অতি নগন্য । গতিকে সঁচাকৈ যদি Women empowerment টোৰ কথা আমি ভাবিছো তেতিয়াহ'লে এইবিলাক ক্ষেত্ৰত আমি আগভাগ ল'ব লাগিব। অৱশেষত মই ক'ব বিচাৰিছো যে কংগ্ৰেছ দল আমাৰ strength এটায়ে যে আমি not only we support

this Bill, we actually advocate for this Bill from the very beginning. গতিকে যিটো এটা সমাজত এটা ভাৱ অনা হৈছে যে কংগ্ৰেছ দলৰ কাৰণে বা বিৰোধী দলৰ কাৰণে এই বিলখন Law হ'ব পৰা নাই , এইবোৰ একেবাৰে মিছা কথা । আৰু তাৰ আমি তীব্ৰ প্ৰতিবাদ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী দীপক কুমাৰ দাস,বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই আৰম্ভ কৰিব বিচাৰছো। নাৰী শক্তি বন্দন অধিনিয়ম বিলৰ ওপৰত আজি আমাৰ মাননীয়া শ্ৰীযুতা মোৰ অতি শ্ৰদ্ধাৰ অজন্তা নেওঁগদেৱে যি প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱে বিধানসভাৰ গৰিমা বৃদ্ধি কৰিছে। মই এই নাৰী শক্তি বন্দন অধিনিয়ম বিলৰ ওপৰত অনা প্ৰস্তাৱৰ ওপৰত মই কিয় সমৰ্থন কৰিম, ইয়াৰ বস্তুনিষ্ঠ আৰু যুক্তিপূৰ্ণ বিবেচনা আছে। সমাজৰ স্বাৰ্থত নাৰীৰ সুৰক্ষাৰ স্বাৰ্থত মই ভাৱো যে বৈদিক যুগৰ পৰাই নাৰী সকলক আমাৰ সনাতনী বৈদিক সমাজে শ্ৰদ্ধা কৰি আহিছে আৰু উপযুক্ত মৰ্য্যদা দি আহিছে। যদি আমি আমাৰ হিন্দু সনাতনী বৈদিক আমাৰ সভ্যতাৰ পৰা লক্ষ্য ৰাখো আমি তেতিয়া দেখিম যে নাৰী সকলক আমি লক্ষীৰ পতিব্ৰতা বুলি কৈছো, সৰস্বতীক আমাৰ সূচীব্ৰতা বুলি কৈছো আৰ দুৰ্গাক আমি মহীষমৰ্দিনী বুলি কৈছো । এই পতিব্ৰতা লক্ষীয়ে হ'ল Goddess of

Wealth আৰু সূচীব্ৰতা সৰস্বতীয়ে হ'ল Goddess of Wisdom আৰু এই মহীষমৰ্দ্দিনী দুৰ্গাই হ'ল আমাৰ Goddess of Power. আৰু আজি বিলখনৰ নাম হৈছে শক্তি that is called the Power of Women Empowerment. এই যি বৈদিক বিশ্লেষণ, এই বৈদিক বিশ্লেষণ এগৰাকী, হিন্দু সনাতনী সমাজৰ ব্যক্তি হিচাপে নাৰীসকলক মৰ্য্যদা সদায় স্বচ্ছভাৱে তেওঁলোকক আমি শ্ৰদ্ধা কৰি আহিছো। আমি কোনো দিন নাৰীক ওৰণি টানি ৰাখিব বিচৰা নাই। আমি যদি আৰু বহল কৈ চাওঁ আমাৰ যি বেদ তাত বেদমাতা গায়ত্ৰী হৈছে এগৰাকী নাৰী। গতিকে এই হিন্দু সনাতনী সভ্যতাৰ মাজত নাৰীক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব লাগে, কি ধৰণে আমি শ্ৰদ্ধা জনাব লাগে সেইটোৱেই হৈছে আজিৰ এই প্ৰস্তাৱৰ মূল কথা। আজি যদি আমি নৱবৈষ্ণৱ যুগৰ কথা ভাৱো নৱবৈষ্ণৱ যুগত জগত গুৰু শ্ৰীমন্ত শংকৰদেৱে নাৰী সৱলীকৰণত গুৰুত্ব দিছে। তেওঁ এগৰাকী নিহকুলীয়া নাৰী ৰাধিকা সতীক **তেম্বুনীজ জান** বন্ধ কৰিবলৈ তেখেতক আগবঢ়াই দিছিল আৰু সতী হিচাপে মৰ্য্যদা দিছিল। এইয়া হৈছে নৱবৈষ্ণৱ যুগৰ আমাৰ গুৰুৰ এক আদৰ্শ আৰু এই গুৰুৰ আদৰ্শৰ দ্বাৰা আমি অনুপ্ৰাণিত আৰু আপোনালোকে জানি সুখী হ'ব যে যি সময়ত বটদ্ৰৱা সত্ৰ প্ৰাকৃতিক দূৰ্যোগত বন্ধ হৈ আছিল, এগৰাকী নাৰী কনকলতা আইদেউ, চতুৰ্ভুজ ঠাকুৰ আতাৰ তেওঁ পত্নী আছিল আৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুৰ নাতি বোৱাৰী আছিল। তেওঁ বটদ্ৰৱা সত্ৰ উদ্ধাৰ কৰি প্ৰথম তেওঁ সত্ৰাধিকাৰ হৈছিল। গতিকে বৈদিক যুগৰ, নৱবৈষ্ণৱ যুগৰ আমাৰ এইবিলাক ইতিহাস আছে। আজি আমি ক'ব বিচাৰিছো যে The legislative long journey of the Women Reservation Bill began nearly 30 years ago when it was first introduced in Parliament in September, 1996. Over the years of every subsequent government has made an effort to guarantee if

passes, unfortunately lack of political will and consensus ultimately lead to the failure to this significance endeavour. In September, 2023, the Parliament passed the 'Women Reservation Bill' Also Known As 'Nari Shakti Vandan Adhiniyam Bill' making history in process. এতিয়া এই 'Nari Shakti Vandan Adhiniyam Bill' আজি ২০২৩ চনত পাছ কৰিছে আৰু কেনেবাকৈ বিৰোধী পক্ষয়ো ইয়াত সমৰ্থন দিছে যে ইয়াৰ মূল doctrine টো কি আছিল? এই doctrine টোৰ কেইটামান conditions আছিল, প্ৰথমটো হ'ল- লোকপিয়ল আৰু delimitation. সেই সময়ত সমৰ্থন কৰিলে আৰু আজি ওলোটা হৈ গ'ল। That is the clash of interests. মাননীয় অধ্যক্ষ মহোদয়, you know better than me what is the intention. The intention is only to create the clash of interests. আমাৰ এগৰাকী জ্যেষ্ঠ বিধায়কে বিৰোধী পক্ষৰ পৰা কৈছে যে তেওঁলোকে নাৰীসকলক বহুত শ্ৰদ্ধা কৰে, অমুক প্ৰধানমন্ত্ৰী হৈছিল, অমুক ৰাষ্ট্ৰপতি হৈছিল। তেওঁলোকে উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকক দিছিল। তেওঁলোকে এজন নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকৰ নাম কওঁকচোন যে তেওঁলোকে গাঁৱৰপৰা অহা মহিলাক আনিছে! তেওঁলোকৰ ক'বলৈ সাহস আছেনে? তেওঁলোকে সেইসকল লিডাৰক আনিছিল উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ পৰা। কিন্তু আমাৰ লক্ষ্যটো হ'ল মাটিৰপৰা আকাশলৈ নিব পৰা আমাৰ যি চিন্তা আৰু সেই চিন্তাৰ প্ৰতিহে প্ৰস্তাৱ আজি ইয়াত আহিছে। আজি পি. ভি. নৰসিংহ ৰাও, ১৯৯২-৯৩ চনৰ amendment ৰ সময়ত তেখেতে দুখন বিল আনিছিল। এখন 33% reservation only for the Panchayati Raj and Municipality Board. Why he has not placed the Bill for reservation of women in Lok Sabha and Assembly? What was the intension? আপোনালোকে জানে যে তেওঁলোকৰ মনত কলুষিতা আছিল। তেওঁলোকে Panchayati Raj and Municipality Board ত reservation আনিলে কিন্তু সেই সময়ত পি. ভি. নৰসিংহ ৰাওৱে ১৯৭২-৭৩ amendment ৰ

সময়ত এই বিলখন নানিলে। এইটো হৈছে তেওঁলোকৰ ডাঙৰ কথা। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এতিয়া ক'ব বিচাৰিম যে ভাৰতবৰ্ষত বা অসমত যি নাৰীশক্তিৰ জাগৰণ, আজি বহুতে কিবা-কিবি কৈছে, কিন্তু মই এগৰাকী সাধাৰণ নাৰীৰ কথা ক'ম আৰু সেই সাধাৰণ নাৰীৰ পক্ষত আমি এন ডি এ, সেইগৰাকী হ'ল- বিৰুবালা ৰাভা যিয়ে Witch Hunting Act আনিবলৈ সক্ষম হৈছিল, ডাইনী প্ৰথা প্ৰতিৰোধ কৰি তেওঁ মৃত্যুক নেওচি ডাইনী প্ৰথাৰ বিৰুদ্ধে আন্দোলন কৰিছিল। এই নাৰীসকলক আমি উদ্ধাৰ কৰাৰ কাৰণে, তেওঁলোকক ৰাজনীতিত আশ্ৰয় দিয়াৰ কাৰণে এইখন বিলক আমি সমৰ্থন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজিৰ কথাটো হ'ল যে কংগ্ৰেছৰ যি ঐতিহাসিক ভুল, এই ভুলবোৰ কৰিছিল তেওঁলোকে ২০১০ চনত। তেওঁলোকে ৰাজ্যসভাত বিলখন পাছ কৰিলে কিন্তু এই বিলখন কেতিয়াও তেওঁলোকে লোকসভাত নানিলে। তেওঁলোকে breakthrough, push back কৰিলে। এইবোৰ তেওঁলোকৰ অভিসন্ধি, এই অভিসন্ধিৰ মাজতে ভাৰতবৰ্ষৰ নাৰীশক্তি, অসমৰ নাৰীশক্তিয়ে আজি জীয়াতু ভুগি আছে, জৰ্জৰিত হৈ আছে। এই নাৰীশক্তিক আজি আমি ৰাজনীতিৰ পথাৰত সমান অধিকাৰ দিয়াৰ নিমিত্তে এই আইনখনৰ পোষকতা কৰিছো, প্ৰস্তাৱৰ সমৰ্থন কৰিছো। এই প্ৰস্তাৱে আজি সদনৰ মৰ্য্যদা, গৰিমা বৃদ্ধি কৰিছে বুলি ভাৱো আৰু বিৰোধীসকলক আহ্বান জনাইছো আপোনালোকে দুতলীয়া কথা নক'ব, এটা কথাই কওঁক যে এইখনক সমৰ্থন কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** এতিয়া অৰূপ কুমাৰ দে'।

**শ্ৰী অৰূপ কুমাৰ দে' (বিজনী) :** मानगोनां बुंथिगिरि सार, आं अरुप कुमार दे, बिटिचिनि बिजनि समस्टिनिफ्राय फैदों, गोदान MLA नालाय । गिबि गिबियाव आं नोंथांखौ आंनि गोसोनिफ्राय धन्यबाद जासिदों बे पबित्र सदननि गेजेराव फंनैसो बिबुंथि लाखिनो होनायनि थाखाय ।

(Hon'ble Speaker Sir, I am Arup Kumar Dey, the newly elected MLA from the BTC's Bijni constituency. First and foremost, I express my heartfelt gratitude for permitting me to deliver a few speeches in this esteemed House.)

Generally we see, in India women have made significant achievements in various aspects. But there has yet to be substantial progress in political empowerment.

जोंनि आसाम ओमफ्राय देसनि गेजेराव आइजोफोरखौ Politically empowerment खालायनांगोन । मानोना जुदि आइजोफोरखौ Politically empowerment खालामनो हायाब्ला जोंना देसा माब्लाबाबो बिस्वगुरु जानाय नङा । आरो जोंनि देसा बिस्वगुरु जानो थाखाय गिबियाव आयजोफोरखौ Politically empowerment खालामनांगोन । जेब्लासिम जों Politically empowerment खालामनो हायाब्ला जों माब्लाबाबो जेबो सिमां नायनो हाया । दिनैहाय पबित्र सदनाव कंग्रेसनि MLA फोरा बुंबाय थादों जों पुर्न समर्थन दं जों पुर्न समर्थन दं, बिसोर ओरैनो खालि बुंबाय थायो नाथाय practical development खौ माब्लाबाबो नायनो हाया, practically बिसोर लक सभा बा एसेमब्लियाव माब्लाबाबो Written आव जेबो समर्थननि थाखाय साबमिट हरबाय ना हराखै। आं बे सदननि गेजेरजों मानगोनां स्पिकारखौ बुंनो नागिरदों जे Article 330, 332 as well as 334 जों खालि सदननि गेजेराव सावरायनानै रायलायनानै जेबो जानो हाया। जों बयबो गासै जानानै मोनसे समय लाबनांगौ Women Reservationनि 33% जायो । आरो आं आसा खालायो सानसे नङा सानसे 33% Reservation जानांगोन जागोन ।

दाखालि जोंनि सरकारनि मोनसे अजन्ता बाइद' बिथाङा मोनसे Women Reservationनि लाबदों आंनि गोसोनिफ्राय पुर्नांग समर्थन खालायो। दिनैहाय जों जदि नायोब्ला जोंनि अजन्ता बाइद' बिथाङा मोनसे example। 10 बोसोरनिफ्राय बिथांआ फाइनेन्स दिपार्टमेन्ट सालायगासिनो दं आसाम सरखारनि ।

(We must empower the women of our nation. If women are not politically empowered, our state will never emerge as a leader. For our country to assume a leadership role, it is imperative that we first empower women politically. Without political empowerment, we cannot aspire to achieve anything. Today, the Congress MLAs in this Holy House have been proclaiming their full support; however, they have yet to demonstrate any tangible support in the Lok Sabha or the Assembly. I wish to convey to the honorable Speaker through this House that mere discussions regarding Articles 330, 332, and 334 will not yield results. We must collaborate to ensure a 33% reservation for women. I am hopeful that one day, women's reservation will reach 33%. Currently, Ajanta Baido from our government has introduced a bill concerning women's reservation, and I fully endorse this initiative. If we examine the situation today, she stands as a testament to our women, having successfully managed the finance department of the Assam government for the past ten years. )

Hon'ble President Drupodi Murmu is an example of our country . If Hon'ble President Drupodi Murmu and Hon'ble Minister Ajanta Neog can become example then why we should not we empower political woman empowerment

आंनि बिमाखौ रेसपेक खालायो ।

(I hold my mother in high regard.)

অধ্যক্ষ মহোদয়,মই ক'ব বিচাৰো যে আজি যদি এগৰাকী মহিলাই এৰোপ্লেন চলাব পাৰে, ট্ৰেইন চলাব পাৰে, মহাকাশত যাব পাৰে, প্ৰশাসনৰ ডাঙৰ ডাঙৰ দায়িত্বত থাকিব পাৰে । তেনেহ'লে আমি সকলোৱে মিলি Constructive & Positive thinking লৈ সকলোৱে সমৰ্থন কৰি এই বিলখন পাচ কৰিব লাগিব । আমি আমাৰ মাতৃক শ্ৰদ্ধা কৰো। আমি যেতিয়া মাতৃ গৰ্ভৰ পৰা ওলাইছো মা বুলি মাতিছো, ভাৰতমাতা আমাৰ মা হয়। আমি মা মা বুলি কৈ থাকো কিন্তু প্ৰকৃততে যদি মাতৃক সন্মান নকৰো, আমি যদি নাৰীক সৱলীকৰণ নকৰো তেনেহ'লে এই গণতন্ত্ৰক আগুৱাই নিব নোৱাৰো । আজিৰ দিনত গণতন্ত্ৰ বহুত আগবাঢ়ি গৈছে । গণতন্ত্ৰত আমাৰ সকলোৰে সম অধিকাৰ আছে। কোনো দেশ বা জাতিক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত এই নাৰীসকলে নিজৰ দেশ বা ৰাজ্যখনৰ পৰিচয় দাঙি ধৰে। কাৰোবাক ঝুমুৰ নচা দেখিবলৈ পালে আমি গম পাওঁ যে তেখেত বাগানীয়া । কোনোবাই দখনা পিন্ধা দেখিলে আমি গম পাওঁ যে তেখেত বড়ো । এনেকুৱা বহুতো উদাহৰণ আছে । स' आं बुंखाबाय नों आंखौ सान्स हरनायनि थाखाय बिबुंथि लाखिनो थाखाय, आं आसा खालायो बिटिचिनि गेजेराव आयजोफोरनि शक्ति बांसिन जाबाय, फैगौ समाव आइजोफोरखौ लानाननै मोनसे जाते शक्तिसालि Democratic परिबेस बानायनो हायो,

ओंखायनो जों Initiative लानांगोन । दिनैहाय जोंनि बिटिचिनि गेजेराव गोबां एमएलएफोर दं बिथांखौबो आं खावलायो जाते फैगौ सम खालि आसाम एबा इण्डियानिल' नङा ट्राइबेल बेल्ट एण्ड ब्लकनिफ्राय जाय जाय एमएलएफोर लिड खालायो  Initiative लायो गासैबो जाति जनजाति,

(I appreciate the opportunity to make a statement here. I trust that the empowerment of women has strengthened within the BTC. In the future, we can establish a powerhouse of women, and it is essential that we take the initiative. I also encourage the MLAs from our BTC to take the lead, not just from Assam or India, but from the tribal belt and blocks, leading among all castes and tribes.)

আমি জাতি-জনজাতি সকলোৱে মিলি যদি আগবাঢ়ো তেন্তে এই বিলখন পাচ কৰিবলৈ সক্ষম হ'ম। Hon'ble Speaker sir this is my first time to deliver my speech before the Hon'ble MLAs. I expect that in future also you will give me the opportunity to discuss over various democratic matter and peoblems. I don't want to extend my speech more longer

आं बांसिन बुंनो नागिराखै । आं just खालि आसा खालायो जाते जोंनि बिटिचिनिफ्राय फैबाय जोंनो Chance हरनांगौ opportunity हरनांगौ रायजोनि समस्या, सरखारि जाय आशनि, जाय सिमां लानानै जोंखौ बे पबित्र सदनाव पथायहरबाय, समस्टिबासिनि रायजो राजानि थाखाय जाते खामानि

मावनो हायो, हाग्रामा सार बिथांनि दैदेननायाव मानगोनां हिमन्त बिस्व शर्मा सार सानैनि दैदेननायाव जायनेकि गोदान आसाम, गोदान मानसित्र, गोदान मेप जों नायनो हागोन । आं पुरा आशा खालायो अरुप कुमार दे जों गासैबो बयबो मिलायनानै गोदान आसाम नायनो हागोन । बे आसामा भारतबर्षनि गेजेराव मोनबा State नि गेजेराव गिबि मोनसे स्टेट जागोन, बे बिबुंथि लाखिनानै फोजोबबाय गोजोनथों, खुलुमबाय ।

(I do not wish to elaborate further. I merely hope that the government emerging from our BTC grants us an opportunity, and that the government which has sent us to this Holy House with aspirations can serve the community under the guidance of the Hon'ble Hagrama Mahilary Sir and the Hon'ble Himanta Biswa Sarma Sir. Together, we can envision a new Assam, a redefined landscape, a new map. I, Arup Kumar Dey, sincerely hope that we all witness the emergence of a new Assam collectively. This Assam is destined to be one of the foremost five states in the heart of India. I will conclude my statement here. Thank you, and best regards.)

মই ইমানতে সামৰিলো। ধন্যবাদ। খুলুম্বাই।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ । এতিয়া শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কওঁক। আপোনাক ৩ মিনিট সময় দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক (মন্দিয়া) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাতৃ, বাইদেউ, ভণ্টিসকলৰ বাবে এইটো সঁচাকৈয়ে

চৰকাৰৰ এটা আদৰণীয় পদক্ষেপ। কিন্তু তেখেতসকলৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ কৰাৰ আগতে আমি তেখেতসকলক যোগ্য কৰিব পাৰিব লাগিব, যাতে তেওঁলোকে এই ক্ষমতাখিনি শুদ্ধভাৱে ব্যৱহাৰ কৰিব পাৰে। তাৰ বাবে আমাৰ মহিলাসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব লাগিব। তেওঁলোকৰ work participation rate টো বঢ়াব লাগিব। মই যদি ২০১১ চনৰ চেনচাচ মতে ৩ টা ব্লক-ৰূপচী, মন্দিয়া আৰু বৰপেটাৰ এটা তথ্য দাঙি ধৰো তেন্তে দেখিবলৈ পাম যে ৰূপচী ব্লকত মহিলাৰ শিক্ষিতৰ হাৰ মাত্ৰ ৪১ শতাংশ। মন্দিয়া ব্লকত মহিলাৰ শিক্ষিতৰ হাৰ মাত্ৰ ৩৩ শতাংশ আৰু বৰপেটা ব্লকত মহিলাৰ শিক্ষিতৰ হাৰ মাত্ৰ ৪৮ শতাংশ। ঠিক তেনেদৰে ২০১১ চনৰ চেনচাচ মতে মহিলাৰ work participation rate কেৰল মাত্ৰ ৭.৭৩ শতাংশ, মন্দিয়া ব্লকত ১২.২৮ শতাংশ আৰু বৰপেটাত ৬ শতাংশ। অৰ্থাৎ আমাৰ মহিলাসকল শিক্ষা-দীক্ষা বা অন্যান্য কৰ্ম্ম ক্ষেত্ৰত আজি যিধৰণে তেখেতসকলক উপযুক্ত কৰি তুলিব লাগিছিল, আমি কৰিব পৰা নাই। বহুতেই ক'ব যে বহু অঞ্চলত মহিলাসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগ্ৰহী নহয়। কিন্তু এই কথাটো শুদ্ধ নহয়। আজি একবিংশ শতিকাত প্ৰত্যেকজন বাই-ভনীয়ে শিক্ষা-দীক্ষা লৈ উজ্বলি উঠিব বিচাৰে। চৰকাৰী ভাৱে যি ধৰণে মহিলাৰ বাবে empowerment bill ৰ কথা আলোচনা কৰা হৈছে , কিন্তু সেইধৰণে যদি আমি তেখেতসকলক শিক্ষা-দীক্ষা বা চাকৰিৰ ক্ষেত্ৰত গুৰুত্ব দিলোহেঁতেন তেতিয়াহ'লে আমাৰ মহিলাসকল বহুখিনি আগবাঢ়ি গ'লহেঁতেন আৰু এশৰ ভিতৰত সাত গৰাকী মহিলাৰ work participation rate

দেখিবলৈ নাপালোহেঁতেন । মহিলা সকলৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত মহিলা সকল যে পিছপৰা তাৰ মূল কাৰণটো হৈছে যে আমি তেখেতসকলক যিখিনি পৰ্য্যাপ্ত সা-সুবিধা দিব লাগিছিল, সেইখিনি দিব পৰা নাই । দুটামান কথা মই মোৰ সমষ্টিৰ পৰাই উদাহৰণ দিব বিচাৰিছো। মোৰ এটা পঞ্চায়ত যিটো আগতে বাঘবৰ সমষ্টিৰ অধীনত আছিল। ধৰ্মপুৰ আখাৰাদি পঞ্চায়ত য'ত প্ৰায় ৪০ হাজাৰ জনবসতি থকা অঞ্চল। তাৰ ৫০ বৰ্গ কিলোমিটাৰ অঞ্চলৰ মাজত দুখন নদী, তাত এখনো হাইস্কুল নাই , কেৱল এল. পি. স্কুল আছে। এতিয়া কথা হ'ল যে এই ৫০ বৰ্গ কিলোমিটাৰ ব্যাসাৰ্ধৰ বাহিৰৰ দুখন নদী পাৰ হৈ ল'ৰাবোৰে শিক্ষা-দীক্ষা লৈছিল। ছোৱালী সকলৰ বাবে বহু অসুবিধা হৈছিল। স্বাধীনতাৰ পাচৰ পৰা যোৱা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ তাত এখনো হাইস্কুল নাছিল। সৌভাগ্যৰ কথা যে যোৱাবাৰ এখন হাইস্কুল এই পঞ্চায়তত স্থাপন হ'ল। যিখন হয়তো আজিৰ পৰা ৫০-৬০ বছৰ আগতে হ'ব লাগিছিল।

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য আপোনাৰ সময় শেষ হৈছে। আপুনি বেলেগ বেলেগ বিষয়ে কৈ আছে। আপুনি সংকল্প প্ৰস্তাৱৰ ওপৰত কথা কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক (মন্দিয়া) :** মাননীয় অধ্যক্ষ মহোদয়, আপুনি পঞ্চায়ত মন্ত্ৰী থাকোতে আপুনি ৰুলিং দিয়া শুনিছিলো যে পঞ্চায়তত যিসকল মহিলা প্ৰতিনিধ আছে, তেওঁলোকৰ স্বামী অফিচলৈ যাব নোৱাৰে। তাৰ মানে আপুনি তেনেকুৱা এটা

অৱস্থা প্ৰত্যক্ষ কৰিছিল যে তেওঁলোক যদিও পঞ্চায়তৰ প্ৰতিনিধি, তেওঁলোক সেইখিনিৰ যোগ্য হোৱা নাই যে স্বামীসকল নোহোৱাকৈ তেওঁলোকে তেওঁলোকৰ কাম কৰিব পাৰে । সেইকাৰণে মই এই কথাখিনিৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো যাতে আমাৰ মহিলাসকলক যিমান পাৰে আগুৱাই আনিব পাৰে আৰু work participation rate টো বঢ়াব লাগে । নিযুক্তিৰ ক্ষেত্ৰত ৫০ শতাংশ মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে । যিটো উদ্দেশ্য লৈ অনা হৈছে যে ডিলিমিটেশ্যন হ'ব তাৰ পিছত আসন সংৰক্ষণ হ'ব। I take this as a pinch of salt. This is with a political malafide intension. আমাৰ সতীৰ্থ সকলে কৈছে যে সংৰক্ষণ দিব লাগে। যদি দিয়ে এতিয়া দিয়ক। কিয় ডিলিমিটেশ্যনৰ পিছত দিয়া হ'ব ? With a political malafied intension, I do strongly opposed this resolution. Thank you.

**মাননীয় অধ্যক্ষ :** ধন্যবাদ । এতিয়া মাননীয় সদস্য বিকন চন্দ্ৰ ডেকাই কওঁক।

**শ্ৰী বিকন চন্দ্ৰ ডেকা, (ওদালগুৰি) :** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আপোনাক অশেষ ধন্যবাদ জ্ঞাপন কিৰছো । যিটো সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰিছে, তাৰ লগত সংগতি ৰাখি মই ক'ব বিচাৰিছো যে আমাৰ বিৰোধী পক্ষই বাৰে বাৰে এটা কথা কৈ আছে যে ডিলিমিটেশ্যনৰ পিছত কিয় কৰিব লাগে ? ২০২৩ চনত যিখন বিল উত্থাপন হৈছিল, সেই বিল খনত স্পষ্টভাৱে লিখা আছিল যে Delimitation timeframe আৰু সেইমতে বিলখন পাচ হৈছিল। তাত

স্পষ্টকৈ লিখা আছিল যে- The reservation will only affect after the first census conducted following the commencement of the Act is published and subsequent delimitation is completed. সেইকাৰণে ইয়াত কোনোধৰণৰ দ্বিমত থাকিব নালাগে। বাৰে বাৰে বিৰোধী পক্ষই প্ৰশ্নটো উত্থাপন কৰি আছে। বৰোধী পক্ষই বহুখিনি কথা কৈছে যে কংগ্ৰেছ চৰকাৰ থাকোতে  নাৰীৰ বাবে বহুখিনি কাম কৰি থৈ গৈছে। কিন্তু মই ভাৱো ভাৰতবৰ্ষৰ স্বনামধন্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীদেৱে যেতিয়া ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈছিল, আৰু incidentally আজিৰ দিনটোতে নৰেন্দ্ৰ মোদীদেৱে প্ৰধানমন্ত্ৰীৰ শপত গ্ৰহণ কৰিছিল। গতিকে তেখেতক আপোনাৰ জৰিয়তে মই শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিব বিচাৰিছোঁ। আজি তেখেতে ১২ বছৰ পূৰ্ণ কৰিছে। তেখেতৰ প্ৰথম যেতিয়া ২০১৫ চনৰ ২২ জানুৱাৰী তাৰিখে তেখেতে প্ৰথমতে বেটী বচাও বেটী পঢ়াও আঁচনি আনিছিল, যাৰ জৰিয়তে সেই সময়ত ভাৰতবৰ্ষত ভ্ৰূণ হত্যা চলি আছিল। তাৰ আগতে আৰু সেই সময়ত আমি যদি চাওঁ মহিলা আৰু পুৰুষৰ মাজত যিটো ratio সেই ৰেচিঅ' আছিল ৯১৭ গৰাকী মহিলাৰ বিপৰীতে ১০০০ গৰাকী পুৰুষ। কিন্তু বেটী বচাও বেটী পঢ়াও আঁচনি

অনাৰ পিছত সেয়া increase হৈ পেলাই বৰ্তমান ১০২০ গৰাকী মহিলাৰ বিপৰীতে ১০০০ গৰাকী পুৰুষ। গতিকে এইখিনি তেখেতে যিখিনি আঁচনি আনিলে কেৱল তাতে তেখেত স্তব্ধ নাথাকিল। তাৰ পিছত তেখেতে যিখিনি আমাৰ কন্যা সন্তান, কন্যা সন্তানৰ বাবে যাতে আমি সুস্থ শিশুকাল এটা পাব পাৰে তাৰ বাবে তেখেতে মাতৃ বন্দনা যোজনা আনিলে। মাতৃ বন্দনা যোজনাৰ জৰিয়তে তিনিটা instalment ৬০০০ টকাকৈ দিয়া হ'ল। ইয়াৰ পিছত শিক্ষাৰ বাবে, শিক্ষাৰ ক্ষেত্ৰত যাতে আমাৰ যিখিনি কন্যা সন্তান আছে ভালদৰে পঢ়িব পাৰে তাৰ বাবে সুকন্যা সমৃদ্ধি যোজনা আনিলে আৰু আমাৰ অসমতো আমাৰ অসমৰ সৰ্বকালৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী শ্ৰদ্ধাৰ ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আমাৰ ইয়াত 'নিযুত মইনা' আনিলে, যাতে আমাৰ মহিলা যিখিনি কন্যা সন্তান আছে, আমাৰ যিখিনি ছাত্ৰী আছে তেওঁলোকে ভালদৰে শিক্ষা গ্ৰহণ কৰিব পাৰে। আমাৰ অকল শিক্ষাৰ ক্ষেত্ৰতে নহয়, যিখিনি সন্তান আছে এই সন্তান যাতে সুস্থভাৱে ডাঙৰ দীঘল হ'ব পাৰে তাৰ বাবে নৰেন্দ্ৰ মোদীদেৱৰ নেতৃত্বত Mission Indradhanush

অনা হ'ল, যাৰ দ্বাৰা vaccination ৰ দ্বাৰা আমি সুস্থ এখন সমাজ গঠন কৰিব পাৰিম। যেতিয়া শিশুবিলাক সুস্থ হ'ব সমাজখনো সুস্থ হ'ব। বহু ল'ৰা ছোৱালীয়ে স্কুললৈ নাযায় কাৰণ toilet ৰ অভাৱ আৰু নৰেন্দ্ৰ মোদীৰ স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে ১২ কোটি টয়লেট গোটেই ভাৰতবৰ্ষত বনোৱা হ'ল। এই গোটেইবোৰ কৰা হৈছিল যে মহিলা শিক্ষাৰ প্ৰসাৰতাৰ বাবে। যাতে মহিলা শিক্ষাৰ প্ৰসাৰতাৰ দ্বাৰা মহিলা শক্তিশালী কৰিব পাৰে তাৰে এটা উদ্দেশ্য আছিল। খেলা-ধূলাত উৎসাহ জনাবৰ কাৰণে গাওঁ অঞ্চলত যাতে ছোৱালীবিলাকে খেলত আহিব পাৰে তাৰ বাবে Khelo India আনিলে। আৰু খেলো ইণ্ডিয়াৰ জৰিয়তে আমাৰ গাওঁ অঞ্চলৰ ছোৱালীবোৰ আহি খেলত যোগদান কৰিব পাৰিলে। আপোনালোকে নিশ্চয় জানে আগতে সৈনিক স্কুলত ছোৱালীৰ প্ৰৱেশ নাছিল। কিন্তু নৰেন্দ্ৰ মোদীদেৱৰ দিনত সৈনিক স্কুলত ছোৱালীয়ে admission ল'ব পৰা হ'ল। লগতে NDA লৈ বাট মুকলি হ'ল। এতিয়া বৰ্তমান এন ডি এত আমাৰ ছোৱালীৰ সংখ্যা আছে, ছোৱালীসকলে তাত পঢ়ি আছে। মহিলা স্বাস্থ্য সুৰক্ষা যিখিনি

গাওঁ অঞ্চলত মহিলা আছে, সেই মহিলাৰ কথাখিনি আমাৰ নৰেন্দ্ৰ মোদীদেৱে চিন্তা কৰি Ujjwala Yojana আনিলে। এই গোটেইবোৰ আচলতে সন্মিলিত ভাৱে চাবলৈ গ'লে আমাৰ নাৰী শক্তিক আচলতে আমাক উদ্ভাসিত কৰিবৰ কাৰণে নৰেন্দ্ৰ মোদীদেৱে এইখিনি কাম কৰি গৈছে। ঠিক তেনেদৰে আমাৰ অসমত পুনৰবাৰ আমাৰ অসমৰ মুখ্যমন্ত্ৰীদেৱৰ নেতৃত্বত আমাৰ ছাত্ৰীসকলৰ বাবে 'প্ৰজ্ঞান ভাৰতী'ৰ দ্বাৰা স্কুটী বিতৰণ কৰা হ'ল যাতে তেখেতসকলে আহি স্কুলত সময়মতে আহি উপস্থিত হ'ব পাৰে। গতিকে এনেকুৱা ধৰণৰ যিবিলাক আঁচনিৰ জৰিয়তে আমাক মহিলাসকলক উদ্ভাসিত কৰিব বিচৰা হৈছে আৰু ইয়াৰ এটা উদ্দেশ্য হৈছে যে মহিলাখিনি আগবাঢ়ি আহিলে সমাজখন আগবাঢ়ি আহিব। গতিকে ইয়াৰ জৰিয়তে মই এই সম্বোধনৰ জৰিয়তে মই আজি যি প্ৰস্তাৱ সেই প্ৰস্তাৱক সমৰ্থন কৰি সকলোৱে সমৰ্থন কৰিব লাগে বুলি মই দৃঢ়ভাৱে প্ৰকাশ কৰি মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমান আপোনাৰ চাৰি মিনিট।

**শ্ৰী মুজিবুৰ ৰহমান, দলগাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে অনা নাৰী শক্তি বন্দনৰ ওপৰত যি সংকল্প প্ৰস্তাৱ আনিছে ইয়াক মোৰ তৰফৰ পৰা মই এজন সদস্য হিচাপে ইয়াক মোৰ তৰফৰ পৰা  মই এজন সদস্য হিচাবে সমৰ্থন জনাইছোঁ। মাজতে দুটা কথা জাষ্ট ক'ব লাগিব ইয়াৰ লগতে। তেখেতে অনা যি প্ৰস্তাৱ এই প্ৰস্তাৱ গ্ৰহণযোগ্যতা ১০০% আছে। নাৰীক আগুৱাই লৈ যাব লাগিব। আমাৰ অসমত Panchayat ৰ ক্ষেত্ৰত ৫০% নাৰীক অগ্ৰাধিকাৰ দিয়া হৈছে। ঠিক তেনেকৈ Parliamentary ৰাজনীতিত নাৰীক আগুৱাই অনাটো আমাৰ এটা ভাল প্ৰস্তাৱ আনিছে। এটা কথা লগতে উল্লেখ কৰিছে যে এইটো আপোনাৰ implementation হ'ব লাগে delimitation ৰ পিছত। মই এটা কথা সদনৰ মজিয়াত কৰযোৰ অনুৰোধ কৰিম delimitation হ'ব লাগে। কেইদিনমান আগতে delimitation হ'ল আৰু এই delimitation এ আমাৰ বিশেষকৈ minority অঞ্চলত বসবাস কৰা minority অঞ্চলৰ পৰা যিসকল বিধায়ক হৈ আহিছে তেখেতসকলৰ অৱস্থা কিন্তু শেষ কৰি পেলাইছে। বিশেষকৈ মোৰ সমষ্টিৰ কথা মই কওঁ যে এই delimitation ৰ নামত মোৰ সমষ্টিত অসমৰ ভিতৰত ১২৬ খন সমষ্টিৰ ভিতৰত মোৰেই সমষ্টি highest vote থকা সমষ্টি হৈছে। কিন্তু

কেতিয়াবা কেতিয়াবা খুব বেয়া লাগে কিছুমান ব্যক্তিয়ে ক'ব খোজে যে দলগাঁও অসমৰ ভিতৰত ডাঙৰ সমষ্টি, ইমান voter ক'ৰ পৰা আহিল এই ভোটবিলাক? ৰাতিটোৰ ভিতৰত ক'ৰ পৰা আহি পালে? আচলতে সেইটো নহয়। মোৰ সমষ্টিত voter আছিল ২ লাখ ২০ হাজাৰ। মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা লাজ লাগে এই মোৰ সমষ্টিখন ইমান ডাঙৰ কৰি দিলে ইমান জনসংখ্যা কৰি দিলে মঙ্গলদৈ সমষ্টিৰ আধা মোৰ তাত আনি সুমুৱাই দিলে, কলাইগাঁও সমষ্টিৰ পৰা আধা আনি মোৰ তাত সুমুৱাই দিলে। টোটেল ভোট হৈ গ'ল ৩ লাখ ১৮ হাজাৰ। অসমৰ ভিতৰত number one মই আৰু যদি আপুনি চায় এই যে আপোনাৰ population pattern টো যদি ঠিক নকৰি delimitation টো কৰা আৰম্ভ কৰে মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশত হওক বা Election Commission ৰ নিৰ্দেশত হৈছে delimitation টো। কিন্তু এটা কথা হৈছে ইয়াতে যে আমাৰ মানুহ কিন্তু ঠগোৱা হৈছে। আমাৰ আগতে ৩০ জন ৪০ জনলৈকে আমি বিধানসভালৈ আহিব পৰা এটা ক্ষমতা আছিল। সেই strength টো কাটি কেনে লৈ গ'ল কেইটাত? ২৩ টাত লৈ লৈ পঠিয়াই দিলে। আৰু যাৰ কাৰণে এতিয়া আমাৰ আমি আমাৰ যিখিনি প্ৰতিনিধিত্ব কৰিব লাগে আৰু যিখিনি এৰিয়াৰ পৰা আমি belong কৰিছোঁ সেই অঞ্চলত আমি সুবিধাবিলাক দিব পৰা নাই। উন্নত কৰিব নোৱাৰোঁ। পইচা কিন্তু একে সমান। এক কোটিকে টকা আপোনাৰ MLA-LAD দিয়া হৈছে। MLA fund দিয়া হৈছে। য'ত

আপোনাৰ এক লাখ ভোটাৰ তাতো এক কোটি টকা, য'ত তিনি লাখ ভোটাৰ তাতো দিছে এক কোটি টকা। গতিকে আমি ক'ত কেনেকৈ ভগাম? মোৰ সমষ্টিত ৩০ খন Panchayat ছাৰ। এই ৩০ খন Panchayat ত তিনি লাখকৈ টকা দিলে এখন Panchayat ত ১০ খনকৈ ৱাৰ্ড থাকে। ৩০ হাজাৰকৈ টকাৰ স্কিম ভগাই দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, delimitation হ'ব লাগে। delimitation টো এনেকুৱা হ'ব নালাগে যে ক'ৰবাত কোনোবা সমষ্টিত খুমতাই সমষ্টিত দেৰ লাখ ভোট, মুজিবুৰৰ সমষ্টিত চাৰে তিনি লাখ ভোট। ধুবুৰীত ২ লাখ ভোট আকৌ ক'ৰবাত ওচৰতে সমষ্টিত আপোনাৰ বৰপেটাত ১ লাখ ভোট। এইটো যি discrimination এই discrimination টো হ'ব নালাগে মাননীয় অধ্যক্ষ মহোদয়। আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যি সংকল্প প্ৰস্তাৱ আনিছে লগতে এই কথাটো যদি এডজাষ্ট কৰি দিয়া যায় যে আপোনাৰ delimitation টো হ'ব লাগে প্ৰস্তাৱটো দিল্লীলৈ পঠাব লাগে, Parliament ত পাছ হ'ব লাগে। লগতে এই কথাটো উল্লেখ কৰিব লাগে সমান সমানকৈ ৫%, ২% এৰাধৰা হ'ব লাগে। ক'ৰবাত কোনোবা আসন সমষ্টিত ২০০০ বেছি হ'ল, ৫০০০ বেছি হ'ল কোনোৱা সমষ্টিত ৫০০০ কম হল। এনেকুৱা হব নালাগে ৰাতি আৰু দিন। কৰবাত ১ লাখ ক'ৰবাত ৩ লাখ। What is this? এনেকুৱা হলে মাননীয় অধ্যক্ষ মহোদয় আমি ৰাইজৰ মাৰ খাব লাগিব। এইবাৰটো মই ভয়ত আছোঁ। ইমান ভয় কৰি আছোঁ মই যে যোৱাবাৰ কিবা কৰি

পাৰ কৰিলোঁ। এইবাৰ আপোনাৰ আহিলে এতিয়া আপোনাৰ MLA-LAD fund এক কোটি আছে। সদনৰ মজিয়াত মই কৰযোৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম আপুনি অলপ মায়া কৰি দয়া কৰি আমাৰ বিৰোধী দলৰ MLA ফালৰ পৰাও চাব লাগিব। নাচালে কিন্তু নহবগৈ। আপুনি অসমৰ বাহিৰত যিবিলাক ৰাজ্য আছে সেই ৰাজ্যবিলাক আপুনি চাই লওক। আপোনাৰ MLA-LAD fund আছে কৰবাত ৫ কোটি, কৰবাত ৩ কোটি, কৰবাত ২ কোটি। এনেকৈ। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই এটাই অনুৰোধ কৰিম যে আপুনি অসমৰ এই ভাৰতৰ পাঁচখন ৰাজ্যৰ ভিতৰত এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যত আপুনি পৰিগণিত অসমখন কৰিব বিচাৰিছে। গতিকে মই ভাবোঁ আপোনাৰ যিটো এইবাৰ যিটো বিধানসভাত যিটো ষ্টেণ্ড, আপোনাৰ যিখিনি কথা-বতৰা যথেষ্ট ভাল পাইছোঁ। বেয়া পোৱা নাই। আপোনাৰ এটা মান positive মানে হেৰি দেখা পোৱা গৈছে। গতিকে এইবাৰ মই আশা ৰাখিম এই বিধায়কসকলক আপুনি জীৱিত ৰখাৰ কাৰণে অলপ দৃষ্টি আমাৰ প্ৰতি নিক্ষেপ কৰি MLA-LAD fund টো বঢ়াই দিয়ক। নাৰী শক্তি আপুনি যি কৰিব খোজে কৰি থাকক আমি চাপোৰ্ট কৰি থাকিম। কথা নাই  আমাৰ কথাটোৱে এইটোৱেই। ধন্যবাদ ছাৰ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী ঋতুবৰণ শৰ্মা।

**শ্ৰী ঋতুবৰণ শৰ্মা, বৰছলাঃ** আদৰণীয় অধ্যক্ষ মহোদয়, ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত প্ৰতিনিধি হিচাপে প্ৰথমবাৰৰ বাবে এই পবিত্ৰ বিধানসভাৰ মজিয়াত থিয় হৈ বক্তব্য প্ৰদান কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে মোৰ আৰু মোৰ প্ৰতিগৰাকী বৰছলা সমষ্টিবাসী ৰাইজৰ হৈ আপোনাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা, ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সন্মানীয় মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে নাৰী শক্তি বন্দন অধিনিয়ম, যি প্ৰস্তাৱ আজি সদনৰ সন্মুখত উপস্থাপন কৰিছে, এই প্ৰস্তাৱৰ সমৰ্থনত আপোনাৰ পৰা অনুমতি লৈ, মই মোৰ বক্তব্য আগবঢ়াবলৈ চেষ্টা কৰিছো। আদৰণীয় অধ্যক্ষ মহোদয়, প্ৰাক স্বাধীনতাৰ কালৰ পৰাই সেই সময়ৰ Constituent Assembly ত কমকে হ'লেও যি মহিলা প্ৰতিনিধি আছিল আৰু পৰৱৰ্তী সময়ত স্বাধীনতাৰ পিছতো দেশৰ উচ্চ সদনত এই বিষয়লৈ চৰ্চা হৈছিল যে, নিৰ্বাচিত প্ৰতিনিধি হিচাপে মহিলাসকলৰ সংৰক্ষণৰ কি ব্যৱস্থা হ'ব ? প্ৰয়োজনীয়তা আছেনে নাই ? কিন্তু সেই সময়ত বহু স্বাভিমানী মহিলাই, প্ৰতিনিধিয়ে তেওঁলোকে আশা কৰিছিল যে নহয়, কোনো ধৰণৰ ৰিজাৰ্ভেচনৰ হয়তো প্ৰয়োজন নহ'ব, আমি পুৰুষৰ সমানে সমানে ৰাইজৰ আশীৰ্বাদ, ৰাইজৰ সমৰ্থনেৰে আমি প্ৰতিদ্বন্দ্বিতা কৰি জিকি আহি আমি আমাৰ নিজৰ দায়িত্ব পালন কৰিম আৰু সেই ভাবিয়েই পৰৱৰ্তী সময়ত স্বাধীনতাৰ পৰৱৰ্তী সময়ত তেনেকুৱা বিশেষ আৰম্ভণিতে ৰিজাৰ্ভেচনৰ ব্যৱস্থা নাছিল যদিও পৰৱৰ্তী সময়ত দেখা গ'ল যে, সেই সময়ৰ ৰাজনীতিত কৰবাত ৩ শতাংশ, কৰবাত ৫ শতাংশ, ৭ শতাংশ, ১০ শতাংশ, ১৪ শতাংশ বা ১৫ শতাংশ তাতকে বেছি প্ৰতিনিধিত্ব কোনো লোকসভাটো দেখা নগ'ল ।

আৰু ভাৰতৰ আন আন ৰাজ্যতো সেই প্ৰতিনিধি, প্ৰতিনিধিত্ব এই সংখ্যাৰ ভিতৰতে সীমাবদ্ধ হৈ থাকে । আৰু তেতিয়াই উকমুকনি হ'ল যে, সমাজৰ ৫০ শতাংশ প্ৰতিনিধিত্ব কৰা নাৰী সমাজৰ প্ৰতিনিধিত্ব কেৱল ইয়াতে সীমাবদ্ধ হৈ থাকিব নেকি ? তেওঁলোকক আগুৱাই লৈ যোৱাৰ আৰু তেওঁলোকক সুবিধা প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে নে নাই ? আৰু তাৰ পিছতে আমি জানো সদনত বিভিন্ন সময়ত আলোচনা-বিলোচনা হ'ল । কিন্তু আনুষ্ঠানিকভাৱে ১৯৯৬ চনৰ পিছতহে সংৰক্ষণৰ ক্ষেত্ৰত কিছু গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা দেখা গ'ল । যি কি নহওক, সময় বহুত বাগৰিল আৰু একেবাৰে শেহতীয়াকৈ ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বত থকা আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ উদ্যোগত দুই সদনতে নাৰী শক্তি বন্দন অধিনিয়ম, এই বিলে যেতিয়া আনুষ্ঠানিকভাৱে গৃহীত হ'ল আৰু যেতিয়া পৰৱৰ্তী সময়ত ইয়াক কাৰ্য্যকৰী ৰূপ দিয়াৰ কথা আহিল আৰু ১৭ এপ্ৰিল তাৰিখে সদনত যি এক ঐতিহাসিক ক্ষণৰ সাক্ষী হোৱাৰ আমাৰ প্ৰত্যেকগৰাকী নিৰ্বাচিত প্ৰতিনিধিৰ সন্মুখত এক সুযোগ আছিল আৰু সেই সুযোগক কিন্তু একমাত্ৰ নিজৰ ক্ষুদ্ৰ স্বাৰ্থ আৰু এক নাৰী বিদ্বেষী মনোভাৱৰ পুনৰ তেওঁলোকে পৰিচয় দাঙি ধৰি কংগ্ৰেছ আৰু একাংশ বিৰোধীয়ে যিধৰণে এই গোটেই অধিনিয়মক ভৰিৰে মোহাৰি নাৰীসকলক/নাৰী সমাজক তেওঁলোকৰ প্ৰতিনিধিত্বৰ আৰু অধিকাৰৰ পৰা যিদৰে বঞ্চিত কৰিলে, সেই দিনটো নিশ্চিতভাৱে ভাৰতীয় সংবিধানৰ, সংসদীয় ইতিহাসত এটি ক'লা দিন হৈ ৰ'ব। এটি ক'লা অধ্যায় হৈ ৰ'ব। মই কংগ্ৰেছৰ এই ভূমিকাক তীব্ৰ ভাষাৰে নিন্দা কৰিছোঁ। আদৰণীয়

অধ্যক্ষ মহোদয়, সমাজৰ প্ৰতিনিধিত্ব কৰা ৫০ শতাংশ নাগৰিকক বঞ্চিত কৰি আমি বিকাশ আৰু পৰৱৰ্তী সময়ত ভৱিষ্যৎ নিৰ্মাণৰ বিভিন্ন সিদ্ধান্তসমূহ, সি লাগিলে ৰাজনৈতিক সিদ্ধান্ত হওক, সি লাগিলে অৰ্থনৈতিক হওক, সি লাগিলে সামাজিক হওক, সি লাগিলে সাংস্কৃতিক হওক । এই সিদ্ধান্তসমূহ লোৱাৰ ক্ষেত্ৰত আমি ৫০ শতাংশক বঞ্চিত কৰিলে দেশ কেতিয়াও আগবাঢ়ি যাব নোৱাৰে আৰু এই কথা ক'বলৈ যাওঁতে আৰু এই নাৰী সমাজক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ দিবলৈ যাওঁতে, কংগ্ৰেছ দলে যি দৃষ্টিগতভাৱে, মই নিৰ্লজ্জ শব্দটো ব্যৱহাৰ কৰিব বিচৰা নাই, তেওঁলোকে পাকে-প্ৰকাৰে কেৱল এইবাৰেই নহয়, ১৯৯৬ৰ পিছৰ পৰাই প্ৰতিবাৰেই তেওঁলোকে দেখুৱাওঁতে তেওঁলোকে কথাবোৰ এনেকৈ কয় যেন তেওঁলোক সমৰ্থনত আছে। কিন্তু কেতিয়াবা কিবা নহয় কিবা অজুহাতত তেওঁলোকে প্ৰত্যেকবাৰেই এই সংৰক্ষণৰ বিৰোধিতা কৰি আহিছে আৰু এইবাৰো তেওঁলোকে অচিলা হিচাপে ল'লে delimitation ৰ কথাটো। আৰু delimitation ৰ বিষয়ে আমি ভালকৈ জানো। প্ৰত্যেক লোকপিয়লৰ পিছতেই delimitation হোৱাটো জৰুৰী আৰু সেই অনুসৰি ৫১ চনৰ পিছৰ পৰাই, ৫১ চনত লোকপিয়ল হ'ল, ৫২ চনত delimitation হ'ল । এই পৰ্যায় গৈ থাকিল। ৭৬ চনত যেতিয়া লোকপিয়লৰ, ৭১ চনৰ লোকপিয়লৰ পিছতেই delimitation ৰ প্ৰক্ৰিয়া আৰম্ভ হওঁতে ৭৬ চনতেই freeze কৰি দিয়া হ'ল যাতে আৰু পৰৱৰ্তী সময়ত কোনো ধৰণৰ delimitation হ'লেও সমষ্টি পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত কিন্তু যি সংখ্যা যিধৰণে থাকিব সেইধৰণে থাকি যাব। আৰু সেই ৭৬ চনক পৰৱৰ্তী সময়ত ২০০১ চনত পুনৰ ২৫ বছৰলৈ বৃদ্ধি

কৰি ২৬ চনলৈ তাক বঢ়াই দিয়া হ'ল। ২০২৬ চনত আমাৰ সন্মুখত সাংবিধানিক সংকট বুলি ক'ব লাগিব, কাৰণ অৱশ্যম্ভাৱী। আমি delimitation কৰিবই লাগিব, দেশে delimitation কৰিবই লাগিব । আৰু delimitation হৈ যোৱাৰ পিছত যিহেতু সংখ্যা বৃদ্ধি হ'ব, সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মহিলাসকলৰ আসনটো সংৰক্ষণৰো সংখ্যা বৃদ্ধি হ'ব, মহিলাসকলৰ প্ৰতিনিধিত্ব বাঢ়িব, এই কথা তেওঁলোকে বুজি পাই উঠি তেওঁলোকে প্ৰকৃতাৰ্থত যে মহিলা বিৰোধী, সেই চৰিত্ৰটো পুনৰ উজাগৰ কৰি তেওঁলোকে এই মহিলাসকলৰ সন্মুখত যি এক উজ্জ্বল ভৱিষ্যতৰ দিশ আছিল, তাক ভৰিৰে মোহাৰি তেওঁলোকে বিৰুদ্ধাচৰণ কৰিলে। মই পুনৰবাৰ তেওঁলোকৰ এই গোটেই কথাটোক গৰিহণা দি আজি সন্মানীয় মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যি নাৰী শক্তি বন্দন অধিনিয়ম, তেওঁ উপস্থাপন কৰিছে, ইয়াৰ প্ৰতি সম্পূৰ্ণ মোৰ আস্থা প্ৰকাশ কৰি মোৰ বক্তব্য সামৰিছোঁ। বহুত বহুত ধন্যবাদ।

**माननीय अध्यक्षः** এতিয়া শ্ৰী থানেশ্বৰ বসুমতাৰী।

**थानेस्वर बसुमतारि (41 नं मानास) -** बुंथिगिरि सार, सारआ बर' बुजि मोनखायो । जोंहा मैया बे जथुम्मायाव आइजोफोरनि गोहोखौ मान होनानै आरो आइजोफोरनि गोथार जौगाथाय आरो गोहो होनो थाखाय बियाब दाफामनाय हाबाफारिया जोबखांनायनि उनाव थाम बाहागोनि से बाहागो आइजोफोरनि थाखाय मासि थिसननायखौ हादोरनि संसदाव आरो गासै आयेन आफादफोराव सोदांनायखौ थाबैनो मावफुंनाय जाथों बेखौ जों मानाव गेदेर अजन्ता नेउग मन्थ्रि बिथाङा Lay खालामदों आं बेखौ मदद होनानै Just सुंद' आंनि साननायखौ बुंनो सान्दों, जे आं गोदानै दाफामजानाय 41 नं मानास बियाबनिफ्राय बिजाथि हिसाबै फैदों, बेनि थाखाय मानगोनां हाग्रामा महिलारी आरो जोंनि मुख्य मन्थ्रि ड॰ हिमन्त बिस्व शर्मा बिथांखौ आं साबायखर बाउदों ।

आरो जोंनि भट हेनाना देरहाहोनाय गासै भटार रायजो-राजा बिथांमोनखौ बे गोथार सदननिफ्राय आंनि गोसो गोर्बोनिफ्राय सिबिनाय बाउहरदों।

दा जों आइजोफोरखौ Empowerment खालामनायनि थाखाय आइजोफोरखौ गोख्रों खालामनायनि थाखाय रायजोआव दिनै बे हादराव थांनाय 17 एप्रिल, 2026 मायथाइआव पार्लियामेन्टाव बे बिलखौ लाबोदोंमोन नाथाय opposition आ opposed खालामनायनि थाखाय बेखौ पास खालामनो हानाय जायाखैमोन। दा गोदानै फिन जोंनि आयेन आफादा बेखौ बयनिबो मदद लानानै दिनै गोदानै बे संरैखा होनायनि Agenda खौ दिनै लाबोदों। आथिखालाव थारैनो बुंनो थाङोब्ला आइजोफ्रा जोबोर गोग्लैसोनाय नंलिया जों बिमा माहारिखौ सिबियो जों बिमानिफ्रायनो जोनोम जादों, आरो बे बिमा माहारिखौ जों मान होयो, आरो बिथांमोनखौ जों मान होनानै दिनै समाजखौ फोसाबनायनि हाबाफारि, दानाय लुनाय, गान्नाय-जोमनाय गावनि हारिनि हारिमु बे गासैबो बिथिङाव जोंनि आइजोफोरानो बिफाव लायो, नाथाय समाजाव माब्लाबा मा जायो बे आइजोफोरखौ जों बिफा गाहाइ समाज होनानै बिथांमोनखौ खायसे मोनथायनिफ्राय गोजानाव लाखिनायखौ जों नुनो मोन्दों, सोलोंथाइ बिथिङाव जोंनि थाउन सोहोरफोराव थानाय बिमा बिफाफोरा जोंनि हिन्जावसा गथ' जा हौवासा गथ' जा गासैखौबो बिथांमोना समान अधिकार जों फोरोङो नाथाय गामि ओनसोलाव जों मोजां सोलोंथाइ होनो जों आइजोफोरखौ जों हायाखै दा बेनि थाखाय जों हिन्जावसा फरायसाफोरखौ जों मोजाङै सोलोंथाइ होनो थाखाय जों राहा खालामनांगौ, जोंनि आइजोफोरा जोबोर गोग्लैसोनानै थायाखै आसलथे आथिखालाव रांखान्थि बिथिङावनो जा बायदिसिना हाबा फारियावनो जा बिथांमोना हौवाफोरजों समान समान बाहागो लादों, साख्रि बाख्रियाव नाथाय खोब इसेल' बिबांनि आइजोफोरा मोजां साख्रिआव बिथांमोना बाहागो लानो हादों, दा बेखायनो आइजोफोरनि थाखाय दा जों संरैखा मासिखौ थिनायनि बेबस्था खालामनांगौ जे बिथांमोनाबो राजखांथि बिथिङाव जाहाथे बाहागो लानानै गावनि मोनथायखौ बिधान सभा एबा संसदाव जाहाथे फोरमायनो हायो आरो आइजोफोरखौ गासै थिंबो दिगाव आवगायलांनायनि थाखाय खाबु होनो हायो बेखिनि खौनो बुंनानै आंनि बुंनायखौ फोजोबबाय।

(**শ্ৰীথানেশ্বৰ বসুমতৰী**, (41 **নং মানাস )** - অধ্যাক মহোদয় আপুনি বড়ো ভাষাটো বুজিয়ে পায়। আমাৰ যোৱাকালি এই পৱিত্ৰ সদনত মহিলা সবলীকৰণক সন্মান জনাই আৰু মহিলাসকলৰ উন্নয়ন আৰু

সবলীকৰণ বাৱে সমষ্টিৰ delimitation কাৰ্যসূচী অন্ত পৰাৰ পিছত তিনি ভাগৰ এক ভাগ মহিলাসতৰ বাৱে আসন সংৰক্ষিতৰ বাৱে নিৰ্ধাৰণ কৰাটো দেশৰ সংসদত আৰু সকলো বিধান সভাত বিলাকত সংসোধন কৰাটো অতি শীঘ্ৰে ব্যৱস্থা লোৱা হওক, এইটো আমাৰ माननीয়া অজন্তা নেওগ মন্ত্ৰী তেখেতে উপস্থাপন কৰিছে মই সমৰ্থন জনাই দুই এসাৰ মোৰ মন্তব্য আগবঢ়াইছো। মই নতুনকৈ গঠিত 41 নং মানাস সমষ্টিৰ পৰা সদস্য হিচাবে আজি বিধান সভাত উপস্থিত হব পাৰিছো ইয়াৰ বাবে মাননীয় হাগ্ৰামা মহিলাৰী আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু মই সমষ্টি বাসীক মোক ভোট দান কৰি জিকাই অনাৰ বাবে হৃদয়ৰ পৰা মই কৃতজ্ঞতা ব্যক্ত কৰিছোঁ। এতিয়া আমাৰ মহিলা সবলীকৰণৰ বাবে মহিলা সকলক বলিষ্ঠ কৰি তোলাৰ বাবে ৰাজ্যত আজি এই দেশত যোৱা 17 এপ্ৰিল 2026 মাহত পাৰ্লিয়ামেণ্টত এই বিধেয়ক খন উপস্থাপন কৰিবলৈ লৈছিল কিন্তু বিৰোধী দল সমূহে বিৰোধিতা কৰাৰ বাবে এই বিধেয়াক খন পাৰিত হোৱা নাছিল। এতিয়া আকৌ এবাৰ নতুনকৈ আমাৰ বিধান সভায়ে সকলো সদস্যৰ বিলাকৰ সমৰ্থনেৰে নতুনকৈ প্ৰস্তাৱটি সংৰক্ষণ কৰাৰ এজেণ্ডা আজি লৈ আহিছে। আজিৰ দিনটোত সঁচাকৈয়ে কবলৈ গলে মহিলা সকল পিছ পৰি থকা নাই। আমি মাতৃক পূজা কৰোঁ, আমি মাতৃৰ গৰ্ভেৰে জন্ম লৈছো। আৰু আই মাতৃত্বক আমি সদায় সন্মান জনাওঁ। আৰু তেখেত সকলক আমি সন্মান জনাই আজি সমাজ উন্নয়নৰ কাৰ্য যেনে হস্ত তাঁত, পোছাক পৰিধানেৰে নিজৰ জাতিৰ সংস্কৃতি বজোৱাত মহিলা সকলেই যোগদান দিয়ে। কিন্তু সমাজত কেতিয়াবা কি হয় এই মহিলাসকলক আমি পুৰুষ প্ৰধান্যকৰণ সমাজ গঢ়ি মহিলাহতক বহুকেইটা অধিকাৰৰ পৰা বঞ্চিত কৰা পৰিলক্ষিত হৈছে। শিক্ষা ক্ষেত্ৰতো আমাৰ চহৰীয়া বাসিন্দা অভিভাৱক সকলে লৰা ছোৱালী বিলাকক সমান অধিকাৰ দি শিক্ষা দিয়ে কিন্তু গাঁও অঞ্চলত আমি মহিলাসকলক ভাল দৰে শিক্ষা দিব পৰা নাই। সেইবাবে আমি ছোৱালী বোৰক ভাল কৈ

শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মহিলাসকলে পিছপৰি থাকা নাই, আজিকালি অৰ্থনৈটিকৰ বিষয়ে হওঁক বা বিভিন্ন কাৰ্যতে হওঁক তেখেত সকলে পুৰুষৰ লগত একেৰাহে সমানে সমানে অংশগ্ৰহণ কৰিছে । উচ্চ স্থানৰ চাকৰি কৰাৰ ক্ষেত্ৰত কিন্তু বহুত কমসংখ্যক মহিলাসকললে যোগদান দিয়া আমি দেখিবলৈ পাইছো। সেয়েহে মহিলাবোৰৰ বাবে এই সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰিব লাগিব যে তেওঁলোকেও ৰাজনীতি ক্ষেত্ৰত যোগদান দি নিজৰ অধিকাৰ বোৰক বিধান সভা অথবা সংসদ ভৱনত যাতে নিজৰ বক্তব্য দাঙি ধৰিব পাৰে, আৰু মহিলাসকলক সকলো দিশে আগবাঢ়ি যোৱাৰ বাবে সুযোগ পাব পাৰে এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। )

**মাননীয় অধ্যক্ষঃ এতিয়া শ্ৰী আমিনুল হক লস্কৰ।**

**শ্ৰী আমিনুল হক লস্কৰ (সোনাই, কাছাড়)ঃ-** মাননীয় অধ্যক্ষ মহোদয়,আমি আজ এই পবিত্র সদনে মাননীয়া মন্ত্রী অজন্তা নেওগ মহাশয়ার আনা প্রস্তাবটির বিরোধিতা করতে দুই একটা কথা বলার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ দিচ্ছি । অধ্যক্ষ মহোদয়, প্রস্তাবে বলা হয়েছে নারী শক্তিকে সম্মান জানাতে এবং মহিলাদের সর্বাঙ্গীন বিকাশ ও ক্ষমতায়ন নিশ্চিত করতে সমস্ত সমষ্টি নির্ধারণ প্রক্রিয়া সম্পন্ন হওয়ার পর সংসদ এবং সমস্ত বিধানসভায় মহিলাদের জন্য এক তৃতীয়াংশ আসন তাৎক্ষণিকভাবে সংরক্ষণের কার্য করা হোক। প্রথমে আমি স্পষ্ট করতে চাই অধ্যক্ষ মহোদয়, আমার এই বিরোধিতা নারী সংরক্ষণের বিরুদ্ধে নয়। মহিলাদের রাজনৈতিক প্রতিনিধিত্ব বাড়ানো একটা ঐতিহাসিক প্রয়োজন। কিন্তু নারী শক্তির নামে যদি একটি অসম্পূর্ণ, অস্পষ্ট, রাজনৈতিকভাবে সুবিধাজনক

এবং বাস্তব সমস্যাকে এড়িয়ে যাওয়ার প্রস্তাব আনা হয় তাহলে বিরোধী পক্ষের দায়িত্ব হলো সেটার সত্যতা সদনের সামনে তুলে ধরা । অধ্যক্ষ মহোদয়, ভারতের সংবিধানের ১০৬ নম্বর সংশোধন অর্থাৎ নারী শক্তি বন্দন অধিনিয়ম ২০২৩ লোকসভা, রাজ্যের বিধানসভায় এবং দিল্লি বিধানসভায় প্রায় এক তৃতীয়াংশ আসন মহিলাদের জন্য সংরক্ষণ করার কথা বলা হয়েছে। কিন্তু এই আইনের বাস্তব প্রয়োগ সরাসরি এখন নয়। আইন অনুযায়ী প্রথমে সংশোধন কার্যকরি হওয়ার পর জনগণনার তথ্য প্রকাশ হতে হবে। তারপর ওই জনগণনার ভিত্তিতে সময় নির্ধারণ ডিলিমিটেশন হতে হবে। তারপর সংরক্ষণের কার্যকর হবে। পিআরএস লেজিসলেটিভ রিসার্সের বিষয়ে বিশেষ স্পষ্টভাবে উল্লেখ আছে অধ্যক্ষ মহোদয়।

অধ্যক্ষ মহোদয়, আমার প্রশ্ন হলো, যখন মূল আইন নিজের জনগণনা ও সময় নির্ধারণের সঙ্গে যুক্ত তখন ওই সংশোধনে তাৎক্ষণিকভাবে কার্যকর করার কথা বলা কি শুধু রাজনৈতিক বার্তা নয়? যদি সরকার সত্যিই মহিলাদের প্রতিনিধিত্ব নিয়ে আন্তরিক হয় তাহলে শুধু প্রস্তাব পাস করলেই হবে না। জনগণনা কবে হবে এবং সীমা নির্ধারণ কবে শেষ হবে? আসামের কোন আসন কিভাবে সংরক্ষিত হবে? এস.সি , এস.টি সংরক্ষণের আসনের মধ্যে মহিলাদের ভাগ কি হবে? কিভাবে নির্ধারিত হবে? এইসবের স্পষ্ট রোড ম্যাপ হতে হবে অধ্যক্ষ মহোদয়।

অধ্যক্ষ মহোদয়, সময় খুব কম এর জন্য এই বিলের বিরোধিতা করে আমি বলতে চাই নারী শক্তি এক স্লোগান নয়, নারীর প্রকৃত অধিকার চাই। নারীর ক্ষমতায়নের নামে বিলম্ব নয়, নির্দিষ্ট রোড ম্যাপ চাই। সংরক্ষণের নামে রাজনৈতিক সীমা নির্ধারণ খেলা নয়, সামাজিক ন্যায়বিচার চাই। অধ্যক্ষ মহোদয়, যদিও আজকের এই টপিক এ এটা গ্রহণযোগ্য নয় যদিও আমাদের শাসক দলের একজন বিধায়ক বলেছেন এর জন্য আমার বলতে প্রয়োজন হয়েছে। অধ্যক্ষ মহোদয়, আমরা আসাম রাজ্যের ইসলাম ধর্মাবলম্বীর মানুষ আমরা ডিসিশন নিয়েছি এবার আমরা গরু কুরবানি দিব না। আমদের মুখ্যমন্ত্রীর আদেশকে আমরা সম্মান হিসেবে মেনে নিচ্ছি যে এবার আমরা গরু কুরবানি দিব না। যেহেতু সনাতনী ধর্মের মানুষ গরুকে গাই মাতা হিসাবে সম্বোধন করে, আমরা এই সনাতনী ধর্মের মানুষকে সম্মান জানিয়ে এবার আমরা গরু কুরবানি দিব না। কিন্তু অধ্যক্ষ মহোদয়, আপনার জরিয়তে আমার মুখ্যমন্ত্রীকে বলতে চাই যেহেতু গরু কুরবানি হবে না কিন্তু গতকাল গরুর বাজার থেকে গরু যারা বিক্রি করতে এসেছে এদেরকেও অ্যারেস্ট করা হয়েছে, যারা গাই গরু কিনেছে দুধ নেওয়ার জন্য এদেরকেও অ্যারেস্ট করা হয়েছে, আমি মুখ্যমন্ত্রীকে অনুরোধ করব যে গতকাল যাদেরকে অ্যারেস্ট করা হয়েছে, থানায় রাখা হয়েছে যেহেতু কুরবানি হবে না গরুর, তাদেরকে যাতে মুক্তি করে দেওয়া হয় অধ্যক্ষ মহোদয়। আমার সমষ্টির আমার ঘরের কাছে একটা বেরেঙ্গা ক্যাটেল মার্কেট আছে। এখানে গরিব মানুষরা ওরা রাত্রে এই ক্যাটেল মার্কেটের শেডে তাদের নিজের

প্রয়োজনীয় গরু বাছুর বেঁধে রাখে। গতকাল রাত ১১ টার সময় আমাদের কাছাড় জেলার এস.পি সহ বেশ কিছু পুলিশ আধিকারিক গিয়ে এই গরুকে এই শেড থেকে তুলে নিয়ে আসছেন অধ্যক্ষ মহোদয়। তাদেরকে মুক্তি করে দিলে আমরা সব খুশি হব। সম্মান দিয়ে যেহেতু গরু কুরবানি আমাদের বিভিন্ন ইসলাম ধর্মাবলম্বী মানুষ যারা বলেছেন যে গরু কুরবানি হবে না, আমরা অন্য পশু , যে পশু জায়েজ ওই জায়েজ পশু আমরা কুরবানি দিব। এই কথা অনুরোধ রেখে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ এতিয়া শ্ৰী ভিক্টৰ কুমাৰ দাস।**

**শ্ৰী ভিক্টৰ কুমাৰ দাস, গৰেশ্বৰঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। কালি যিটো প্ৰস্তাৱ আমাৰ সকলোৰে শ্ৰদ্ধাৰ মন্ত্ৰী Ajanta Neog বাইদেউই মহিলা সুৰক্ষাৰ কাৰণে ইয়াত উত্থাপন কৰিছিল, মই সেই প্ৰস্তাৱটো আন্তৰিকতাৰে সমৰ্থন কৰিছোঁ। আমি সেইখন দেশত বাস কৰোঁ যিখন দেশৰ মাটিক আমি 'মাতৃভূমি' বুলি কওঁ, 'দেৱভূমি' বুলি কওঁ। এইটো আমি সেইকাৰণে কওঁ, কাৰণ আমাৰ পুৰাতন সংস্কৃতি আৰু সভ্যতাই আমাৰ বেদ-বেদান্ততো উল্লেখ আছে —

**হিমাদ্রেশ্চৈব যাবৎ ইণ্ডু-সাগৰম্**
**তং দেৱ-নিৰ্মিতং দেশং হিন্দুস্থানং প্ৰচক্ষতে ॥**

এই ভাৰতবৰ্ষ খন ভগৱানে নিৰ্মাণ কৰা দেশ আৰু ইয়াতে মহিলাৰ সন্মান আছে৷ সেই কাৰণে আৰু এটা বেদবাক্য আছে-

**যাত্ৰ নাৰ্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।**

অৰ্থাৎ য’ ত মহিলা সকলক সন্মান কৰা হয়, দেৱীৰ লগত তুলনা কৰা হৈছে আৰু সেইখন দেশত মহিলা আৰক্ষনৰ কাৰণে এইখন বিল আহিছে তাত কোনোবা বিৰোধিতা কৰিছে সেইটো সম্পুৰ্ণ ভাবে এখন মহিলা সমাজৰ কাৰণে চৰম অপমান বুলি আমি ভাবো। যি অজুহাতৰ বিৰোধিতা তেখেতসকলে যিবোৰ কথা উল্লেখ কৰিছে, মই ভাবোঁ কেৱল ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ কাৰণে তেখেতসকলে অপ্ৰাসংগিক আৰু ভিত্তিহীন যুক্তি আগবঢ়াইছে। ডিলিমিটেশ্যনৰ কথাক লৈ, নাৰী বন্দনা অধিনিয়মৰ যিখন বিধেয়ক, সেই বিধেয়কখনৰ বিৰোধিতা কোনো কাৰণতে গ্ৰহণযোগ্য হ’ ব নোৱাৰে। ডিলিমিটেশ্যন কিয় নালাগে? ১৯৫১ চনত যদি ডিলিমিটেশ্যন হ’ ব পাৰে, ১৯৬১ চনত যদি ডিলিমিটেশ্যন হব পাৰে, ১৯৭১ চনত যদি ডিলিমিটেশ্যন হ’ ব পাৰে, তেন্তে এতিয়া কিয় ডিলিমিটেশ্যন হ’ ব নোৱাৰে? যেতিয়া ১৯৫১ চনত ডিলিমিটেশ্যন হৈছিল, তেতিয়া ভাৰতবৰ্ষৰ জনসংখ্যা প্ৰায় ৩৬ কোটি আছিল আৰু তেতিয়া লোকসভাৰ সদস্য সংখ্যা ৪৯৪ আছিল। আৰু ১৯৬১ চনত যেতিয়া পুনৰবাৰ ডিলিমিটেশ্যন হ’ ল, তেতিয়া ভাৰতবৰ্ষৰ জনসংখ্যা প্ৰায় ৪৩.৯ কোটি আছিল তেতিয়া লোকসভাৰ আসন আছিলে ৫২২। আৰু ১৯৭১ চনত যেতিয়া পুনৰ চেঞ্চাছৰ পিছত ডিলিমিটেশ্যন হ’ ল, তেতিয়া ভাৰতবৰ্ষৰ জনসংখ্যা ৫৪.৮ কোটি আছিল আৰু তাৰ বিপৰীতে ৫৪৩খন লোকসভা আসনৰ

ব্যৱস্থা কৰা হৈছিল। আজি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা ১৪০ কোটি। তাৰ আধা জনসংখ্যা হৈছে মহিলাসকলৰ। প্ৰায় ৭১ কোটি মহিলা। এই ৭১ কোটি মহিলাক সাংবিধানিক বা ৰাজনৈতিক অধিকাৰ এখন চৰকাৰে দিবলৈ গৈ আছে। তাত যদি কোনোবাই বিৰোধিতা কৰিছে, মই ভাবোঁ এইটো সম্পূৰ্ণভাৱে অযুক্তিকৰ আৰু অপ্ৰাসংগিক।

তেনেকুৱা নহয় যে আমি ময়মতালিৰে এই বিধেয়কখন উত্থাপন কৰিছোঁ। আৰ্টিকেল ৮১ত কোৱা হৈছে যে population-based representation হ' ব লাগিব আৰু আৰ্টিকেল ৮২ ত কোৱা হৈছে যে population-based readjustment হব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় অখিল গগৈ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া , আজি বিধান সভাত কৈ থকা হৈছে যে, মহিলাসকলৰ বাবে ৩৩ শতাংশ বিধান সভা আৰু লোক সভাত আসন সংৰক্ষণ লাগে । মই এইবাৰ অসমৰ নিৰ্ব্বাচনত মহিলা ভোটাৰ আৰু পুৰুষ ভোটাৰৰ সংখ্যা কিমান আছিল চাইছিলো । মই দেখিছেলো যে, পুৰুষ আছিল ১,২৫,৩১৫৫২ আৰু মহিলা আছিল ১ , ২৫ , ২২ ৫৯৩ গৰাকী। অৰ্থাৎ মাত্ৰ মহিলা ভোটাৰৰ সংখ্যা ক'ম আছিলে ৮৯৫৯ গৰাকী । পুৰুষ আৰু মহিলা যেতিয়া সমান সমান ভোটাৰ , মই ভাবো যে, সংৰক্ষণেটো ৩৩ শতাংশ নহয় ,সংৰক্ষণ ৫০ শতাংশ হোৱা অতি প্ৰয়োজন । দুই

নম্বৰটো হ'ল – সংৰক্ষণ আজিৰ পৰাই হ'ব লাগে। আজিয়ে বিধান সভাই প্ৰস্তাৱ ল'ব লাগে । ভবিষ্যতে ডিলিমিটেশ্যন হ'ব । ডিলিমিটেশ্যন হোৱাৰ পাচতহে মানে আসনৰ সংখ্যা বঢ়াৰ পিচতহে আমি মহিলাসকলক সংৰক্ষণ দিম। এইটো নহয় এতিয়া যি ১২৬ খন আসন বিধান সভাত আছে তাৰ আধা আমি মহিলাসকলক দিওঁ । প্ৰয়োজন হ'লে মোৰ সমষ্টিও মহিলাক ৰিজাৰ্ভেশ্যন দিয়ক মোৰ কোনো অসুবিধা নাই। আমাৰ লোকসভাত যি ১৪ খন আসন আছে তাৰে ৭ খন আসন মহিলাই পাওঁক ,লোকচানটো ক'ত- কিয় বিজেপি দলে তাৰ লগত এটা নেগুৰ লগাই দিছে ? যে মহিলা সংৰক্ষণ ৩৩ শতাংশ দিম কিন্তু তেতিয়াহে দিম যেতিয়া বিধান সভা আৰু লোক সভাত আসনৰ সংখ্যা বাঢ়িব। এইটো হ'ব নালাগে। মই ভাবো যে, ভাৰতবৰ্ষৰ সংবিধানৰ আৰ্টিকূল -১৫ ই ৰাষ্ট্ৰ বা চৰকাৰক অধিকাৰ প্ৰদান কৰিছে যে, মহিলা আৰু শিশুসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আৰু সেই আৰ্টিকূল -১৫ ৰ অধীনত পঞ্চায়তীৰাজৰ ৭৩ সংশোধন আৰু ৭৪ সংশোধনত ইতিমধ্যে মহিলাসকলক সংৰক্ষণ দিয়া হৈছে ৫০ শতাংশ। বিভিন্ন ৰাজ্যত ৫০ শতাংশ হৈ গ'ল, কোনোৱা ৰাজ্যত ৩৩ শতাংশ সংৰক্ষণ দিয়া হৈছে । পঞ্চায়তীৰাজৰ ৭৩ সংশোধন আৰু ৭৪ সংশোধনত সংৰক্ষণ ইতিমধ্যে দিয়া হৈছে ৫০ শতাংশ আৰু সেই একেই অনুচ্ছেদত এতিয়া আকৌ ডিলিমিটেশ্যনৰ লগত জৰিত কৰাৰ কি অৰ্থ থাকিব পাৰে অধ্যক্ষ ডাঙৰীয়া। আমি

দেখিছো যে, ভাৰতবষৰ্ৰ মহিলাসকলে একেবাৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই মহিলাসকলৰ ৰাজনৈতিক অধিকাৰৰ কাৰণে যুঁজি আহিছে। এনি বেচান্ত, সৰোজিনী নাইডু ইত্যাদি মহিয়সী মহিলাসকলে যুঁজি আহিছিলে । আনকি আটাইতকৈ গুৰুত্বপূৰ্ণ কথা ভাৰতৰ সংবিধান যেতিয়া ৰচনা হৈছিলে যাক আমি Constituent Assembly debate বুলি কওঁ ৩ বছৰ ধৰি গোটেই ভাৰতবৰ্ষৰ লীডাৰবিলাকে তাৰ ওপৰত বিতৰ্ক কৰি আছিল। তেতিয়াও সৰোজিনী নাইডু আৰু বিজয়লক্ষ্মী পণ্ডিতে স্পেচিয়েলী দাবী উত্থাপন কৰিছেলে যে, মহিলাৰ অধিকাৰ সম্পূৰ্ণ ভাৰতৰ সংবিধানত সুৰক্ষিত হ'বই লাগিব । গতিকে চৰকাৰে  আজি নিদি ডিলিমিটেশ্যনৰ পিচত দিব বিচৰা যিটো যুক্তি তাৰ পৰা আঁতৰি আহিব লাগে। আজি কিছুমানে কৈ আছে যে, বিজেপি দল মহিলাসকলৰ বাবে সাংঘাতিকধৰণে সচেতন , কিন্তু আমিতো দেখিছো ৭৩ সংখ্যক এমেণ্ডমেন্ট, ৭৪ সংখ্যক এমেণ্ডমেন্ট । এইবোৰ ১৯৯২ চনত হৈছে । তেতিয়া বিজেপি দলৰ চৰকাৰ ভাৰতবৰ্ষত আছিলনেকি ? তাৰ পিচত যদি আমি দেখো মহিলা সংৰক্ষণ বিধেয়ক প্ৰথম বাৰৰ কাৰণে আনিছে দেৱগৌড়া চৰকাৰৰ দিনত । তেতিয়া কি বিজেপিৰ চৰকাৰ আছিলনেকি ? আজিৰ দিনটোত বিজেপি দলৰ লোকসভাত মহিলাৰ প্ৰতিনিধিত্ব মাত্ৰ ১৫ শতাংশ। মই আজিৰ দিনটো স্পষ্ট ভাষাৰে ক'ব খোজো যে, ৰাইজৰ দলে  ভাৰতৰ মহিলাসকলৰ ৫০ শতাংশ সংৰক্ষণ বিচাৰে। দ্বিতীয়তে,

ভৱিষ্যতে সংৰক্ষণ দিব লাগিব এইটো নহয় , আজিৰ পৰাই সংৰক্ষণ দিয়াৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰক। আৰু সেই প্ৰস্তাৱ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰক আৰু ভাৰত চৰকাৰক স্পষ্টভাৱে কৈ দিয়া হওক যে, নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ চৰকাৰে যি ৰাজনীতি কৰিছে , ভৱিষ্যতে ডিলিমিটেশ্যন হোৱাৰ পিচতহে মহিলাসকলক সংৰক্ষণ দিব এই কথা আমি অসম বিধান সভাই নামানো । আমি অসম বিধান সভাই বিজেপিৰ ৰাজনীতিত ভৰি নিদিওঁ। ৫০ শতাংশ সংৰক্ষণ লাগে, এই বিধান সভাৰ পৰা ৰিজ'লিউশ্যন পাচ হ'ব লাগে বুলি মই দাবী উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰীভূৱন পেগু।

**শ্ৰীভূৱন পেগু, জোনাই** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া , আমাৰ মন্ত্ৰী অজন্তা নেওগ বাইদেউয়ে যি চৰকাৰী সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে তাক সমৰ্থন জনাই মহিলাৰ ৰিজাৰ্ভেশ্যনটো ডিলিমিটেশ্যন কৰি সোনকালে দিব লাগে। সোনকালে দিব লাগে বুলি যিটো প্ৰস্তাৱ গ্ৰহণ কৰিছে সেইটো বিজেপিয়ে কৰা বুলি কেনেকৈ ক'লে। ২০২৩ চনত The Constitution 106 amendment Act 2023 Parliament পাচ হৈছে গতিকে এতিয়া মহিলা ৰিজাৰ্ভেশ্যনৰ বিষয়টো সংবিধানৰ এটা অংশ। আৰু Constitution 106 amendment Act 2023 কি উল্লেখ আছে মই পঢ়ি দিছো। ইয়াত ক্লজ -৫ উল্লেখ আছে যে,

Notwithstanding anything in the forgoing provision of this part or part-viii, the provision of the Constitution relating to the reservation of seat for Women in the House of the people , the Lagislative Assembly of a State and the Legislative Assembly of the National Capital territory of Delhi shall come into effect after and exercise of delimitation is undertaken for this purpose after the relevant figures for the first census taken after commencement of the Constitution ( One Hundred and Sixth amendment ) Act, 2023 have been published and shall case to have effect on the expiration period of 15 years from such commencement এইটো সংবিধানৰে অংশ হয় । এই বিষয়টো বিৰোধ কৰা মানে সংবিধান বিৰোধী হয় । যেতিয়া ৰাহুল গান্ধীয়ে পাৰ্লিয়ামেন্টত সংবিধান দেখুৱাই কৈ আছিল আৰু ইয়াতেও ইলেকশ্যনৰ আগত প্ৰতিবাদ কৰিছিলে। এতিয়াও সংবিধান বাচাও নে সংবিধান বৰবাদীৰ কাম কৰিব বিচাৰিছে । বিৰোধীয়ে এই Women Reservation Bill খনৰ বিৰোধিতা কৰিছে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ বৰবাদীৰ কাম যদি ভাৰতত কোনোৱাই কৰিছে তেন্তে সেয়া বিজেপিয়ে কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া আপুনি মাজতে কথা কোৱাটো বন্ধ কৰক। মই যোৱাকালিও কৈছো যে, কোনোবাই কৈ থাকিলে ইন্টাৰফেয়াৰ নকৰিব।

**শ্ৰীভূবন পেগু, জোনাই** ঃ অধ্যক্ষ মহোদয়, এই এক্টখন সংবিধানৰ অংশ হোৱা মানে এইখন আইন হৈ গ'ল গতিকে মই ভাবো ইয়াৰ কপি এটা বিৰোধীক চাৰ্কুলেট কৰি দিলে ভাল হ'ব – তেওঁলোকেও অধ্যয়ণ কৰি ল'ব। ক্ল'জ -৫ চেনচাচ ফিগাৰৰ কথাটো পাচ হ'ল যেতিয়া চেনচাচ হ'ব তাৰ পিচত ডিলিমিটেশ্যন হ'ব লাগিব আৰু তাৰ পিচত বিলখন পাচ হ'ব। এই এক্টখন যদি পাচ হৈ যায় তেন্তে আজিৰ তাৰিখত মহিলা সদস্য হ'ব ৪২ তাৰ পিচত ডিলিমিটেশ্যনেটো হৈ গ'লে more than 60 হ'ব। য'ত ৪২ হ'ব লাগিছিল ইয়াত মাত্ৰ ৬ গৰাকী মহিলাহে আছে। গতিকে মই ভাবো যে, বিৰোধীয়ে সংবিধানৰ পক্ষত থিয় হৈ এই এক্টখনক সমৰ্থন জনাওক , এই সংকল্প প্ৰস্তাৱটো পাচ কৰাত সহায় কৰক। নহ'লে আগন্তুক দিনত জনজাতি বিৰোধী অৱস্থান গ্ৰহণ কৰাৰ বাবে , খিলঞ্জীয়া - অসমীয়া বিৰোধী অৱস্থান গ্ৰহণ কৰাৰ বাবে আজি যিটো বিৰোধীৰ অৱস্থা হৈছে , কংগ্ৰেছৰ যিটো অৱস্থা হৈছে আগন্তুক দিনতো বাহাল থাকিব। ৫০ শতাংশ ভোটাৰ মহিলাই আপোনালোকৰ যি অৱস্থা কৰিব আপোনালোকে চাই ল'ব।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অসমীয়া- খিলঞ্জীয়া বিৰোধী অৱস্থান আমি লোৱা নাই। আপোনালোকে লৈছে।

বাদ- বিবাদ- হুলস্থূল

**শ্ৰীভূৱন পেগু, জোনাই ঃ** আপোনালোকৰ লগত আজি অসমীয়া মানুহ নাই, খিলঞ্জীয়া মানুহ নাই। জনজাতি মানুহ নাই।

**মাননীয় অধ্যক্ষ ঃ** বহক... বহক ... প্লিছ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** সদনত আমালৈ চাই আঙুলি টোৱাই দম দিব পাৰে নেকি ছাৰ ?

**মাননীয় অধ্যক্ষ ঃ** বহক... বহক ... প্লিছ। আপোনাক কোৱা নাই নহয়- কংগ্ৰেছৰ দলৰ কথাহে কৈ আছে। বহক ...বহক।

বাদ- বিবাদ- হুলস্থূল

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** কংগ্ৰেছক কৈছে । কংগ্ৰেছক কিয় আঙুলি টোৱাই দম দিব । বিৰোধীক এনেকৈ আঙুলি টোৱাই দম দিব কিয় ছাৰ? এনেকৈ পাৰে নেকি ছাৰ ।

**মাননীয় অধ্যক্ষঃ** আপুনি বহক ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** ছাৰ মাননীয় বিধায়ক শ্ৰী ভূৱন পেগু ডাঙৰীয়াৰ এইটো প্ৰচিডিংৰ পৰা উঠাই দিব লাগে ।

**শ্ৰী ভূবন পেগু, জোনাই ঃ অধ্যক্ষ মহোদয়, এই এক্টটো সংবিধানৰ অংশ ।**

**মাননীয় অধ্যক্ষঃ** শ্ৰী ভূবন পেগু ডাঙৰীয়াই  কৈছে যে এইটো এটা সংবিধান প্ৰদত্ত অধিকাৰ । তেখেতে কৈছে যে এইটো বিজেপিও অনা নাই । এইটো সংবিধানে আনিছে । গতিকে এই সংবিধানক যদি আমি অমান্য কৰো প্ৰভিজনটো যদি অমান্য কৰো তেতিয়াহলে সংবিধানক অমান্য কৰা হব । আপুনি ভালদৰে শুনা নাই ।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় বিধায়ক শ্ৰী ভূবন পেগু ডাঙৰীয়াৰ বক্তব্য আপত্তিজনক ।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ভাষণ প্ৰদান কৰিব ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** ছাৰ বিৰোধী দলৰ বিধায়কক আঙুলি টোৱাই কিয় দম দিব ?

**মাননীয় অধ্যক্ষঃ** মই থিয় হৈছো । আপুনি বহক । মই এইটোৱে কথা কৈ আছো যে যি সকলে কথা কয় মোৰ পিনে চাই ক'ব আৰু কাৰ কি দুৰৱস্থা হৈছে সেইটো আমি ত কৈ লাভ নাই আমাৰ কিয় দুখ লাগে আপোনালোকৰ কিয় দুখ লাগে ?

কোনোবা পাৰ্টিৰ কিবা দুৰৱস্থা হৈছে কিহৰ কাৰণে ? সেইটো আপোনালোকে কোৱাৰ প্ৰয়োজন নাই । গতিকে এই দুৰৱস্থাৰ কাৰণে আপুনি দুখ নকৰিব ।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** গতিকে এতিয়া মই সদনৰ সময় আৰু ১৫ পোন্ধৰ মিনিট বঢ়াই লৈছো বা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যেতিয়ালৈকে ভাষণ থাকে ৰিপ্লাই থাকে মন্ত্ৰী ডাঙৰীয়া তেতিয়ালৈকে আমি সময় বঢ়াই লৈছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী -** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মহিলাৰ আৰক্ষণৰ বিষয়ে আলোচনা কৰাৰ সময়ত বিৰোধী পক্ষৰ বিধায়কসকলৰ যিটো....

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী -** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক যি ধৰণে সন্মানীয় সদস্য গৰাকীয়ে আঙুলি টোৱাই কথা কৈ আছে মই ভাবো যে আপুনি ভিডিঅ'টো পৰীক্ষা কৰিব লাগে আৰু আপোনাক যিধৰণে আঙুলি টোৱাই আছে মই ভাবো যে আপুনি চাব লাগে অধ্যক্ষৰ ফালে আঙুলি টোৱাব পাৰে নে নোৱাৰে? অধ্যক্ষ মহোদয়, মোৰ অনুৰোধ হ'ব যে আপোনাৰ ফালে যি ধৰণে তেখেতে মাননীয় সদস্য গৰাকীয়ে আপোনাৰ ফালে যিধৰণে আঙুলি টোৱাই আছে আৰু যি ধৰণে ধমকি দিয়াৰ কাৰণে প্ৰয়াস আৰু প্ৰচেষ্টা কৰিছে সদনত তেওঁক কি ধৰণৰ শাস্তি ল'ব লাগে পৰৱৰ্তী সময়ত চাব মই অনুৰোধ কৰিম । মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে আজি এটা বিশেষ প্ৰস্তাৱ আমাৰ সদনৰ সন্মুখলৈকে আনিছিলে আৰু মানে কি আপোনালোকক কি লাগে, কি লাগে মানে কি আছে কি? নহয় নহয় সন্মানীয় সদস্য অখিল গগৈয়ে স্পীকাৰক আঙুলি টোৱাই আছে । আপোনালোকে যদি চাপৰ্ট কৰিছে কৰক তেখেতে স্পীকাৰক আঙুলি টোৱাই আছে । আপোনালোক যাওক গৈ বাহিৰত ৰেষ্ট লওক । কথা ইমানেই । বাহিৰত ৰেষ্ট লওক না ১০২ জন ইয়াত আছেই । বাহিৰত ৰেষ্ট ললেই হ'ল ১০২ জন ভিতৰত আছেই । মাননীয় অধ্যক্ষ মহোদয়, সদনত

অখিল গগৈ ডাঙৰীয়াই আপোনাক যিটো আঙুলি টোৱাই আছে এনেকে এনেকে যিটো কথা কৈছে । মই ভাবো যে আপুনি ভিডিঅ'টো পৰীক্ষা কৰিব আৰু তাৰ পিছত অহাকালি দিনটোত তেখেতে সদনত থাকিব লাগে নে নালাগে আপুনি সিদ্ধান্ত লব মই আপোনাৰ ওচৰত এৰিছো । এই ক্ষেত্ৰত মই একো কব খোজা নাই । আপুনি সিদ্ধান্ত ল'ব । মাননীয় অধ্যক্ষ মহোদয়, দৰাচলতে আমি আজি সদনত নাৰী বন্দন অধিনিয়ম সম্পৰ্কত এটা আলোচনাত ভাগ লৈছো আৰু আমাৰ ৰাজ্যখনৰ বাবে খুব এটা ইতিবাচক দিশ যে যোৱাকালিৰ পৰা মই লক্ষ্য কৰিছো যে বহুতো বিধায়কে বিশেষকে পুৰুষ বিধায়কে এই আলোচনাত অংশ লবলৈ নিজকে ইচ্ছা প্ৰকাশ কৰিছিলে আৰু আমাৰ সদনত মহিলা বিধায়ক সকলৰ উপৰিও আজি পুৰুষ বিধায়ক সকলেও এই বিতৰ্কত অংশগ্ৰহণ কৰিছে আৰু সকলোৱে নিজৰ মতামত দাখিল কৰিছে । অধ্যক্ষ মহোদয়, নাৰী শক্তি বন্দন অধিনিয়ম ২০২৩ এই বিধায়কখন লোকসভা, বিধানসভা আৰু দিল্লী বিধানসভাত মহিলাক ৩৩ শতাংশ ৰিজাৰ্ভিচন দিয়াৰ বাবে সদনত উপস্থাপন কৰা হৈছে । এই বিলখনৰ অফিচিয়েল বা যিটো আনুষ্ঠানিক নাম সেইটো হ'ল 106th Amendment of Constitution of India আৰু ছেপ্তেম্বৰ ২০২৩ চনত এই বিলখন সদনত গৃহীত হৈছিল । সদনত ৩৩ শতাংশ নাৰীক অধিকাৰ দিয়াৰ বাবে পূৰ্বতেও কেইবাটাও প্ৰচেষ্টা হৈছিল। ১৯৯৬ চনত প্ৰথম প্ৰচেষ্টা কৰা হৈছিল। ১৯৯৮ চনত দ্বিতীয় প্ৰচেষ্টা কৰা হৈছিল। ১৯৯৯ চনত আৰু এবাৰ প্ৰচেষ্টা কৰা হৈছিল আৰু ২০০৮ চনত ইয়াক আকৌ এবাৰ প্ৰচেষ্টা কৰা হৈছিল । ২০১০ চনত ৰাজ্যসভাত Women Reservation Bill গৃহীত হয়। কিন্তু লোকসভাত কংগ্ৰেছ দলৰ সম্পূৰ্ণ সংখ্যাগৰিষ্ঠতা থকাৰ পিছতো এই বিলখন লোকসভাত গৃহীত নহ'ল। ফলত Women Reservation আইনখন বিল হিচাপে বন্দী হৈ ৰ'ল, ই কেতিয়াও আইনলৈ ৰূপান্তৰিত নহ'ল। অধ্যক্ষ মহোদয়, আমি যদি ইতিহাসলৈ চাওঁ কংগ্ৰেছ দলে Women Reservation Billৰ পোষকতা কৰিছিল কিন্তু সদনত যেতিয়াই Women Reservation Bill উত্থাপন হৈছিল তেওঁলোকৰে সহযোগী সমাজবাদী পাৰ্টী, ৰাষ্ট্ৰীয় জনতা দল

আদিয়ে এই বিলখনৰ বিৰোধিতা কৰিছিল আৰু সদনত অলপ হুলস্থুল হোৱাৰ লগে লগে অধ্যক্ষই সদন এক প্ৰকাৰ স্থগিত কৰে আৰু বিলখনৰ চৰ্চা পিছলৈ আগবঢ়াই লৈ যায় যে ইয়াক আমি পিছত চৰ্চা কৰিম ।১৯৯৬ চনৰ পৰা ২০১০ চনলৈ কংগ্ৰেছ দলৰ সদনত সংখ্যা গৰিষ্ঠতা থকাৰ পিছতো আৰু মুখ্য বিৰোধী দল হিচাপে বিজেপিয়ে ইয়াক সম্পূৰ্ণ সমৰ্থন কৰাৰ পিছতো ইয়াক সদনত গৃহীত কৰা নহ'ল। বহু সময়ত কংগ্ৰেছ দলে উল্লেখ কৰিছিল যে আমাৰ majority নোহোৱাৰ কাৰণে এই বিলখন আমি পাছ কৰিব পৰা নাই । তাৰ উত্তৰত গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই সদনক জনাইছিল যে যেতিয়া বিজেপি আৰু বিজেপিৰ সহযোগী দলসমূহে এই বিলখনক সমৰ্থন কৰিছিল আৰু কংগ্ৰেছ দলে যদি বিচাৰিলেহেঁতেন দুই-তৃতীয়াংশ majority ১৯৯৬ চনতো পালেহেঁতেন, ১৯৯৮ চনতো পালেহেঁতেন বা ২০১০ চনতো পালেহেঁতেন । কিন্তু ৰাষ্ট্ৰীয় জনতা দল আৰু সমাজবাদী পাৰ্টীৰ দৰে দলৰ মহিলা বিৰোধী নীতিৰ ওচৰত কংগ্ৰেছ দলে আত্মসমৰ্পণ কৰিছিল আৰু ফলত বাৰে বাৰে এই বিধেয়কখন সদনত গৃহীত নোহোৱাকৈ ৰৈ গৈছিল । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ছেপ্টেম্বৰ ২০২৩ চনত নাৰী শক্তি বন্দন অধিনিয়ম (১০৬ তম্ সংবিধান সংশোধনী) বিল লোকসভা আৰু ৰাজ্যসভাৰ মজিয়ালৈ লৈ আহে আৰু তেখেতৰ নেতৃত্বত 'Women Reservation Bill' in common language গৃহীত হয় । এই বিলখনত কেইটামান ধাৰা আছিল যাৰ বিষয়ে আজি আমি আলোচনা কৰিব লাগিব। প্ৰথম ৩৩% আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হৈছিল। দ্বিতীয়, বিলখনত কোৱা হৈছিল যে it will come into effect after the first census conducted following the Act. তাৰ মানে এতিয়া যিটো census অভিযান আৰম্ভ হৈছে সেই census অভিযান শেষ হোৱাৰ পিছতহে এই Reservation টো কাৰ্য্যকৰী হ'ব । তৃতীয়তে কোৱা হৈছিল, census অভিযান শেষ হোৱাৰ পিছত এটা delimitation হ'ব আৰু ৩৩% মহিলাৰ যি reservation সেইয়া কাৰ্য্যকৰী হ'ব। সংবিধানৰ 330

A , সংবিধানৰ 332 A আৰু সংবিধানৰ 334 A ত এই বিষয়ে ধাৰাসমূহ সন্নিবিষ্ট কৰা হৈছে। এই আইনখনৰ মতে ১৫ বছৰৰ কাৰণে প্ৰথম reservation হ'ব আৰু delimitation ৰ জৰিয়তে কোন সমষ্টি কেতিয়া reservation হ'ব তাৰ বিষয়ে ব্যৱস্থা লোৱা হ'ব। অধ্যক্ষ মহোদয়, নাৰী শক্তি অধিনিয়ম বিল, ২০২৩ত গৃহীত হয় আৰু বহু বছৰ পিছত finally ই সমগ্ৰ সাংবিধানিক পদ্ধতি সম্পন্ন কৰে। ৰাষ্ট্ৰপতি মহোদয়াই assent দিয়ে আৰু সংবিধানত ই ন্যায় সংগত ভাৱে লিপিবদ্ধ হয়। মাননীয় অধ্যক্ষ মহোদয়, শাসনলৈ প্ৰধান মন্ত্ৰী ডাঙৰীয়া পুনৰ উভটি আহিলে আৰু শাসনলৈ উভটি অহাৰ লগে লগে প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ উদ্যোগত নতুন এখন সংবিধানিক সংশোধনী বিধেয়ক অনা হ'ল। ই আছিল 131st amendment আৰু ই আছিল ২০২৬ৰ 131st Bill আৰু ইয়াত দুটা কথা উল্লেখ কৰা হৈছিল যে Delimitation Bill, 2026 আৰু Union Territories Laws, 2026। ইয়াৰ কাৰণটো কি আছিল? অধ্যক্ষ মহোদয়, ২০২৩ চনৰ বিল অনুসৰি, আমি তেতিয়ালৈকে মহিলাক reservation দিব নোৱাৰো যেতিয়ালৈকে census complete নহয়। অৰ্থাৎ বৰ্তমান আৰম্ভ কৰা census ২০২৯ চন পাৰ হৈ যাব আৰু ২০২৯ চনৰ লোকসভাতো আমাৰ মহিলাসকলে সাংবিধানিক অধিকাৰ ভোগ কৰিব নাপাব। যি ধৰণে কেইদিনমান আগতে অসম বিধান সভাৰ নিৰ্বাচন হৈ গ'ল, কিন্তু ৩৩% reservation ৰ সুবিধা আমি দিব নোৱাৰিলো কাৰণ census operation এতিয়াও সম্পূৰ্ণ হোৱা নাই। আমি আশা কৰো যে অহা দুই-তিনি বছৰ পিছত census অভিযান সম্পূৰ্ণ হ'ব কিন্তু প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আমি census লৈ ৰখি নাথাকো, ২০১১ ৰ census ৰ ভিত্তিতে আমি মহিলাসকলক reservation দিওঁ। অধ্যক্ষ মহোদয়, ইয়াত আপত্তি কৰিবলগীয়া কথা একো নাছিল। ভৱিষ্যতে census ৰ result ওলোৱাৰ আগতেই যদি ২০১১ৰ census ৰ ওপৰত আমি মহিলাক reservation দিওঁ তেতিয়া হ'লে এই গোটেই reservation ২০২৯ ৰ লোকসভাত আমি প্ৰয়োগ কৰিব পাৰো। অধ্যক্ষ মহোদয়, ইয়াত আৰু এটা ব্যৱস্থা

ৰখা হৈছিল। সেইটো হ'ল আমি women reservation implement কৰাৰ আগতে সদনত আসনৰ সংখ্যা বৃদ্ধি কৰিম যাতে মহিলাৰ সংৰক্ষণে বিভিন্ন জাতি-উপজাতিৰ বৰ্তমান যিটো composition আছে, জনজাতি, অনুসূচিত জাতি এই গোটেই যিটো present structure আছে তাত যাতে কোনো অসুবিধা নকৰে। অৰ্থাৎ বৰ্তমানৰ ১২৬ টা প্ৰতিনিধিত্বত কোনো অসুবিধা নহ'ব আৰু তাৰ লগত ৫০% আসন যোগ হ'ব যাতে মহিলা আৰু open এই দুটাৰ মাজত post delimitation যিটো ব্যৱস্থা সেইটো অক্ষুন্ন থাকে । কংগ্ৰেছ দলে বিৰোধিতা কৰিলে। কংগ্ৰেছ দলে ক'লে – delimitation হ'ব নালাগে, আসনৰ সংখ্যা বাঢ়িব নালাগে। ইয়াৰ উত্তৰ গৃহ মন্ত্ৰী ডাঙৰীয়াই সদনত ইতিমধ্যে দিছে। আজি মজিবুৰ ৰহমান ডাঙৰীয়াই উল্লেখ কৰিলে যে আমাৰ ভাৰতত কিছুমান এনেকুৱা **sit** আছে **,** যাৰ সংখ্যা যথেষ্ট গুণে বেছি। কিন্তু এই চিট বিলাকৰ যিজন এম**.** পি**,** তেওঁলোকে বা এম**.** এল**.** এ আজি আমাৰ যদি কোনোবা চিটত আমৰি সমষ্টিত ১ লাখ জনসংখ্যাৰে এটা চিট হৈছে আৰু দলগাওঁত প্ৰায় ৩ লাখ সংখ্যাৰে এটা চিট হৈছে। উত্তৰটো এইটো নহয় যে আমৰিতো কাটি দলগাওঁতো বিভক্ত কৰা। কাৰণ আমৰি সমষ্টিতো কিয় কৰা হৈছে। কাৰণ তাৰ পাহাৰ পৰ্বত তাৰ যিটো **Geography** সেই **Geography** টোত এজন যদি এম**.** এল**.** এ নাথাকে**,** পুৰণা বৈঠালাংচুৰ পৰা তাত ৰাজনৈতিক ন্যায় কৰিব পৰা নাযায় । কাৰণ সমষ্টি **delimitation** অকল **population** নহয় । মানুহে মাজে মাজে ভূল কৰে যে জনসংখ্যাৰ মতে সমষ্টি বনে। সমষ্টি বনে **Geography.** যদি মাজুলী নদীদ্বীপ এটা গতিকে এটা চিট মাজুলীত হবই লাগিব। জনসংখ্যাৰ কাৰণে যোৰহাটৰ পৰা মাজুলীক চলাব পৰা নাজায়। সেই কাৰণে কংগ্ৰেছ দলৰ দিনতে ২০০৩ ত যি **delimitation** আইন অনা হৈছিল**,** তাত লিখা হৈছিল **Population geography and administrative convenience** অৰ্থাৎ প্ৰশাসনিক সুবিধা ভৌগোলিক একতা আৰু জনসংখ্যা । এতিয়া অধ্যক্ষ মহোদয়**,** আমি সকলোৰে জানো যে

দলগাওঁ যে সমষ্টিতোক সৰু কৰিবলৈ আমি আমৰিৰ পৰা চিট কেইটা কাঢ়ি আনিব নোৱাৰো। আমি শিৱসাগৰৰ পৰা চিট এটা কাঢ়ি আনিব নোৱাৰো। বিশেষকৈ অসমৰ দৰে ৰাজ্যত আমি যদি জনজাতীয় চিট এটা কাঢ়ি আনি জনসংখ্যা বঢ়াৰ কাৰণে শালমৰাত যদি আমি এটা চিট কৰিব যাওঁ, দলগাওঁত যদি দুটা চিট কৰিব যাওঁ বা আমি যদি আলগাপুৰ কাটলিচাৰাত দুটা চিট কৰিব যাওঁ, তেতিয়াহ'লে কি হ'ব ? থলুৱা জাতি-জনগোষ্ঠী সমূহে অস্তিত্বৰ সংকটত পৰিব । ভৌগোলিকভাৱে আমি এজন বিধায়কৰ জনসংখ্যা কম হ'ব। কিন্তু সমষ্টিৰ এটা মূৰৰ পৰা আনটো মূৰলৈ যাবলৈ এটা দিন লাগিব। ইয়াৰ সমাধান কি ? যে সমাধান হ'ল আমাৰ চিটৰ সংখ্যা বাঢ়িব লাগিব। গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই স্পষ্টভাবে কৈছিল যে আমাৰ যদি ৫০ শতাংশ  চিট লোকসভা, বিধান সভাত বাঢ়ে, ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সমূহৰ আশা-আকাংশা আজি যদি আপোনালোকে অসমত চায়, আমি মাজে মাজে আলোচনাও কৰো। ৰাভা সকলৰ বাবে এটা চিট আছে, বড়োৰ কাৰণে চিট আছে, কিন্তু সোণোৱাল কছাৰী জিকিব পৰা আজিও এটা চিট আমাৰ নাই যদিও তেওঁলোক অসমত আটাইতকৈ খিলঞ্জীয়া জাতি সত্বা। আজি তিৱা সকলৰ বাবেও এটাও **reservation sit** নাই, যদিও তেওঁলোক আটাইতকৈ খিলঞ্জীয়া জাতি সত্বা। আজি আমাক যদি ৫০ শতাংশ চিট বাঢ়িলেহেঁতেন, আমি দলগাওঁতো দুটা কৰিব পাৰিলোহেঁতেন, চাউথ শালমাৰাতো দুটা কৰিব পাৰিলোহেঁতেন, জনীয়া মন্দিয়াতো দুটা কৰিব পাৰিলোহেঁতেন। লগে লগে সোণোৱাল কছাৰী সমাজখনকো হয়তো আমি এটা চিট দিব পাৰিলেহেঁতেন। ঠেঙাল কছাৰীক আমি এটা চিট দিব পাৰিলোহেঁতেন। আমি তিৱা জনগোষ্ঠীৰ কাৰণেও এটা চিট আমি **reservation** কৰিব পাৰিলোহেঁতেন  আৰু মহিলা সকলেও সাংবিধানিক অধিকাৰ পালেহেঁতেন। কিন্তু কংগ্ৰেছ দলে প্ৰথমৰ পৰাই আজি যে তেওঁলোক ইয়াৰ পৰা ওলাই গ'ল কোনোবাই লিখিব যে ভূৱণ পেগুৰ কাৰণে খং কৰি ওলাই গ'ল। আমাৰ সদনত সংবিধান বিৰোধী, অসম বিৰোধী এই

শব্দবোৰ আমি প্ৰায়েই ব্যৱহাৰ কৰি থাকো। কালি যেতিয়া **UCC Bill** ক কোনোবাই বিৰোধিতা কৰিব, মইতো তাত মহিলা বিৰোধী বুলি কমেই । ই সম্পূৰ্ণ গণতান্ত্ৰিক শব্দ । **This is not a un parliamentary word.** আমি ৰাজনীতি কথা-বতৰাত আপুনি মহিলা বিৰোধী, আপুনি জনজাতি বিৰোধী এই কথাবিলাক আমি কওঁ, তেতিয়া তেওঁ উত্তৰত কয়, যে আপুনিহে জনজাতি বিৰোধী । মই জনজাতি প্ৰেমী **These are the political discourse** ইয়াত কোনো অসাংবিধানিক কথা একো নাই। আপোনালোকে চাওঁক, অলপ যদি চিন্তা কৰে ভূৱণ পেগুৱে বিৰোধীৰ ফালে কিয় আঙুলি টোৱালে **? No doubt** যদি আঙুলি টোৱাইছে বেয়া কৰিছে । কিন্তু যিজন মানুহে এইটো প্ৰশ্ন কৰিলে তেওঁ আকৌ Speaker ৰ ফালে আঙুলি টোৱাই দিলে । এতিয়া কোনটো ডাঙৰ অপৰাধ হ'ল? ভূৱণ পেগুৱে তেওঁৰ ফালে আঙুলি টোৱাটো ডাঙৰ অপৰাধ নে সেই ব্যক্তিজনে Speaker ৰ ফালে আঙুলি টোৱাটো ডাঙৰ অপৰাধ ? আমি জনাত অধ্যক্ষৰ আসনৰ ফালে আঙুলি টোৱাতো অক্ষমণীয় অপৰাধ। ইয়াতকৈ ডাঙৰ অপৰাধ একো নাই । মোৰ হাতত খবৰ আছিল । মই এজনক WhatsApp কৰিও দিছিলো। Already Delhi ৰ পৰা অৰ্ডাৰ আহিছিল যে এই প্ৰস্তাৱ গৃহীত কৰাৰ সময়ত তেওঁলোক উপস্থিত থাকিব নালাগে। কাৰণ আজিৰ সদনে অলপ পাছতে কংগ্ৰেছ দলক সমালোচনা কৰি এটা প্ৰস্তাৱ ল'ব। কি প্ৰস্তাৱ ল'ব যে আমি আহ্বান জনাম সদনে যাতে নাৰী শক্তি অধীনিয়ম বিলখন গৃহীত কৰে। সেইটোৱে আমাৰ প্ৰস্তাৱ আৰু ৰাতিপুৱাই তেওঁলোকলৈকে instruction আছিল এই গৃহীত কৰাৰ সময়ত যিকোনো এটা point উলিয়াই Walk out কৰিব লাগে। এইবলাকৰ কাৰণে মানুহে তেওঁলোকক বেয়া পায় । আজি যেতিয়া সদনে মহিলাক reservation ৰ বিল দিয়া বা মহিলাক reservation ত দিয়াৰ এটা প্ৰস্তাৱ পাঠ কৰিছে মই যদি কংগ্ৰেছ হ'লোহেঁতেন, মোক মাৰিলে খেদিলেও মই উঠি নগ'লোহেঁতেন । আপুনি দুজনে ভাল কৰিছে , সেই কাৰণে দুইজনে জিকি আহিছে । ভাল কৰাৰ

কাৰণেইতো জিকি আহিছে ? নহ'লে মমতা বেনাৰ্জী বেংগলত হাৰি গ'ল ? অসমতো মমতা দিদিৰ নামত অড হৈ গ'ল। কিয় ? কাৰণ যুক্তিনিষ্ঠ কথাত আছে আপুনিও আছে যে ইয়াতে মহিলাৰ যদি বিল এখন পাছ হোৱাৰ সময়ত ওলাই গ'লেই বাৰু আকৌ সোমাই আহিব লাগিছিল যে আমি ইয়াত ভাগ ল'ম। তেওঁলোকৰ মহিলা বিৰোধী আৰু মই কৈছো this is not a un  parliamentary word. মহিলা বিৰোধী চৰিত্ৰতো এই walk out ৰ জৰিয়তে আকৌ এবাৰ তেওঁলোকে প্ৰমাণ কৰি দিলে। ৯৬ চনতো এই কাম কৰিছিল, ৯৮ তো এইটো কাম কৰিছিল, ২০০০ তো কৰিছিল, ২০০৬ তো কৰিছল, ২০০৮ তো কৰিছিল, হুলস্থুল এটা লগাই তেওঁলোকে সদনখন বন্ধ কৰি দিলে। মই ভাবো যে অসমৰ কাৰণে গৌৰৱৰ কথা। আমি অসমত সকলোৱে জানো যে আমি মা কামাখ্যাক উপাসনা কৰো। দূৰ্গাক উপাসনা কৰো, জয়মতী, মুলাগাভৰু, আমাৰ বাবে একো একোটা প্ৰেৰণাৰ প্ৰতীক। কণকলতা বৰুৱাৰ আত্মত্যাগে আজিও আমাক সকলোকে আলোড়িত কৰে। অসমৰ সমাজ ব্যৱস্থাত মহিলা সদায় অগ্ৰণী স্থান লাভ কৰি আহিছে। স্বাধীনতা সংগ্ৰাম হওঁক, অসম আন্দোলন হওঁক, বড়ো আন্দোলন হওঁক, জনজাতীয় আন্দোলন হওঁক বা অসমৰ পুৰণা ইতিহাসক নাৰীয়ে অসমৰ সমাজ জীৱনত সদায়েই ভূমিকা পালন কৰি আহিছে আৰু অলপ আগতে মোৰ ভাষণত মই কৈছিলো যে কেনেকৈ ৪০ লাখ মহিলা সদস্যই আত্মসহায়ক গোটৰ জৰিয়তে আজি অসমৰ অৰ্থনীতিকো এটা নতুন ৰূপ দিবলৈ প্ৰয়াস কৰিছে। অধ্যক্ষ মহোদয়, এই যদি Constitutional Amendment Bill খন পাছ হ'লহেঁতেন, আমাৰ কেইবাটাও লাভ হ'লহেঁতেন। প্ৰথম মহিলাই Reservation পালেহেঁতেন। দ্বিতীয়তে, আজি আমাৰ সদনত মাত্ৰ ১৪ খন চিট। ধুবুৰীত ১০ লাখতকৈয়ো ১৫ লাখতকৈয়ো বেছি ভোট আছো আমাৰ ২১ টা Parliament sit হ'লহেঁতেন। কিমান ভাল হ'লহেঁতেন যে অসমৰ পৰা ২১ জন প্ৰতিনিধি থাকিলেহেঁতেন  আৰু আমাৰ বিধান সভাখন আমি আগতে ডাঙৰ বিধান সভা বনাইছিলো যাতে

আমাৰ মহিলাই Reservation ৰ পিছতো চিট বাঢ়িব আৰু এই সদনখন যদি চায়, আপুনি দেখিব যে যিমান Amendment হ'লহেঁতেন, সিমান খন আসন ইয়াতে খালী আছে। তাৰমানে এইটো কোনো ৰাজনৈতিক উদ্দেশ্যৰে কৰা সদন নহয়। এইখন সদন কোনে বনাইছিল অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ দিনত হৈছিল টংকবাহাদুৰ ৰায়ে আৰম্ভ কৰিছিল। তাৰমানে কংগ্ৰেছৰ দিনৰ পৰা এইটো চিন্তা আছিল যে এটা সময় আহিব য'ত নেকি ৫০ শতাংশ চিট বাঢ়িব। আপুনি আমাৰ বিধান সভাখন চাওঁক। নিয়মমতে মোদী ডাঙৰীয়াৰ দিনটো এইখনৰ কাম আৰম্ভ হোৱা নাছিল। এইখনৰ কাম আৰম্ভ হৈছিল তৰুণ গগৈৰ দিনত। টংকবাহাদুৰ ৰায় অধ্যক্ষ থাকোতে তেওঁ কিয় ইয়াতে চিটৰ সংখ্যা বেছি কৰি থৈ গৈছিল ? এইটো আগৰ পৰাই নিৰ্দ্ধাৰিত হৈ আছিল যে যেতিয়াই delimitation হ'ব, এইবাৰ চিট বাঢ়িব আৰু exactly চিট কেইটা যদি গন্টি কৰে , ইমানেই চিট যিমান সদনত বিলত উত্থাপন হৈছিল আৰু পাৰ্লিয়ামেন্টখনো এনেকৈ বনোৱা হৈছিল যাতে বৰ্দ্ধিত চিট আমি সদনৰ ভিতৰত accommodate কৰিব পাৰো। তাৰমানে মাননীয় অধ্যক্ষ মহোদয়, এই যিখন সদন ইয়াৰ কাম আৰম্ভ হৈছিল মোৰ মনত থকা মতে প্ৰায় ২০০৭-৮ চনত। তাৰমানে তেতিয়াৰ পৰাই এইটো সিদ্ধান্ত আছিল। কোনো মোদী জীয়ে delimitation কৰি ষড়যন্ত্ৰ কৰিবৰ কাৰণে কৰা নাছিল। যদি মোদী জী য়ে ষড়যন্ত্ৰ কৰিছিল, তাৰমানে ২০০৬ চনতেই মাননীয় তৰুণ গগৈ ডাঙৰীয়াই গম পাব লাগিব যে মোদী ডাঙৰীয়াই প্ৰধানমন্ত্ৰী হ'ব। নহ'লে কিয় এই চিট বিলাক বহাতকৈ ডাঙৰ কৰি hall টো বনাব। তাৰমানে আমাৰ political class ৰ মাজত আগৰ পৰাই এইটো বুজা-

বুজি আছিল যে যেতিয়াই delimitation হ'ব চিট বাঢ়িব । এইটো কোনো নতুন কথা নহয়। আজি যি সকলে বিৰোধিতা কৰিছে, কংগ্ৰেছ দলে বিৰোধিতা কৰিছে চিট বঢ়োৱাত। মই তেওঁলোকক প্ৰশ্ন কৰিব খোজো যে আপোনালোকে বিধান সভাখন ১২৬ টা চিট নকৰি ১৬০ টা চিট কিয় কৰিছিল ? তাৰমানে আপোনালোকে delimitation কৰিলে ভাল, বি জে পি য়ে delimitation কৰিলে বেয়া। নহ'লেটো পিছৰ তিনিটা তিনিটা শাৰী খালী হৈ আছে। এইটো Hall মই বনোৱা নহয়, মই মাত্ৰ ইয়াৰ কাম শেষ কৰিছিলো। মাননীয় কেশৱ মহন্ত ডাঙৰীয়াই জানিব, মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াই জানিব যে এই ডিজাইনটো মই বনোৱা ডিজাইন নহয়। ইমান ডাঙৰ, ইমান বহল, ইমান চিট। তাৰমানে আমাৰ বিধায়ক সকলৰ মাজত এইটো কথা আগৰ পৰাই আছে যে কেতিয়াবা নহয় কেতিয়াবা ৫০ শতাংশ চিট বাঢ়িব। আজি তেওঁলোকে চিট ও বাঢ়িব নিদিলে, মহিলাকো আৰক্ষণ নিদিলে আৰু অসমৰ দৰে ক্ষূদ্ৰ ক্ষূদ্ৰ ৰাজ্য সমূহক বৰ্দ্ধিত MP চিটৰ পৰা বঞ্চিত কৰিলে। ৭ জন নতুন MP হ'ল হেঁতেন, অৰ্ধেক বিধায়ক আহিল হেঁতেন , ক্ষূদ্ৰ ক্ষূদ্ৰ জাতি সত্বা সমূহে অধিকাৰ পালে হেঁতেন আৰু তাৰ লগতে ৩৩ শতাংশ মহিলাৰো reservation হ'ল হেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, এই কথাবোৰ এনেই নহয়। আজি যেতিয়া এই বিলখন আহিছে, ইতিমধ্যে অৰ্ডাৰ আছিলেই যে আপোনালোক ওলাই যাব। এই গোটেই কামবোৰ তেওঁলোকে এনেকৈ কৰে কাৰণেই

আজি মহিলা সকলে গম পাব যে যেতিয়া অসম বিধান সভাই মহিলাক reservation দিয়াৰ কাৰণে প্ৰস্তাৱ পাছ কৰিছে তেতিয়া কংগ্ৰেছে walkout কৰিছে। কালি কোন মহিলাই ভোট দিব। মহিলাই ভোট নিদিব, পিছত ক'ব EVM ত গণ্ডগোল আছে। আজি কিয় মহিলাই ভোট দিব আপুনি কওঁকচোন। তেতিয়াই ক'ব নহয় নহয় EVM ত গণ্ডগোল। তেওঁলোকে জিকা চিট কেইটাত EVM ঠিকে থাকে আৰু আমি জিকা চিট কেইটাত EVM কেইটা বেয়া হৈ যায়। অখিল গগৈয়ে উঠি ক'ব যে আপোনালোকে EVM চোৰ কৰি জিকিছে। তেতিয়াহ'লে আপুনি ও শিৱসাগৰত ডকাইতি কৰি জিকিছে, আমি যদি চুৰি কৰি জিকিছো। একেইটো EVM, আপোনাৰ কাৰণে ভাল, আমাৰ কাৰণে বেয়া , আচৰিত কথা। গতিকে এইধৰণৰ যুক্তি-তৰ্ক কৰি আজি অসমৰ মানুহক প্ৰতাৰণা কৰা, প্ৰলোভিত কৰাৰ সময় পাৰ হৈ গ'ল। আমি বিচাৰো এজন অসমবাসী হিচাপে লোকসভাৰ চিট বাঢ়িব লাগে, Assembly ৰ চিট বাঢ়িব লাগে, ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহে অধিকাৰ পাব লাগে আৰু তাৰ লগত আমাৰ মাতৃ সকলে ৩৩ শতাংশ reservation ৰ সুবিধা পাব লাগে। সেই বাবে মই সদনক আহ্বান জনাব যে আমাৰ নাৰী শক্তি অধিনিয়ম বিল সোণকালে পাছ কৰিবৰ বাবে বা তাক নতুনকৈ introduce কৰি পাছ কৰাৰ বাবে অসম বিধান সভাই সংসদত আহ্বান জনাই আমি যিটো প্ৰস্তাৱ আজি পাৰিত কৰিব খুজিছো, তাক যাতে সৰ্ব্বসন্মতি ক্ৰমে পাৰিত কৰে আৰু

আপোনালোকেও ৰাইজক গৈ ক’ব যে মহিলা reservation ৰ বিল পাৰিত কৰাৰ সময়ত কংগ্ৰেছে walkout কৰিছিল । লোকসভাত বিৰোধিতা কৰিছিল, ইয়াত walkout কৰিছে। এই ঘটনা বিলাক আমি নিশ্চয় ৰাইজক ক’ব লাগিব যাতে ৰাইজে তেওঁলোকৰ মহিলা বিৰোধী চৰিত্ৰটো বুজিব পাৰে। এই দুআষাৰ কৈ মই মাননীয়া শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীক এই প্ৰস্তাৱটো অনাৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়াণীয়ে উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো চৰকাৰী প্ৰস্তাৱ আনিছিলো, সেই প্ৰস্তাৱটো আছিল যে এই সদনে অভিমত পোষণ কৰে যে নাৰী শক্তিক সন্মান জনোৱা আৰু মহিলা সকলৰ সৰ্ব্বাগীণ বিকাশ তথা সৱলীকৰণ নিশ্চিত কৰাৰ উদ্যেশ্যে সমষ্টিৰ সীমা নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছত দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা তাৎক্ষণিক ভাৱে সংৰক্ষণৰ কাৰ্য্যকৰী কৰা হওঁক। মাননীয় অধ্যক্ষ মহোদয়, মই সঁচাকৈ গৌৰৱ অনুভৱ কৰিছো যে এগৰাকী মহিলা প্ৰতিনিধি হিচাপে এই ৰাজনৈতিক প্ৰস্তাৱটোক আমাৰ সদনৰ নেতা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰখনে প্ৰথম বাৰৰ বাবে বিধান সভাৰ মজিয়াত আজি উত্থাপন কৰিছে। ইয়াৰ উদ্যেশ্য আছিল মাননীয় অধ্যক্ষ মহোদয়, যোৱা সময়চোৱাত ৰাজনৈতিক ভাৱে নাৰীৰ যি উত্তৰণৰ ব্যৱস্থা তাক সাংবিধানিক ভাৱে

মৰ্য্যদা দিবৰ কাৰণে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ চৰকাৰখনে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই কৈছিল যে আমি স্বাধীনতাৰ অমৃত কালত উপণীত হৈছো আৰু ভাৰতবৰ্ষৰ স্বাধীনতাই এশ বছৰত উপণীত হ'ব, তেতিয়াই ভাৰতবৰ্ষই বিশ্বক নেতৃত্ব দিব আৰু সেই নেতৃত্ব হ'ব লাগিব সকলো মানুহক সামৰি আৰু সেই কাৰণে প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই কৈছিল যে সবকা বিকাশ, সবকা প্ৰয়াস, সবকা বিশ্বাস। গতিকে সকলোকে সামৰি তেখেতে সাৰ্ব্বজনীন ভাৱে দেশখনক আগুৱাই লৈ যাবৰ কাৰণে এই প্ৰচেষ্টা গ্ৰহণ কৰিছিল। তাৰ বাবে তেখেতে কৈছিল যে মহিলা সকলেও নেতৃত্ব দিব লাগে। সেই কাৰণে যোৱা ১৮ চেপ্তেম্বৰ, ২০১৩ চনত ভাৰতবৰ্ষৰ সংবিধানে মহিলা শক্তি বন্দন অধনিয়ম বিধেয়কখন সদনত তেওঁলোকে সৰ্ব্বসন্মত ভাৱে পাছ কৰিছিল। ইতেমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে কথাখিনি সুন্দৰ ভাৱে কৈছে। মই বিৰোধী দলৰ বিধায়ক সকলে Statement of object and reason টো ভালকৈ পঢ়িছে নে নাই মই নাজানো। কাৰণ মই তেখেত সকলৰ যিখিনি বক্তব্য শুনিলো, ইয়াত গোটেই খিনি কথাই সামৰি delimitation ৰ পৰা সকলো কথা ইয়াত সুন্দৰ ভাৱে সামৰি object of reason ৰ কথাখিনি কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে এই বিধেয়কখন পাছ কৰিছিল। তাৰ পিছত যোৱা ১৭ এপ্ৰিলত এই বিলখন পাৰ্লিয়ামেন্টত অনা হৈছিল আৰু অৰ্জুন ৰাম মেঘৱালে Statement of object and reason গোটেই কথাখিনি সুন্দৰ ভাৱে কৈছে। ইয়াত Article 82 and Article 17 of the Constitution ত কোৱা হৈছে যে লোকসভাৰ আসন সমূহ ৰাজ্য সমূহৰ জনসংখ্যাৰ অনুপাতত

আবন্টন কৰিব লাগে আৰু  লগতে প্ৰতিখন ৰাজ্যৰ অন্তৰ্গত সমষ্টি সমূহৰ জনসংখ্যাও প্ৰায় সমান হ'ব লাগে। এই উদ্দ্যেশ্যে প্ৰতিটো লোকপিয়লৰ পিছত সমষ্টি সমূহৰ পুনৰ নিৰ্দ্ধাৰণ delimitation কৰিব লাগে বুলি ভাৰতবৰ্ষৰ সংবিধানত উল্লেখ আছে আৰু এনেধৰণৰ ব্যৱস্থা ৰাজ্যিক বিধান সভা সমূহৰ ক্ষেত্ৰটো প্ৰযোজ্য। ১৯৭৫ চনত হোৱা ৪২ তম সংবিধান সংশোধনৰ জৰিয়তে ১৯৭১ চনৰ জনসংখ্যাৰ ভিত্তিত লোকসভাত প্ৰতিখন ৰাজ্যৰ মুঠ আসনৰ সংখ্যা আৰু ৰাজ্যিক বিধান সভাৰ মুঠ আসনৰ সংখ্যা স্থগিত কৰি থোৱা হৈছিল। এই স্থগিতাদেশ প্ৰথমে ২০০০ চনৰ পিছৰ প্ৰথম লোকপিয়ল প্ৰকাশলৈ বলবৎ আছিল আৰু ২০০১ চনত হোৱা ৮৪ তম সংবিধান সংশোধনৰ জৰিয়তে এই স্থগিতাদেশ ২০২৬ চনৰ পিছৰ প্ৰথম লোকপিয়ল প্ৰকাশলৈ বৃদ্ধি কৰা হয় আৰু ২০২৩ চনত হোৱা ১০৬ তম সংবিধান সংশোধনৰ জৰিয়তে লোকসভা আৰু ৰাজ্যিক বিধান সভা সমূহত মহিলা সকলৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হয় আৰু এই সংৰক্ষণ ২০২৩ চনৰ আইন কাৰ্য্যকৰী হোৱাৰ পিছত প্ৰথম লোকপিয়লৰ ভিত্তিত হ'বলৈ ঠিৰাং কৰে । এই লোকপিয়লৰ ভিত্তি হৈছে ১ মাৰ্চ, ২০২৭। পৰৱৰ্ত্তী লোকসভা নিৰ্ব্বাচন ২০২৯ চনত অনুষ্ঠিত হ'ব বুলি ধৰি ল'লে, ২০২৭ চনৰ লোকপিয়লৰ ভিত্তিত delimitation ৰ প্ৰক্ৰিয়া ২০২৯ চনৰ নিৰ্ব্বাচনৰ আগতে সম্পূৰ্ণ হোৱাৰ সম্ভাৱণীয়তা কম  আৰু সেইকাৰণে ২০২৯ চনৰ লোকসভা নিৰ্ব্বাচনত মহিলা সকলৰ সংৰক্ষণ কাৰ্য্যকৰী নহ'বও পাৰে আৰু সেইকাৰণে শেষৰবাৰৰ বাবে delimitation আয়োগে ২০০২ চনত এই আয়োগ গঠন কৰা হৈছিল আৰু ইয়াৰ আদেশ সমূহ ২০০৮

চনলৈ চূড়ান্ত কৰা হৈছিল আৰু সেই মৰ্মে ১৬ এপ্ৰিল ২০২৬ তাৰিখে লোকসভাত ৩ খন বিধেয়ক উত্থাপন কৰা হয় ক্ৰমে সংবিধানৰ ১৩১ তম সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬, সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬। এই বিধেয়ক সমূহৰ জৰিয়তে লোকসভাৰ আকাৰ বৃদ্ধি, ২০১১ চনৰ লোকপিয়ল মতে সমষ্টি পুনৰ নিৰ্ধাৰণ ৰ ব্যৱস্থা আৰু সেই সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ ভিত্তিত মহিলা সকলৰ আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। গতিকে অতি সুন্দৰ ভাৱে এই আইন খনৰ খচৰা প্ৰস্তুত কৰা হৈছিল আৰু লোকসভাত এই আইন খন পাছ কৰিবৰ কাৰণে আমি TV ত আলোচনা সমূহ দেখিছিলো আৰু ভাৰতবৰ্ষৰ সকলো মানুহে প্ৰায় ১৪০ কোটি মানুহৰ ভিতৰত যিহেতু ৫০ শতাংশ মহিলা আৰু সেই মহিলা সকলে স্বাধীনতাৰ ৭৭ বছৰ পিছত এই আইন খন বাস্তৱত ৰূপায়িত হবৰ কাৰণে আশাৰে বাট চাই আছো। কিন্তু এইটো অতি দূৰ্ভাগ্যজনক কথা কাৰণ আজি বিৰোধী সকলৰ সদিচ্ছাৰ অভাৱৰ কাৰণে বিল খন পাছ নহল। তাৰ পিছত আমি সকলোৱে দুখ পালো আৰু আমি ৰাজপথলৈ উলাই আহিবলৈ বাধ্য হলো। এই বিধান সভাত মই ২০০১ চনৰ পৰা আছো আৰু আজি বিধান সভাত মহিলাৰ প্ৰতিনিধিত্ব বাঢ়িছে নে কমিছে আমি সকলোৱে দেখা পাইছো। এই কথাটো ভাৰতবৰ্ষ মহিলা সকলেও উপলব্ধি কৰিছে যে আজি ২১ শতিকাৰ মহিলা সকলক কোনেও ৰাজনৈতিক ভাৱে পিছত ৰাখিব নোৱাৰে। সেইহে আজি সময়ৰ আহ্বানত এই সংকল্প প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে সদনত গৃহীত হব লগে আৰু মহিলা সকলৰ যি ৰাজনৈতিক আশা আকাংক্ষা তাৰ উত্তৰণৰ কাৰণে আজি সঠিক ভাৱে

এই প্ৰস্তাৱটো আলোচনা হৈছে আৰু মুখ্য মন্ত্ৰী মহোদয়কে ধৰি প্ৰায় ২৯ জন সদস্যই এই প্ৰস্তাৱটোৰ ওপৰত বিস্তৃত ভাৱে আলোচনা কৰিছে। গতিকে আমি অসম বিধান সভাই এই প্ৰস্তাৱটো ইয়াৰ পৰা দিল্লীলৈ পঠাব লাগে আৰু দিল্লীকো আমি অনুৰোধ কৰিব লগে যাতে ভবিষ্যতে বিধেয়ক খন সুন্দৰ ভাৱে প্ৰকাশ পায় য'ত মহিলা সকলে মৰ্য্যদা সহকাৰে ৩৩ শতাংশ সংৰক্ষণ লৈ ভাৰতবৰ্ষৰ সংসদ বা বিধান সভা সমূহত তেওঁলোকে সুষ্ঠ ভাৱে প্ৰতিনিধিত্ব কৰিব পাৰে। গতিকে মই প্ৰস্তাৱটো ইয়াত গৃহীত হবৰ বাবে সকলোকে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** চৰকাৰী সংকল্প প্ৰস্তাৱটোৰ ওপৰত সংশোধনী প্ৰস্তাৱ আছে মাননীয় সদস্য শ্ৰী নুৰুল হুদা ডাঙৰীয়াৰ। হুদা ডাঙৰীয়া আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে ?

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী অজন্তা নেওগ বাইদেউ ডাঙৰীয়ানীয়ে যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে সেই সংকল্প প্ৰস্তাৱৰ আমি সমৰ্থনত আছো কিন্তু আমি কৈছো যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতহে যিটো বাক্য ইয়াত উল্লেখ কৰা হৈছে কিন্তু আমি বিচাৰিছো যে সমষ্টি পুনৰ্ধাৰণ প্ৰক্ৰিয়াৰ আগতে অৰ্থাৎ এতিয়াই এই আইনটো বলবৎ কৰিব লগে। কিন্তু দুখৰ বিষয় যে এটা প্ৰস্তাৱৰ সপক্ষে বিপক্ষে কোৱা হয় কিন্তু এই কথাটো কোৱাতে আমাক সংবিধান বিৰোধী বুলি কোৱা হয় গতিকে আপোনাৰ পৰা এটা ভাল উত্তৰ পাম বুলি আশা কৰিলো। আৰু এতিয়া মই মোৰ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ বিচাৰিছো । ভাৰতৰ সংসদত

২০২৩ চনত সৰ্বসন্মতি ক্ৰমে গৃহীত হোৱা The Constitution 128 Amendment Act, 2023 অতি শীঘ্ৰে কাৰ্য্যকৰী কৰি দেশৰ সংসদ আৰু বিধান সভা সমূহৰ সুবিধাৰ বাবে ৩৩ শতাংশ আসন অতি সোনকালে সংশোধিত কৰা হওক। সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাৰণে আয়োগ আছে। গতিকে আমি মহিলাৰ কাৰণে ৩৩ শতাংশ আসন সংৰক্ষণ কৰাৰ কাৰণে আজি এটা প্ৰস্তাৱ লোৱা হওক।

**माननीय অধ্যক্ষঃ** মাননীয় শ্ৰী নুৰুল হুদাৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওক। যি সকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়। মই ভাৱো নহয় সাপেক্ষে নহয় সাপেক্ষে নহয় সাপেক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল। মই এতিয়া চৰকাৰী সংকল্প প্ৰস্তাৱটো সদনৰ অনুমতিৰ বাবে দাঙি ধৰিলো।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট** অধ্যক্ষ মহোদয় মোৰ প্ৰস্তাৱটোৰ ওপৰত ভোট লোৱা হওক।

**মাননীয় অধ্যক্ষঃ** এইটো মৌখিক ভোটত নাকচ কৰা হ'ল। মই এতিয়া চৰাকাৰী সংকল্প প্ৰস্তাৱটো সদনত অনুমোদনৰ বাবে দাঙি ধৰিলো। এতিয়া সদনত উত্থাপিত চৰকাৰী সংকল্প প্ৰস্তাৱটো গৃহীত কৰা হওক। যিসকলে সপক্ষে আছে তেওলোকে কওক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওক নহয়। মই ভাৱো হয়

সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে, চৰকাৰী সংকল্প প্ৰস্তাৱটো গৃহীত কৰা হল।

সদন ২৭-০৫-২০২৬ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হল।

--